# কানৈয়ান

৫৫ তম্ সংখ্যা, ২০০৩-০৪ চন



সম্পাদক ঃ বব এলিছন দাস

প্ৰতি

..............................................................................................

..............................................................................................



শ্ৰদ্ধা আৰু শুভেচ্ছাৰে

—বব্

# কানৈয়ান

৫৫ তম সংখ্যা, ২০০৩-২০০৪ চন

# K A N O I A N

55th issue, 2003-2004

**Prof. in charge :**
Dr.(Mrs.) Usha Rani Bauah

**Editor :**
Bob Alison Das

Dibrugarh Hanumanbox Surajmal Kanoi College
Dibruarh, Assam.

**KANOIAN :** The 55th Annual issue of the Students' Union Journal of Dibrugarh Hanumanbox Surajmal Kanoi College, Session 2003-2004, edited by Bob Alison Das, published by D.H.S.K. College Students' Union and printed at INSUI INFOTECH, Dibrugarh University Campus, Dibrugarh, Assam, PIN- 786 004, Ph. 0373-2370952 & 9435283759.

**EDITORAL BOARD :**

**President :**
Dr. S.K. Dutta
Principal, D.H.S.K. College

**Prof. in charge :**
Dr.(Mrs.) Usha Rani Baruah

**Advisor :**
Mr. Bbaben Baruah
Vice-Principal &
Lecturer, Dept. of Philosophy

Mr. P. Choudhury
Lecturer, Dept. of English

**Editor :**
Bob Alison Das

**Members :**
Rabinder Kumari Dansal
Mridul Baruah
Shekhar Baruah
Mousumi Neog
Daisy Gogoi

**Cover Design by :**
Manakh Pratim Das

**Layout Design by :**
Bob Alison Das
&
Indrajit Handique

# উৎসৰ্গা



ওঁ অসতো মা সদ্‌গময়
তমসো মা জ্যোতি গৰ্ময়
মৃত্যু মা অমৃতং গময়
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

. . . জ্ঞাত অজ্ঞাত যিসকল মহান ব্যক্তিয়ে কলেজৰ জন্মলগনৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি গ'ল সেইসকল পুণ্যাত্মাৰ পৱিত্ৰ স্মৃতিত ৫৫তম বাৰ্ষিক কাকৈয়ানখন উৎসৰ্গা কৰা হ'ল—

সম্পাদক

# শ্ৰদ্ধাঞ্জলি



ৰাহুল শৰ্মা (জিঙ্কু)

জন্মৰ তাৰিখ ঃ ৮ আগষ্ট ১৯৮৬

মৃত্যুৰ তাৰিখ ঃ ২০ অক্টোবৰ ২০০৪

*অকালতে প্ৰাণ হেৰুৱা আমাৰ সতীৰ্থ ৰাহুল শৰ্মাৰ বিদেহী আত্মাৰ সদ্গতিৰ কামনা কৰিলোঁ।*

# শ্ৰদ্ধাঞ্জলি

'বিদায় নোলোৱাকৈ গুচি যায়
নৈ আৰু এনেকৈ গুচি যোৱাটোৱেই নৈৰ নিয়ম'

সাহিত্য, সংস্কৃতি আৰু মানুহৰ
মুক্তিৰ বেদীত
আত্মোসৰ্গ কৰা জ্ঞাত-অজ্ঞাত সকলো
ছহীদলৈ
আমাৰ হৃদয়ৰ গভীৰ শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাৰ্ঘ নিবেদিলোঁ—

— সম্পাদনা সমিতি

শ্ৰদ্ধা


১
৪
১৭
খনিন্দমাধৱৰ শইকীয়া ১৮
○ [illegible] ✍ ৰূপশ্ৰী ফুকন ১৯
○ আৰু কৰ্তব্য ✍ জেচিম আহমেদ ২০
○ দি লেডী অৱ দি লেম্প – নামেৰে যাৰ পৰিচয় ✍ চমিতা আছফিয়া চিৰিন ২১
○ চিন্তা
○ স্কুলীয়া জীৱনৰ স্মৃতি
○ বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা


কবিতা


২২-৩২

○ উপলব্ধি ✍ কবিতা দাস ○ স্মৃতিৰ মণিকোঠা ✍ ছেহনাজ বেগম ○ কবিতা ✍ জিতুল সোণোৱাল ○ এটি মূহূৰ্ত দিয়া ✍ গায়ত্ৰী শৰ্মা ○ ঋতুৰাজ শৰৎ ✍ ভৈৰৱ দিহিঙ্গীয়া ○ আঘোণৰ ৰং ✍ মুক্তামণি হাজৰিকা ○ কবিতা ঃ অকবিৰ ✍ কুমাৰ গৌৰী দৰ্শন বড়া ○ জাগা অসমীৰ সন্তান ✍ মহানন্দ শইকীয়া সোণোৱাল ○ শেৱালি পাহি ✍ শিৱ ৰাজবংশী ○ দুইদিনীয়া জীৱন ✍ কাজল দাস ○ বিষাদ ✍ বশ্মি চুতীয়া ○ বন্ধু ✍ সীমা হাজৰিকা ○ এখন ভঙা হৃদয়ৰ সুৰ ✍ মৃদুলা বৰুৱা ○ হে বীৰ শ্বহীদ জোৱান ✍ প্ৰকাশ বড়া ○ আহ্বান ✍ জয় গগৈ ○ এজন অসমীয়া ✍ জোনালী চেতিয়া ○ ভাব ✍ দিপ্তী বৰুৱা ○ চেনেহী অসমী ✍ নাজমিন ৰহমান ○ বহাগৰ স'তে আলাপ ✍ নেমচন্দ (মনোজ) উজা ○ অনুভূতি ✍ ৰাজীৱ পাংগীং ○ সুন্দৰ ✍ কৰবী দত্ত ○ আশাবোৰ কিয় জানো বৈ যায় . . . ✍ লীনা বৰুৱা ○ ৰাণী ✍ ভাস্কৰজ্যোতি দাস ○ Television ✍ *Julu Baruah* ○ With All My Heart ✍ *M. Topno (K)* ○ Feelings ✍ *Kushal Kuli Saikia* ○ Was That You ? ✍ *Junu Saikia* ○ Terrible Night ✍ *Julu Boruah* ○ Universal Brotherhood ✍ *Ghulam Zubair Ansari* ○ Life ✍ *Chandan Chetia* ○ The Magic of Life ✍ *Amina Ahmed* ○ Fantasy ✍ *Malabika Dehingia* ○ '2' Anjana ✍ *Biswajit Mech*


কথাশিল্প


○ Global Warming : Causes and Consequences ✍ Dr. B. Dutta ৩৩
○ Limitation of Science ✍ N. Chakraborty ৩৫
○ Bhupen Hazarika : The Doyen of Assamese Music ✍ Ranadeep Kar ৩৬
○ Interesting Mathematical Fallacies ✍ Bidyut Gogoi ৩৭
○ English is a Crazy Language ✍ Julu Boruah ৩৭
○ Formula for Sure Success ✍ K. Phukan ৩৮
○ Its All About Bile ✍ S.S. Sarma ৩৯
○ Fight the Ego ✍ N. Chakraborty ৪০
○ Knowledge in Nutshell ✍ J. Acharjee ৪০
○ Important Information Technology ✍ Nikhil Deka ৪১
○ Transgenics : A Boon of Science ✍ Swaraj Sharma ৪১
○ The Lighter Side (Joker's love letter) ৪২
○ Some Real Facts of North-East India ✍ D. Sharma ৪২
○ Facts You Must Know ✍ K. Phukan ৪২
○ World Records ✍ Pranab Kr. Das ৪৩
○ Let's Dissect Love ✍ Jaydeep Pait ৪৩
○ Magic Masala ✍ Saba Parveen ৪৩
○ প্ৰেম আৰু মানৱতা ✍ জোনমণি দাস ৪৪
○ এমুঠি জোনাক, সুৰ আৰু তাই ✍ জেবিন য়াছমিন ৪৬
○ প্ৰতীক্ষাৰ কথাৰে . . . ✍ চন্দ্ৰাণী বৰকটকী ৪৭
○ নিহাৰিকা ক্লিনিক ✍ মণীষা কটকী ৪৯
○ বিজ্ঞানৰ ঘটনাপঞ্জীসমূহ (মাৰ্চ-এপ্ৰিল) ○ কেইজনমান প্ৰখ্যাত লোকৰ ছদ্মনাম ✍ দ্বীপজ্যোতি দত্ত ৫১
○ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ৫৩

# সূচীপত্ৰ

## কথাশিল্প


○ ধৰ্মশাস্ত্ৰত নাৰীৰ মৰ্যাদা ✍ ড° মহেশ্বৰ হাজৰিকা ৯
○ সামাজিক উত্তৰণৰ বাবে ছাত্ৰজীৱনত N.C.C.ৰ প্ৰয়োজনীয়তা ✍ কমললোচন গগৈ ১৪
○ সাম্প্ৰতিক পৰিস্থিতি আৰু আমি ✍ পাৰ্থপ্ৰতিম ভূঞা ১৫
○ ভাৰত গণৰাজ্যত শিশুৰ অধিকাৰ আৰু কৰ্তব্য ✍ দীপজ্যোতি বৰা ১৭
○ দি লেডী অফ্ দি লেম্প্ – নামেই যাৰ পৰিচয় ✍ খনিন্দমাধৱ শইকীয়া ১৮
○ চিন্তা ✍ ৰূপশ্ৰী ফুকন ১৯
○ স্কুলীয়া জীৱনৰ স্মৃতি ✍ জেচিম আহমেদ ২০
○ বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা ✍ চমিত আছফিয়া চিৰিন ২১


## কবিতা


২২-৩২

○ উপলব্ধি ✍ *কবিতা দাস* ○ স্মৃতিৰ মণিকোঠা ✍ *ছেহনাজ বেগম* ○ কবিতা ✍ *জিতুল সোণোৱাল* ○ এটি মূহুৰ্ত দিয়া ✍ *গায়ত্ৰী শৰ্মা* ○ ঋতুৰাজ শৰৎ ✍ *ভৈৰৱ দিহিঙ্গীয়া* ○ আঘোণৰ ৰং ✍ *মুক্তামণি হাজৰিকা* ○ কবিতা ঃ অকবিৰ ✍ *কুমাৰ গৌৰী দৰ্শন বড়া* ○ জাগা অসমীৰ সন্তান ✍ *মহানন্দ শইকীয়া সোণোৱাল* ○ শেৱালি পাহি ✍ *শিৱ ৰাজবংশী* ○ দুইদিনীয়া জীৱন ✍ *কাজল দাস* ○ বিষাদ ✍ *ৰশ্মি চুতীয়া* ○ বন্ধু ✍ *সীমা হাজৰিকা* ○ এখন ভঙা হৃদয়ৰ সুৰ ✍ *মৃদুলা বৰুৱা* ○ হে বীৰ শ্বহীদ জোৱান ✍ *প্ৰকাশ বড়া* ○ আহ্বান ✍ *জয় গগৈ* ○ এজন অসমীয়া ✍ *জোনালী চেতিয়া* ○ ভাব ✍ *দিপ্তী বৰুৱা* ○ চেনেহী অসমী ✍ *নাজমিন ৰহমান* ○ বহাগৰ স'তে আলাপ ✍ *নেমচন্দ (মনোজ) উজা* ○ অনুভূতি ✍ *ৰাজীৱ পাংগীং* ○ সুন্দৰ ✍ *কৰবী দত্ত* ○ আশাবোৰ কিয় জানো বৈ যায় . . . ✍ *লীনা বৰুৱা* ○ ৰাণী ✍ *ভাস্কৰজ্যোতি দাস* ○ Television ✍ *Julu Baruah* ○ With All My Heart ✍ *M. Topno (K)* ○ Feelings ✍ *Kushal Kuli Saikia* ○ Was That You ? ✍ *Junu Saikia* ○ Terrible Night ✍ *Julu Boruah* ○ Universal Brotherhood ✍ *Ghulam Zubair Ansari* ○ Life ✍ *Chandan Chetia* ○ The Magic of Life ✍ *Amina Ahmed* ○ Fantasy ✍ *Malabika Dehingia* ○ '2' Anjana ✍ *Biswajit Mech*


## কথাশিল্প


○ Global Warming : Causes and Consequences ✍ Dr. B. Dutta ৩৩
○ Limitation of Science ✍ N. Chakraborty ৩৫
○ Bhupen Hazarika : The Doyen of Assamese Music ✍ Ranadeep Kar ৩৬
○ Interesting Mathematical Fallacies ✍ Bidyut Gogoi ৩৭
○ English is a Crazy Language ✍ Julu Boruah ৩৭
○ Formula for Sure Success ✍ K. Phukan ৩৮
○ Its All About Bile ✍ S.S. Sarma ৩৯
○ Fight the Ego ✍ N. Chakraborty ৪০
○ Knowledge in Nutshell ✍ J. Acharjee ৪০
○ Important Information Technology ✍ Nikhil Deka ৪১
○ Transgenics : A Boon of Science ✍ Swaraj Sharma ৪১
○ The Lighter Side (Joker's love letter) ৪২
○ Some Real Facts of North-East India ✍ D. Sharma ৪২
○ Facts You Must Know ✍ K. Phukan ৪২
○ World Records ✍ Pranab Kr. Das ৪৩
○ Let's Dissect Love ✍ Jaydeep Pait ৪৩
○ Magic Masala ✍ Saba Parveen ৪৩
○ প্ৰেম আৰু মানৱতা ✍ জোনমণি দাস ৪৪
○ এমুঠি জোনাক, সুৰ আৰু তাই ✍ জেবিন য়াছমিন ৪৬
○ প্ৰতীক্ষাৰ কথাৰে . . . ✍ চন্দ্ৰাণী বৰকটকী ৪৭
○ নিহাৰিকা ক্লিনিক ✍ মণীষা কটকী ৪৯
○ বিজ্ঞানৰ ঘটনাপঞ্জীসমূহ (মাৰ্চ-এপ্ৰিল) ○ কেইজনমান প্ৰখ্যাত লোকৰ ছদ্মনাম ✍ দ্বীপজ্যোতি দত্ত ৫১
○ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ প্ৰতিবেদন ৫৩

স
ম্পা
দ
কী
য়

## সাহিত্য আৰু সমাজ

সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ ল'লে স্বাভাৱিকতে আমাৰ মনত কিছুমান প্ৰশ্নৰ উদয় হয়। সাহিত্য কি? কেনেধৰণৰ লেখাক সাহিত্য বুলি ক'ব পাৰি?

ব্যক্তিৰ বহুবচনেই সমাজ। সমাজক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। এখন সুসভ্য উন্নত সমাজৰ সৃষ্টিত বিভিন্ন ব্যক্তিৰ সৃষ্টিশীল উপাদানসমূহে অৰিহণা যোগায়। সাহিত্য আৰু সমাজ ওতপ্ৰোতঃভাৱে জড়িত। প্ৰাচীন সাহিত্য সম্পদসমূহৰ মাজত সোমাই থকা স্বাদবোৰ অৱশ্যে সৰ্বদা গ্ৰহণীয় আৰু সাম্প্ৰতিক সাহিত্যৰ ভেটি। লেখকৰ ব্যক্তিগত অভিজ্ঞতাই প্ৰকৃত সাহিত্য সৃষ্টিৰ ভেটি। এনে সাহিত্যৰ মাজেদি একো একোজন ব্যক্তিবিশেষৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক বিষয়ৰ প্ৰতিচ্ছবি সুন্দৰকৈ প্ৰতিফলিত হয়। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থা সাম্প্ৰতিক মানুহৰ দৈনন্দিন জীৱনৰেখাৰ এনে এটা নতুনত্ব আহি পৰিছে যে সাহিত্যৰ জুতিখিনি দিবলৈ নতুন প্ৰকৰণৰ সংযোজন ঘটিছে। সাহিত্যৰ বিশিষ্ট অংগ গল্প, কবিতা, নাটক, উপন্যাস, প্ৰবন্ধ আদিৰ মাজেদি বিভিন্ন বিষয়বস্তুৰ ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ ভাবাদশৰ লগতে সমাজ জীৱনো অংকিত হয়।

গতিশীল সমাজ ব্যৱস্থাত মানুহৰ চিন্তাধাৰাও স্থবিৰ হ'ব নোৱাৰে। গতিকে সাহিত্য সৃষ্টিৰ উপাদান, আঙ্গিক আদি গতিশীল ধাৰাত প্ৰৱাহিত হৈছে। চিত্ৰাঙ্কন বা ভাস্কৰ্য শিল্পৰ দৰে সাহিত্যও যে এবিধ কলা সেই বিষয়ে কাৰো দ্বিমত থাকিব নোৱাৰে। সাহিত্যক কলা হিচাপে মানি লোৱাৰ লগে লগে সাহিত্যৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰা পথ আমি বিচাৰি পাওঁ। অৰ্থাৎ এইবিধ সাহিত্য এজন সংবেদনশীল আৰু চিন্তাগধুৰ ব্যক্তিৰ জীৱন আৰু জগতৰ বৈচিত্ৰ্যৰ এনে এক হৃদয়গ্ৰাহী বৰ্ণনা যি আমাৰ জীৱনৰ প্ৰতি থকা ধাৰণা আৰু মূল্যবোধক এক নতুন ৰূপত বিচাৰ কৰি চাবলৈ দেখুৱাই দিয়ে।

দুই শ্ৰেণীৰ সাহিত্য আমি দেখিবলৈ পাওঁ– বুদ্ধিভিত্তিক আৰু আবেগভিত্তিক। যিবোৰ কিতাপে কেৱল শিক্ষাদানহে কৰে, সেইবোৰ কিতাপ প্ৰকৃত অৰ্থত সাহিত্যৰ শ্ৰেণীত নপৰে। অৰ্থাৎ বুদ্ধিভিত্তিক সাহিত্যৰ উদ্দেশ্য হৈছে আমাক কোনো এটা বিষয়ৰ জ্ঞান বা শিক্ষাদান কৰা। সাহিত্য বুলি ক'লে সেইবোৰ কিতাপৰ কথাহে মনলৈ আহে যিবোৰে মানুহৰ আবেগক স্পৰ্শ কৰি যায়। এই ব্যাখ্যা মতে দৰ্শন, বিজ্ঞান আদি বুদ্ধিভিত্তিক সাহিত্য। এইবিধ ৰচনা বুজিবলৈ যুক্তিবাদী চিন্তাধাৰা আৰু বুদ্ধিৰ প্ৰয়োজন। এইবিধি ৰচনা মানুহৰ যুক্তিবাদী মন আৰু বিশ্লেষণ কৰিব পৰা ক্ষমতাৰ সৈতে ওতপ্ৰোতঃভাৱে জড়িত। আনহাতে মন কৰিবলগীয়া কথা এইটোৱেই যে এইবিধ সাহিত্যই আনন্দ প্ৰদান কৰাৰ লগতে জীৱন আৰু জগতৰ বিষয়ে মহত্বৰ কিবা সন্ধান দিয়া আবেগভিত্তিক সাহিত্যৰ প্ৰধান উদ্দেশ্য।

সাহিত্যই বৌদ্ধিক আৰু আনুভূতিক আবেদনৰ উপৰিও এক স্বকীয় প্ৰকাশভঙ্গীৰ মাজেৰে আমাক আনন্দ দিয়ে। সাহিত্যই সকলো মানুহকে সকলো সময়তে আনন্দ দিয়ে আৰু জীৱন আৰু জগতৰ বিষয়ে নতুন উপলব্ধিৰ সন্ধান দিয়ে। সাহিত্যৰ উদ্দেশ্যই যেতিয়া এক মহৎ আনন্দ প্ৰদান কৰা, আবেগৰ মাজেৰে চিন্তাক স্পৰ্শ কৰা।

সাহিত্যৰ বিশিষ্ট অংগ গল্প, নাটক, কবিতা, প্ৰবন্ধ, উপন্যাস আদিৰ মাজেদি বিভিন্ন বস্তুনিষ্ঠ ভাবাদৰ্শ-বিষয়বস্তুৰ লগতে সমাজ জীৱনো অংকিত হয়। ব্যক্তি, সমাজ, জাতি দেশৰ দোষ-ত্ৰুটি আঙুলিয়াই দি সিবিলাকৰ সংশোধনৰ দিশ নিৰ্ণয়ৰ বাবে সাহিত্যকৃতি প্ৰয়োজন। সাহিত্যিকৰ মনৰ যি উপলব্ধি সি পাঠকসকলৰ বাবে বিমূৰ্ত আৰু এই বিমূৰ্ত উপলব্ধিয়েই পাঠকসকলৰ বাবে সঁচা হ'ব তেতিয়াই যেতিয়া ভাষাৰ মাজেৰে ই ৰূপ আৰু প্ৰাণ পাই উঠে। ভাষা-সাহিত্যৰ গণ্ডী সংকীৰ্ণ নহয়, ই বিস্তীৰ্ণ।

প্ৰতিভাসম্পন্ন লেখকৰ কলমেৰে সমাজ সংগঠন ব্যক্তিবিশেষৰ চৰিত্ৰ, কৰ্ম সংশোধনৰ সেউজ সংকেত দিয়ে। সাহিত্যকৰ উপলব্ধিৰ প্ৰকৃত সোৱাদ পাবৰ কাৰণে সাহিত্যিকৰ মন আৰু পাঠকৰ মনৰ মাজত এক আনুভূতিক সংযোগ গঢ়ি উঠিব লাগিব আৰু পাঠকৰ মনৰ মাজতো সাহিত্যিকে অনুভৱ কৰা ভাৱবোৰ জাগৰিত হ'ব লাগিব। এইদৰে ব্যক্তি বিশেষ বা সমাজ বিশেষৰ জীৱনৰ সীমা ৰেখা পাৰ হৈ এক নৈৰ্ব্যক্তিক গুণেৰে মহীয়ান হৈ উঠা সাহিত্যই মহৎ সাহিত্য বুলি পৰিগণিত হয়। অনূদিত সাহিত্যৰাজিতো সাৰ্বজনীন চিত্ৰাঙ্কিত হোৱা বাঞ্ছনীয়।

# আন্তৰিক কৃতজ্ঞতা স্বীকাৰ

- 'কানৈয়ান'ক হৃদয় নিৰ্যাসেৰে সিক্ত কৰা সমূহ লেখক-লেখিকালৈ মোৰ কৃতজ্ঞতা থাকিল।
- অধ্যক্ষ শ্ৰীযুত (ড°) শিৰকান্ত দত্তদেৱৰ ওচৰত এই সম্পাদক কৃতজ্ঞ হৈ ৰ'ব।
- যিসকল কানৈয়ানে তেওঁলোকৰ বহুমূলীয়া ভোটটিৰ জৰিয়তে এই অভাজনক আলোচনীখনৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি যি গুৰু দায়িত্ব অৰ্পণ কৰিলে, তেওঁলোকক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।
- যিগৰাকী শিক্ষাগুৰুৰ সহায় আৰু সময়োপযোগী উপদেশৰ বাবে এই আলোচনীখনে প্ৰকাশৰ মুখ দেখিলে সেইগৰাকী শ্ৰীযুত ভবেন বৰুৱা ছাৰলৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালোঁ।
- তদুপৰি সহযোগী সম্পাদকসকল, বন্ধু-বান্ধবী আৰু ভাইটি-ভণ্টিৰ ওচৰতো তেওঁলোকৰ উৎসাহ-উদ্দীপনাৰ বাবে চিৰকৃতজ্ঞ হৈ ৰ'ম– প্ৰাঞ্জল, মদন, পাৰ্থ, উশীনৰ, ডেভিছ, মিন্টু, দিব্যজ্যোতি (ডি জে), বিৰিঞ্চি, অমৃত, চানী, জ্ঞানদীপ, ৰিতু, ভাস্কৰ, মৌচুমী, ডেইজী, লাচিত, বৰ্ণালী, শৰ্বানী, অদিতি, ৰিজু, শান্তা, পুৰবী, বিমান, মনোজ, বিৰু, নয়ন, মানব, চন্দ্ৰ, মিতালী, নৰজু, সংগীতা, হৃদয়া . . . আৰু বহুতো।
- ভাইটি-ভণ্টি সকলোলৈকে মোৰ মৰম আৰু ধন্যবাদ জনাইছোঁ।
- যিসকল ব্যৱসায়িক প্ৰতিষ্ঠানে তেওঁলোকৰ বিজ্ঞাপনৰ জৰিয়তে আলোচনীখন প্ৰকাশত আৰ্থিকভাৱে সহায় আগবঢ়ালে, তেওঁলোকৰ ওচৰতো এই সম্পাদক কৃতজ্ঞ হৈ ৰ'ব।

সৰ্দৌশেষত, অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে—

*—সম্পাদক*

# ধৰ্মশাস্ত্ৰত নাৰীৰ মৰ্যাদা

ড° মহেশ্বৰ হাজৰিকা
*প্ৰবক্তা, কানৈ কলেজ*
*ডিব্ৰুগড়*

বৈদিক গৃহ্যসূত্ৰবিলাকৰ লগত প্ৰত্যক্ষভাৱে সম্পৰ্কিত ধৰ্ম সম্পৰ্কীয় শাস্ত্ৰবিলাকক ধৰ্মশাস্ত্ৰ বোলা হয়। ধৰ্ম মানে মূলতঃ আইন (Law of ordinance) বুজোৱা হৈছিল যদিও কালক্ৰমত উপনিষদীয় যুগত চতুৰাশ্ৰমৰ কৰণীয় কামকো বুজাবলৈ ধৰিলে। মহাভাৰতত ধৰ্ম শব্দই বিস্তৃত ক্ষেত্ৰ সামৰি লৈ 'ধাৰক' অৰ্থ বুজালে ঃ 'ধাৰণাদ্ ধৰ্মমিত্যাহুৰ্ধৰ্মো ধাৰয়তে প্ৰজাঃ'। টীকাকাৰ মেধাতিথিয়ে বিশ্লেষণ কৰি দেখুৱাইছে যে মনুসংহিতা আদিত পাঁচ প্ৰাকৰৰ কৰ্তব্যক বুজাবলৈ 'ধৰ্ম' শব্দ ব্যৱহাৰ কৰ হয়। সেইকেইটা বৰ্ণধৰ্ম, বৰ্ণাশ্ৰমধৰ্ম, নৈমিত্তিকধৰ্ম আৰু গুমধৰ্ম। ৰেদবিহিত আৰু আত্যন্তিক সুখপ্ৰদায়ক ক্ৰিয়াকলাপেই মূলতঃ ধৰ্মপ্ৰবিজ্ঞেয়। ধৰ্মৰ মূল হৈছে ৰেদ। মন কৰিব লাগিব যে ইয়াত ধৰ্মই Religeon বুজোৱা নাই। গৰ্ভাধান, পুংসৱন, সমীন্তোন্নয়ন, জাতকৰ্ম, নামকৰণ, অন্নপ্ৰাশন, চৌলকৰণ, উপনয়ন, সমাৱৰ্তন, বিৱাহ, ব্ৰহ্মযজ্ঞ, দেৱযজ্ঞ, পিতৃযজ্ঞ, ভূতযজ্ঞ, মনুষ্যযজ্ঞ আদি বিষয় বিলাক গৃহ্যসূত্ৰৰ অন্তৰ্ভুক্ত। তাৰে আঁত ধৰি চতুৰ্বৰ্ণ আৰু চতুৰাশ্ৰম ধৰ্ম, ৰাজধৰ্ম, শুল্কবিধান, উত্তৰাধিকাৰ, সাক্ষী, ব্যৱহাৰ (বিচাৰ) কৰবিধান, ঋণপ্ৰদান, প্ৰায়শ্চিত্ত, সম্পদবিভাজন, শ্ৰদ্ধ, খাদ্যাখাদ্য, তপ আদি বিষয়বিলাক ধৰ্মশাস্ত্ৰ অৰ্থাৎ স্মৃতিবিলাকে আলোচনা কৰে। গৃহ্যসূত্ৰ, কল্পসূত্ৰ, ধৰ্মশাস্ত্ৰ আদি গ্ৰন্থবিলাকে ভাৰতীয় সংস্কৃতিক মহীয়ান কৰি গঢ়ি তোলাত প্ৰভূত বৰঙণি আগবঢ়াইছে। আধুনিক ভাৰতৰ আইন-সংবিধান আদি ৰচনা এই শাস্ত্ৰবিলাকে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। হিন্দুৰ জীৱনৰ প্ৰতিটো শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰণ কৰি ৰখা এই শাস্ত্ৰবিলাকক তথাকথিত বৈজ্ঞানিক মানসিকতায়ো অতিক্ৰম কৰিব পৰা নাই। সমাজৰ অন্যতম অবিচ্ছেদ্য অঙ্গ স্বৰূপ নাৰীসকলৰ জীৱনকো ধৰ্মশাস্ত্ৰই নিয়ন্ত্ৰণ কৰি আহিছে। বৰ্তমান নাৰীজাগৰণ, নাৰীস্বাধীনতা ইত্যাদিৰ পয়োভৰ চৰিছে। এই প্ৰসঙ্গত মনুসংহিতাকে মুখ্য কৰি গৌতম, আপস্তম্ব, বৌধায়ন, হাৰীত, ৱসিষ্ঠ, হিৰণ্যকেসী, ৱৈখাণস, যাজ্ঞৱল্ক্য, পৰাশৰ, নাৰদ, বৃহস্পতি, কাত্যায়ন, উশনস, অঙ্গিৰস, যম, অত্ৰি, সংৱৰ্ত, দক্ষ শাতাতপ, লিখিত, শংখ আদি 'ধৰ্মশাস্ত্ৰকাৰসকলৰ বক্তব্য বিচাৰ কৰাৰ প্ৰয়োজন নুই কৰিব এই কাৰণেই নোৱাৰি যে ঐতিহ্যক অস্বীকাৰ কৰা কাৰো পক্ষে সম্ভৱ নহয়।

প্ৰাচীন ভাৰতত মানুহৰ জীৱন-কালক চাৰি আশ্ৰমত বিভক্ত কৰা হৈছিল ঃ ব্ৰহ্মচৰ্য, গাহস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস। বিদ্যাৰম্ভ নামৰ এটি অনুষ্ঠানৰ যোগেদি পাঁচ বছৰৰ পৰা সাত বছৰৰ বয়সৰ শিশুক আখৰ জ্ঞান দিবলৈ আৰম্ভ কৰা হয়। এই অনুষ্ঠানক অক্ষৰাৰম্ভ আৰু অক্ষৰলেখন নামেৰেও জনা যায়। অক্ষৰজ্ঞান হোৱাৰ পাছত ব্ৰাহ্মণে আঠ বছৰত, ক্ষত্ৰিয়ই এঘাৰ বছৰত আৰু বৈশ্যই বাৰ বছৰ বয়সত উপনয়ন সংস্কাৰৰ যোগেদি ব্ৰহ্মচৰ্য আশ্ৰমত প্ৰৱেশ কৰি ৰেদাধ্যয়নৰ অধিকাৰ লাভ কৰে। উপনয়নৰ উধৰ্বতম বয়স ব্ৰাহ্মণৰ যোল, ক্ষত্ৰিয় বাইশ আৰু বৈশ্যৰ চৌবিশবছৰ নিৰ্ধাৰণ কৰা হৈছে।[২] বৈদিক যুগত দ্বিজৰ বালকৰ দৰেই বালিকাৰো জাতককৰ্মাদি সংস্কাৰসমূহ অনুষ্ঠিত কৰাৰ ব্যৱস্থা আছিল। উপনয়ন, গুৰুৰ ওচৰত বৈদ অধ্যয়ন, গায়ত্ৰী জপ তথা সমিদাধানৰ ক্ষেত্ৰতো নাৰীৰ সম অধিকাৰ আছিল। ব্ৰহ্মচৰ্যৰ প্ৰকৃষ্ট উদাহৰণ হৈছে ভৱভূতিৰিৰচিত উত্তৰৰামচৰিত নাটকৰ আত্ৰেয়ী। নাটকৰ দ্বিতীয় অঙ্কত আত্ৰেয়ীয়ে কৈছে ঃ

"অস্মিন্নগস্ত্যপ্ৰমুখাঃ প্ৰদেশে ভূয়াংস উদগীথৱিদো ৱসন্তি ।
তেভ্যোধিগন্তুং নিগমান্তৱিদ্যাং ৱাল্মীকিপাৰ্শ্বাদিহ পৰ্যটামি ॥"

পুৰণি কালত দুবিধ তিৰোতাৰ কথা পোৱা যায়ঃ গৃহমেধিনী আৰু ব্ৰহ্মৱাদিনী। ব্ৰহ্মৱাদিনীসকলৰ বাবে উপনয়ন, অগ্নীন্ধন, ৰেদাধ্যয়ন আৰু স্বগৃহতে ভৈক্ষচৰ্যাৰ বিধান স্মৃতিশাস্ত্ৰতো পোৱা যায়ঃ "দ্বিবিধাঃ স্ত্ৰিয়ো ব্ৰহ্মৱাদিন্যঃ সদ্যোবধৱশ্চ তত্ৰ ব্ৰহ্মৱাদিনীনামুপনয়নমগ্নীন্ধনং ৱৈদাধ্যয়নং স্বগৃহে চ ভৈক্ষচৰ্যা॥" হাৰীত। কেৱল ৰেদাধ্যয়নেই নহয়, যমৰ মতে বেদাধ্যাপনো তিৰোতাই কৰিব পাৰিছিলঃ

"পুৰাকল্পেষু নাৰীণাং মৌঞ্জীৱন্ধনমিষ্যতে ।
অধ্যাপনঞ্চ ৰেদানাং সাৱিত্ৰীৱাচনং তথা ।"

বৃহদ্দেৱতাত এনে ব্ৰহ্মৱাদিনীৰ এখনি তালিকা পোৱা যায় ঃ

ঘোষা গোধা বিশ্বৱাৰা অপালোপনিষৎনিষৎ।
ব্ৰহ্মজায়া যুৎসুৰ্নাম অগস্ত্যস্য স্বসাদিতিঃ॥
ইন্দানী চেন্দ্ৰমাতা চ সৰমা ৰোমশোৰ্ৱশী।
লোপামুদ্ৰা চ নদ্যশ্চ য়মী নাৰী চ শাশ্বতী ॥
শ্ৰীলক্ষ্মী সৰ্পৰ্যজ্ঞী ৱাক্ শ্ৰদ্ধা মেধা চ দক্ষিণা।
ৰাত্ৰি ঃ সূৰ্যা চ সাৱিত্ৰী ব্ৰহ্মৱাদিন্য ঈৰিতা॥

(বৃহদ্দেৱতা ২/৮৯-৯১)

আন তিনি গৰাকী এনে ব্ৰহ্মৱাদিনী হৈছে গাৰ্গী ৱাচক্লৱী, ৱড়ৱা প্ৰাতিথেয়ী আৰু সুলভা মৈত্ৰেয়ী। যাজ্ঞৱল্ক্যৰ পত্নী মৈত্ৰেয়ী একে সময়তে ব্ৰহ্মৱাদিনী আৰু সদ্যোৱধূ আছিল।

ৰেদৰ অধ্যাপনাত তিৰোতা নিযুক্ত হোৱাৰ অন্য এক প্ৰমাণ হৈছে উপাধ্যায়া, উপাধ্যায়ী, আচাৰ্যা[৩] আদি পাণিনীয় শব্দবোৰ। যি ৰেদজ্ঞ ব্ৰাহ্মণে শিষ্যৰ উপনয়ন কৰাই বেদ পঢ়ায় তেওঁক উপাধ্যায় বোলা হয় । ব্যাকৰণ মতে, যি স্বয়ং অধ্যাপনা কৰে তেওঁক উপাধ্যায়ী আৰু আচাৰ্যা আদি শব্দৰে বুজোৱা হয়; আন

হাতে যি নিজে অধ্যাপনা নকৰে, অধ্যাপকৰ পত্নী মাত্ৰ, তেওঁক উপাধ্যায়ানী, আচাৰ্যাণী আদি শব্দেৰে বুজোৱা হয় । ৰেদাধ্যয়ন নকৰিলে ৰেদাধ্যাপন কৰিব নোৱাৰি আৰু উপনয়ন নহলে ৰেদাধ্যয়ন কৰিব নোৱাৰি। সেয়েহে উপাধ্যায়া আদি শব্দই তিৰোতাৰ উপনয়নাদি সংস্কাৰ প্ৰমাণিত কৰে।

ৰামায়ণ মহাকাব্যৰ অত্ৰিপত্নী অনসূয়া একেধাৰে ব্ৰহ্মৱাদিনী আৰু সদ্যোবধু আছিল । মাতাঙ্গ মুনিৰ শিষ্যা শবীৰ শূদ্ৰা হৈয়ো ব্ৰহ্মৱাদিনী আছিল।

মীমাংসকসকলে কয় যে ৰেদত স্বৰ্গকামোশ্বমেধেন য়জেত ইত্যাদি বিধিবাক্যত পুৰুষ আৰু নাৰী উভয়কে অশ্বমেধৰ বিধান দিয়া হৈছে, অৰ্থাৎ বুজিব লাগিব যে য়জ্ঞসম্পাদনত দুয়োৰে সমান অধিকাৰ আছে ।

মনুসংহিতাকে আদি কৰি প্ৰায় সকলো স্মৃতিশাস্ত্ৰতে নাৰীৰ উপৰি-উক্ত প্ৰকাৰ উচ্চ মৰ্যাদা সংৰক্ষিত হৈ থকা নাই বৰং তেওঁলোকৰ মৰ্যাদা দিনক দিনে অৱনমিত হোৱা দেখিবলৈ পোৱা যায়। স্মৃতিশাস্ত্ৰত নাৰীক শূদ্ৰৰ সমপৰ্যায়ত গণ্য কৰা হ'ল আৰু ৰেদাধ্যয়ন ৰেদমন্ত্ৰোচ্চাৰণ আদি দ্বিজযোগ্যে কাৰ্যৰ পৰা তেওঁলোকক ৱঞ্চিত কৰা হ'ল। উপাধ্যায়া, আচাৰ্যা আদি উচ্চ মৰ্যাদা সম্পন্ন পদৱী পোৱাটো দূৰৰে কথা পুংসৱনাদি সংস্কাৰতো মন্ত্ৰ উচ্চাৰণ কৰিবলৈ নোপোৱা হ'ল। মন্ত্ৰ পাঠ নকৰাকৈয়ে তেওঁলোকৰ সংস্কাৰৰ বিধান দিয়া হ'ল । বিৱাহত অৱশ্যে মন্ত্ৰ পাঠ নিষিদ্ধ কৰা হোৱা নাই। মন কৰিবলগীয়া যে মনুসংহিতাত তিৰোতাৰ কাৰণে উপনয়নৰো বিধান আছে । অৱশ্যে সিও অমন্ত্ৰ পূৰ্ৱক অনুষ্ঠেয়।[৪] অন্যান্য স্মৃতি শাস্ত্ৰত উপনয়নৰ পূৰ্ৱৰ সংস্কাৰসমূহ বিহিত হৈছে স্ত্ৰী, পুৰুষ দুয়োৰে বাবে; উপনয়ন কেৱল পুৰুষৰ কাৰণেহে নিৰ্ধাৰণ কৰা হৈছে । উপনয়ন নহলে যিহেতু ৰেদাধ্যয়নৰ অধিকাৰ পোৱা নাযায় সেই বাবে তিৰোতাসকল অতি প্ৰয়োজনীয় অধিকাৰটোৰ পৰা বঞ্চিত হ'ল।

স্মৃতিশাস্ত্ৰত তিৰোতাৰ প্ৰতি ডাঙৰ অন্যায়টো কৰা হ'ল তেওঁলোকৰ স্বাধীনতা খৰ্ব্ব কৰি । মনু সংহিতাত কোৱ হ'ল যে পুৰুষে নিজৰ তিৰোতাক অস্বতন্ত্ৰ কৰি ৰাখিব লাগে; বিভিন্ন বিষয় ভোগত আসক্ত কৰি হলেও নিজৰ বশত ৰাখিব লাগে। ছোৱালীয়ে হওক বা গাভৰুৱেই হওক বা বুঢ়ীয়েই হওক কোনো তিৰোতাক স্বতন্তৰীয়াভাৱে ঘৰুৱা কাম-বন কৰিব দিন নালাগে। সৰু কালত তেওঁলোক পিতাকৰ বশত থাকিব লাগে; গাভৰু কালত স্বামীৰ বশত আৰু পৈয়েক ঢুকালে পুতেকৰ বশত থাকিব লাগে[৬]। বশ কৰাৰ তাৎপৰ্য এনে হ'ব পাৰে যে পোহনীয়া জন্তুৰ দৰে বা চাকৰ-চাকৰণীৰ দৰে ব্যৱহাৰ কৰি ছলে-বলে কৌশলে পুৰুষে নিজৰ মনোৰথ পূৰ্ণ কৰাত নাৰীক কামত লগাব লাগে। কিন্তু এইখিনিতে আন এটা কথাও মন কৰা প্ৰয়োজন যে শাস্ত্ৰই তিৰোতাৰ স্বতন্ত্ৰতা খৰ্ব্ব কাৰৰ লগতে তেওঁলোকক ৰক্ষা কৰাৰ দায়িত্ব পুৰুষক অৰ্পণ কৰিছে। কুমাৰী হৈ থাকোঁতে পিতাকে, যুৱতী হলে স্বামীয়ে আৰু বুঢ়ী হ'লে পুতেকে তেওঁক ৰক্ষা কৰিব লাগে। কিয়নো তেওঁলোক স্বতন্তৰীয়া হৈ থাকিব নোৱাৰে।[৭] পৰিয়ালত পুৰুষে প্ৰাধান্য লাভ কৰি থাকে বাবে তিৰোতাৰ ওপৰত পুৰুষৰ প্ৰাধান্য বৰ্তি থাকিব লাগে । তেওঁলোক মিথ্যাচাৰিণী; গতিকে তেওঁলোক ধৰ্মীয় অগ্নি আৰু জল চুবৰো আধিকাৰিণী[৮] নহয় । ধৰ্ম্মৰ ক্ষেত্ৰত তেওঁলোক স্বতন্ত্ৰ নহয়, গতিকে স্বামীক চেৱাই যাব নালাগে[৯]।

তিৰোতাক এনেকৈ পৰাধীন কৰি বশ ৰখাৰ কাৰণ কি হ'ব পাৰে ? মনুৱৈ কৈছে তিৰোতাই ৰূপৰ পৰীক্ষা নকৰে; বয়সলৈ ধ্যান নিদিয়ে; সুন্দৰ বা কুৎচিত বিচাৰ নকৰি মাত্ৰ পুৰুষ হ'লেই তাৰ লগত সম্ভোগ কৰিবলৈ ইচ্ছা কৰে; পুৰুষক দেখিলেই ভোগ কৰাৰ ইচ্ছা, চঞ্চলতা আৰু স্বভাৱতে নিমৰমীয়াল হোৱা হেতুকে অতি যত্নেৰে ৰাখিলেও তিৰোতাই স্বামীৰ বিৰুদ্ধে কাম কৰে। --শয্যা, আসন, আভূষণ, প্ৰীতি, কাম, ক্ৰোধ, কুটিলতা, দ্ৰোহভাৱ, দুৰ্ব্যৱহাৰ এইবোৰ তিৰোতাৰ কাৰণে সাধাৰণ কথা[১০] । আ-অলঙ্কাৰ, আহাৰ-বিহাৰেৰে ওপচাই দিলেও তিৰোতাই সদায় পুৰুষক শোষণ কৰি থাকে; ঠিক জোকৰ দৰে । জোকে পিছে কেৱল তেজ হে খায়; তিৰোতাই ধন, বিত্ত, মাংস, বীৰ্য, বল, সুখ সমস্ত শুহি লয়। কুমাৰী কালত তেওঁ পুৰুষক সশংক দৃষ্টিৰে চায়; যৌৱনত মুখ ওভতায়; বৃদ্ধকালত পতিক ভৃত্যৰ দৰে ব্যৱহাৰ কৰে।'[১১] এই দৰে দেখা যায় যে তিৰোতাৰ যৌন আতিশয্যক স্মৃতিকাৰসকলে অৱজ্ঞাৰ দৃষ্টিৰে চাইছিল আৰু এই যৌনতাই তেওঁলোকৰ বন্যতা আৰু উচ্ছৃংখলতাৰ মুল কাৰণ বুলি ভাবিছিল। এই যৌনতাই সমাজত বিশৃংখলাৰ সৃষ্টি কৰিব বুলি আশঙ্কা কৰি ঋষি মুনিসকলে কামজয় কৰিবলৈ প্ৰথমে উপদেশ দিয়ে;[১২] আৰু তিৰোতাক বশত ৰখাৰ মূল উদ্দেশ্যও হয়তো এই কামজয়। ইয়াৰ ভিত্তিতে সমাজত নাৰীৰ বাল্যবিৱাহ প্ৰয়োজনীয় বুলি ভবা হ'ল। নাৰীৰ বন্যতাক সংযত কৰাৰ উদ্দেশ্যে এটি সুপৰিকল্পিত ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হ'ল। এটা সময়ত হয়তো যুৱতী কন্যাক বিয়া দিয়াৰ ব্যৱস্থাই প্ৰচলিত আছিল। শাস্ত্ৰকাৰে নিৰ্দেশ দিছিল যে ব্ৰহ্মচৰ্য অতীত হোৱাৰ পাছত যুৱকে নিজতকৈ বয়সত সৰু, এনে বিয়া নকৰোৱা, সদৃশ যুৱতীক বিয়া কৰাব'[১৩]। এই বিলাকত বয়সৰ সীমা বান্ধি দিয়া নাই।

সংবৰ্ত সংহিতাত অৱশ্যে কোৱা হৈছে যে ছোৱালী ঋতুমতী নহওঁতেই বিয়া দিব লাগে। আঠ বছৰ বয়সৰ ছোৱালীক গৌৰী বোলা হয়। এনে অৱস্থাত বিয়া দিয়াটোৱেই প্ৰশস্ত । ন-বছৰীয়া ছোৱালীক ৰোহিণী আৰু দহ বছৰীয়াক কন্যা বা কন্যকা বোলা হয়। এনে অৱস্থাতো বিয়া দিব পাৰি । কিন্তু ইয়াতকৈ বেছি বয়স হলে তেওঁ ৰজস্বলা হয়। বিৱাহৰ আগতে ৰজস্বলা হলে ছোৱালীৰ মাক, দেউতাক আৰু ককায়েক নৰকলৈ যায়।১৪ অন্য এক সংহিতাত কোৱা হৈছে যে, বাৰ বছৰ বয়সত যদি কন্যাক বিয়া নিদিয়ে তেন্তে বাপেকে প্ৰতি মাহে সেই কন্যাৰ ৰজঃশোণিত পান কৰে । ঘৰতে ছোৱালী ৰজস্বলা হোৱা দেখিলে মাক বাপেক আৰু ককায়েকৰ নৰকপ্ৰাপ্তি ঘটে[১৫]।

এইদৰে দেখা গৈছে যে ৰজস্বলা হোৱাৰ আগতে ছোৱালী বিয়া দিয়াটো ঋষিসকলে বাধ্যতামূলক কৰিছিল। বিয়া নিদিলে অভিভাৱক গৰিহণাৰ পাত্ৰই নহয় প্ৰায়শ্চিত্তৰ ভাগী হৈছিল।

এই ক্ষেত্রত ইমান জোৰ দিয়াৰ কাৰণ বাৰু কি হ'ব পাৰে ? উমা চক্ৰৱৰ্ত্তীয়ে কৈছে —"It was to channelise the overflowing sexual energy of woman that earlty marriages become so crucial in the structure of brahmanical patriarchy" যৌনশক্তিক ব্যৱস্থাপিত কৰাই বাল্যবিবাহৰ উদ্দেশ্য। ৰজস্বলা হোৱাৰ আগতে বিয়া নিদিলে কন্যা বিপথগামিনী হোৱাৰ পূৰা মাত্ৰাই সম্ভাৱনা থাকে । এনে কন্যা নৈতিক দুশ্চিন্তাৰ কাৰণ হৈ পিতৃ-মাতৃ, ককাই-ভাই, বংশ-পৰিয়াল আৰু সমাজৰ আধি-ব্যাধিৰ হেতু হ'ব পাৰে। সেই কাৰণেই ঋষিসকলৰ এনে নিৰ্দেশে।[১৬] মনুৰ মতে ত্ৰিশবছৰীয়া যুৱকে বাৰ বছৰীয়া ছোৱালীক আৰু চৌবিশ বছৰীয়া যুৱকে আঠ বছৰীয়া ছোৱালীক বিয়া কৰিব লাগে।[১৭] তেওঁ অৱশ্যে এই বুলিও কৈছে যে ঋতুমতী হোৱাৰ পাছতো কন্যাক আজীৱন অবিবাহিতা কৰি ৰখাই ভাল; তথাপি মূৰ্খ, জ্ঞানহীন যুৱকলৈ কেতিয়াও বিয়া দিব নালাগে ।১৮ সময়ত কন্যা বিয়া দিবৰ বাবে কেৱল বাপেক-মাককে দায়িত্ব দিয়া হোৱা নাই; পিতাক, ককাক ককায়েক, জ্ঞাতি আৰু মাক এই সকলৰ পূৰ্বজনৰ অভাৱত পাছৰ জনৰ ওপৰত কন্যাদানৰ দায়িত্ব পৰে । কন্যাদান নকৰিলে তেওঁলোক ভ্ৰূণহত্যাৰ পাপত নিপতিত হয় ।১৯ কন্যাদান কৰোঁতাজনৰ শ্ৰেয়:প্ৰাপ্তি ঘটে । সাধুবাদ পায় । কীৰ্তি লাভ কৰে আৰু জ্যোতিষ্টোম সত্ৰৰ ফল লাভ কৰে।২০ সমাজত শৃংখলা অব্যাহত ৰখাৰ উদ্দেশ্যেই কন্যা বিয়া দিয়াত ঋষি সকলে গুৰুত্ব প্ৰদান কৰিছে; তাৰ পৰা তেওঁলোকৰ কিবা লাভ হ'ব বুলি তেওঁলোকে নিশ্চয় ভবা নাছিল। বিৱাহৰ যোগেদি তিৰোতাক গৃহস্থাশ্ৰমত প্ৰৱেশ কৰাই ঘৰ আৰু সমাজৰ দায়িত্ব অৰ্পণ কৰাটো ইয়াৰ এক অন্যতম উদ্দেশ্য। ইয়াৰ যোগেদি নাৰীক সামাজিক দায়গ্ৰস্ত কৰি তোলা হয়। সেই কাৰণে ঋতুমতি হোৱাৰ পাছতো কন্যাদায়গ্ৰস্তসকলে নিজৰ দায়িত্ব পালনত ব্যৰ্থ অতি বেছি তিনি বছৰলৈকে অপেক্ষা কৰি স্বয়ংৱৰা হ'বলৈ অৰ্থাৎ নিজ উপযুক্ত পতি বাছি বিয়া সোমাবলৈ কন্যাক অধিকাৰ দিয়া হৈছে[২১]।

স্বাধীনতা খৰ্ব কৰাৰ অনেক অভিযোগ থাকিলেও কিন্তু তেওঁলোকক ঋষিসকলে কেনে মহিমাৰে মহিমান্বিত কৰিছে সিও মন কৰিবলগীয়া। গৃহস্থাশ্ৰমত তেওঁলোকক বিশেষ স্থান প্ৰদান কৰা হৈছে। গৃহস্থাশ্ৰমেই ভাৰতীয় সমাজ জীৱনৰ কেন্দ্ৰবিন্দু। ব্ৰহ্মচাৰী, বানপ্ৰস্থ কৰিছে সিও মন কৰিবলগীয়া। গৃহস্থাশ্ৰমত তেওঁলোকক বিশেষ স্থান প্ৰদান কৰা হৈছে। গৃহস্থাশ্ৰমেই ভাৰতীয় সমাজ জীৱনৰ কেন্দ্ৰ বিন্দু। ব্ৰহ্মচাৰী, বানপ্ৰস্থ আৰু সন্যাসীসকলে গৃহস্থৰ ওপৰত নিৰ্ভৰ কৰে। গৃহস্থই যজ্ঞ, তপ, দান আদি যাৱতীয় সামাজিক কাৰ্যসমূহ সম্পাদান কৰে। সেই কাৰণে ইয়াক শ্ৰেষ্ঠ আশ্ৰম বুলি কোৱা হয়। ইয়াক মাতৃ আৰু সমুদ্ৰৰ লগত তুলনা কৰা হয়।[২২] এই আশ্ৰমত থাকি গৃহস্থই দেৱঋণ আদি পৰিশোধ কৰি স্বৰ্গবাসৰ বাবে আগবাঢ়ি যায়। এই ঋণ পৰিশোধত পত্নীগৰাকীৰ বিশেষ ভূমিকা আছে। বিয়াৰ দিনা বিধিমতে সপ্তপদী গমনৰ পাছত কন্যা গৰাকী পৈত্ৰিক গোত্ৰৰ পৰা ভ্ৰষ্ট হয়। দান, পিণ্ড আদি ক্ৰিয়াসমূহ তেওঁৰ স্বামীৰ গোত্ৰতে সম্পন্ন হয়[২৩]। তেওঁ তেতিয়া গৃহপত্নীত পৰিণত হয় । মাতৃ ভগ্নী আদি বিভিন্ন প্ৰকাৰৰ নাৰীৰ ভিতৰত পত্নীৰ প্ৰতি ঋষিসকলে অধিক মনোযোগ দিছে[২৪] । যাগ-যজ্ঞ, দান-তপ আদি পত্নীত কেন্দ্ৰীভূত। যজ্ঞ সম্পাদন আৰু পুত্ৰোৎপাদন এই দুটাই পত্নীৰ মূল কাৰ্যৰূপে চিহ্নিত কৰা হৈছে। এই দুটা কাৰ্যই তেওঁক সামাজিক প্ৰাণীত পৰিণত কৰিছে। ধনৰ আয়-ব্যয়, ঘৰৰ বস্তু পৰিস্কাৰ-পৰিচ্ছন্নতা, ধৰ্মাদি অন্ন-ব্যঞ্জনাদিৰ প্ৰস্তুতি ইত্যাদি বিভিন্ন কাৰ্য উপৰি-উক্ত দুটি প্ৰধান কাৰ্যৰে অঙ্গ-উপাঙ্গ। এই দুই কাৰ্যৰ দ্বাৰা পতিৰ লগ-লাগি তেওঁ দেৱঋণ আৰু পিতৃ ঋণৰ পৰা উদ্ধাৰ কৰে। যজ্ঞৰ দ্বাৰা দেৱঋণ আৰু পুত্ৰোৎপাদনেৰে পিতৃঋণৰ পৰা মুক্তি পোৱাত পত্নী অপৰিহাৰ্য অঙ্গ। অৱশ্যে এই ক্ষেত্ৰতো পত্নীৰ স্বতন্ত্ৰতা নাই। ব্ৰাহ্মণ্য সমাজত পতি অবিহনে পত্নীৰ কোনো স্বকীয় সত্তা স্বীকাৰ কৰা নহয়। পতিৰ অনুপস্থিতিত তেওঁ স্বতন্ত্ৰভাৱে ধৰ্মাচৰ্যা কৰিব নোৱাৰে। অন্যহাতে পত্নীয়ে যদি যথাযোগ্যভাৱে বিৱাহাগ্নি বহন নকৰে। পতিপ্ৰামা নহয়, সন্তান জন্ম নিদিয়ে তেন্তে তেওঁক অৱজ্ঞাৰ দৃষ্টিৰে চোৱা হয়[২৬]। তদুপৰি যি নাৰী স্বামীৰ অনুগতা হৈ থাকি সৌভাগ্য, বিত্ত আৰু অবৈধ্যব্য কামনা কৰে তেনে পত্নীৰ লগত গৃহস্থই অগ্নিশুশ্ৰূষা কৰিব লাগে। বহু পত্নী যদি থাকে তেন্তে পত্নীসকলৰ ভিতৰত যিগৰাকী বীৰপ্ৰসৱিনী, আজ্ঞাসম্পাদিনী, দক্ষা, প্ৰিয়ৱাদিনী আৰু শুদ্ধা তেওঁক হে ঘন্ত কৰ্মত বিনিয়োগ কৰিব লাগে। এনে ক্ষেত্ৰতো আকৌ পত্নীগৰাকী সুভগা হোৱা বাঞ্চনীয়। সুভগা নহলে অৰ্থাৎ স্বামীৰ প্ৰিয়া নহলে তেওঁৰ জ্যেষ্ঠতা পৰিগণিত নহ'ব; সুভগাগৰাকীয়েই জ্যেষ্ঠা ৰূপে পৰিগণিত হ'ব। পত্নীৰ খ্যাতি বা তপে স্বামীক সন্তুষ্ঠ কৰিব নোৱাৰে; স্বামীৰ প্ৰিয়তমা হ'বলৈ হ'লে তেওঁ আদেশৱৰ্তিনী হোৱা প্ৰয়োজন। পতিৰ আদেশ উলংঘা কৰা তিৰোতা কেতিয়াও প্ৰিয়তমা হ'ব নোৱাৰে, বিনয়াবনতা হৈয়ো যদি কোনোবা তিৰোতা স্বামীৰ দুৰ্ভগা হয় অৰ্থাৎ অৱজ্ঞাৰ পাত্ৰী হয় তেন্তে তেওঁ পূৰ্ব জনমত উমা, অগ্নি আৰু স্বামীক অৱজ্ঞা কৰিছিল আৰু এতিয়া তাৰেই শাস্তি ভূগিছে বুলি বুজিব লাগিব।[২৭]

যজ্ঞকাৰ্যত অপৰিহাৰ্য হোৱা সত্তেও পত্নীৰ মৃত্যুত যজ্ঞ বন্ধ হ'ব নোৱাৰে। চলি থকা অৱস্থাত পত্নীৰ মৃত্যু হ'লে তেওঁৰ দাহকাৰ্য সম্পন্ন কৰি অবিলম্বে অন্য এগৰাকী পত্নী বিয়া কৰাই অগ্নি আধান কৰা উচিত[২৮]। বিয়া কৰাব নোৱাৰিলে পত্নীৰ মূৰ্তিকে প্ৰতিনিধিৰূপে ৰাখি হ'লেও যজ্ঞ অব্যাহত ৰখাৰ বিধান আছে। এনেকৈ উপাধিৰ যোগেদি যজ্ঞ সম্পাদন কৰাৰ দৃষ্টান্তৰূপে সীতাবনবাসৰ পাছত শ্ৰীৰামচন্দ্ৰই সম্পন্ন কৰা কথা কোৱা হয়। কোনো কোনোৱে পত্নীৰ মৃত্যুত যদিও যজ্ঞাগ্নি পুনৰাধান কৰিবলৈ বিধান দিছে গৌতমে তাক মানি লোৱা নাই[২৯]।

ঘন্তৰ উপৰি অন্যান্য ধৰ্মকৰ্মও স্বতন্ত্ৰভাৱে কৰাৰ অধিকাৰ তিৰোতাক দিয়া হোৱা নাই। জপ, তপ, তীৰ্থ প্ৰব্ৰজ্যা, মন্ত্ৰসাধন আৰু দেৱতা আৰধনা এই ছটা কাৰ্য কৰিলে স্ত্ৰী আৰু শূদ্ৰ পতিত হয়। স্বামী জীয়াই থকা কালত যি নাৰীয়ে উপবাস কৰি ব্ৰত পালন কৰে তেওঁৰ স্বামীৰ আয়ুস টুটাৰ লগতে তেওঁ নিজেও নৰকগামিনী হয়। তিৰোতাৰ কাৰণে পতিয়েই তপ, জপ, তীৰ্থ সকলো । তীৰ্থ কৰাৰ সলনি তেওঁ স্বামীৰ ভৰি ধোৱা পানী

কৰে[৩০]। স্বামীৰ মৃত্যুৰ পাছত সাধ্বী স্ত্ৰীয়ে ব্ৰহ্মচাৰ্যত স্থিৰ থাকিব লাগে অনপত্য হ'লেও দ্বিতীয় স্বামী কদাপি গ্ৰহণ কৰিব নালাগে[৩১]। পতিৰ মৃত্যুত যদি তেওঁ জীৱন্তে চিতাতে আৰোহন কৰে তেন্তে তেওঁ শিষ্টাচাৰিণী বুলি পৰিগণিত হ'ব আৰু স্বৰ্গলোকত মহনীয় স্থান লাভ কৰিব; সাপ ধৰা মানুহে গাঁতৰ পৰা সাপ তুলি অনাৰ দৰে সেই নাৰীয়ে স্বামীক নৰকৰ পৰা উদ্ধাৰ কৰি স্বৰ্গলোকত থৈ তেওঁৰ সৈতে মহা আমোদ-প্ৰমোদ স্বৰ্গসুখ ভোক কৰি থাকিব পাৰিব[৩২]।

তিৰোতাৰ পৰা সাধিত হোৱা দ্বিতীয় মূল প্ৰয়োজনটো হৈছে পুত্ৰোৎপাদন। পুত্ৰ-পৌত্ৰ আদিৰ যোগেদি তিৰোতাই স্বামীক অনন্তলোক আৰু স্বৰ্গলোক প্ৰদান কৰিব পাৰে। সেয়েহে তেওঁলোকক সুৰক্ষিত কৰি ৰাখি ভৰণ-পোষণ দি সেৱন কৰিব লাগে[৩৩]।

ঋতুকালত তেওঁলোকক অভিগমন কৰিব লাগে[৩৪]। এনে সময়ত অভিগমন নকৰিলে স্বামী গৰিহণাৰ পাত্ৰ হয়[৩৫]। সন্তান জন্ম দিয়াৰ ক্ষেত্ৰত দেখা যায় যে কন্যা সন্তান জন্ম দিয়াত ধৰ্মশাস্ত্ৰ কাৰসকলে মুঠেই গুৰুত্ব প্ৰদান কৰা নাই। ঋতুকালত যুগ্ম ৰাতি পত্নীগমন কৰিলে পুত্ৰ আৰু অযুগ্ম ৰাতিত কৰিলে কন্যা জন্ম হয় বুলি তেওঁলোকে মনত পোষণ কৰিছে[৩৬]। সেইকাৰণে সেই যুগ্ম ৰাতিত স্ত্ৰীগমন কৰিব লাগে যাতে পুত্ৰ সন্তান জন্ম হয়[৩৭]। পৰ্বদিন বাদ দি আৰু মঘা আৰু মূলা নক্ষত্ৰ বাদ দি এই কাৰ্য কৰণীয়[৩৮]। কন্যা সন্তান উৎপাদনত এনে ধৰণৰ গুৰুত্ব প্ৰাদন কৰা দেখা নাযায়।

শাস্ত্ৰত বাৰ বিধ পুত্ৰৰ উল্লেখ কৰা হৈছে ঃ স্বয়মুৎপাদিত বা ঔৰস, ক্ষেত্ৰজ, পুত্ৰিকাসুত, পৌনৰ্ভৱ, কানীণ, গূঢ়োৎপন্ন এই ছবিধক দায়াদ আৰু বান্ধৱ বোলা হয় ঃ এওঁলোক সম্পত্তিৰ উত্তৰাধিকাৰী আৰু পিণ্ডদানৰ যোগ্য। সহোঢ়, দত্তক ক্ৰীত, স্বয়মুপাগত, অপৱিদ্ধ আৰু শূদ্ৰাপুত্ৰ বা পাৰাশৱ এই ছজন কেৱল বান্ধৱ, দায়াদ নহয় অৰ্থাৎ এওঁলোকে পিণ্ড দিব পাৰে কিন্তু সম্পত্তিৰ অধিকাৰ নাপায়[৩৯]। এইদৰে দেখা গৈছে যে পুত্ৰ-উৎপাদনেই বৈৱাহিক জীৱনৰ চৰম লক্ষ্য। "**The goal of the life of women was thus to get maried and procreate sons -- in fact, according to the texts women were created for the lose purpose of procreating sons**" পুত্ৰ উৎপাদনৰ উদ্দেশ্য আকৌ সম্পদৰ উত্তৰাধিকাৰ হস্তান্তৰ আৰু পৰকালত পিণ্ডলাভ। পৰকালত পিণ্ড লাভ কৰাটোত তেওঁলোকে অধিক গুৰুত্ব প্ৰদান কৰে; আৰু সেই কাৰণেই এই দুটা নহয়, বাৰ প্ৰকাৰ পিণ্ডদ পুত্ৰৰ ব্যৱস্থা কৰিছে। আন হাতে উত্তৰাধিকাৰী পুত্ৰ অৰ্থাৎ দায়াদ পুত্ৰ ছয় প্ৰকাৰৰ। পুত্ৰৰ কাৰণেই অনপত্য পুৰুষে নিজৰ পত্নীত অন্য পুৰুষ নিয়োগ কৰি ক্ষেত্ৰজ পুত্ৰ উৎপাদন কৰাৰ ব্যৱস্থা শাস্ত্ৰত পোৱা যায়। ককায়েকে ভাই বোৱাৰীক বোৱাৰীৰ দৰে ভাবিব লাগে; ভায়েকে নবৌৱেকক গুৰুপত্নীৰ দৰে ভাবিব লাগে; কিন্তু অনপত্য জনৰ কাৰণে নিয়ুক্ত হৈ বৰজনাই ভাই বোৱাৰীত আৰু দেওৰেকে নবৌৱেকত পুত্ৰ উৎপাদন কৰাটো শাস্ত্ৰসন্মত। বিধৱাৰ কাৰণে অন্য পুৰুষৰ কথা মনলৈ অনাটোও মহাপাপ বুলি গণ্য কৰা হয়; কিন্তু বিধবাৰ প্ৰেত পতি অনপত্য হ'লে সেই বিধৱায়ো ক্ষেত্ৰজ পুত্ৰ জন্ম দিয়াৰ ব্যৱস্থা আছে[৪১]। তিৰোতা অপুত্ৰক হ'লে অৰ্থাৎ তিৰোতা যদি বন্ধ্যা হয় অথবা মৰা সন্তান জন্ম দিয়ে বা কেৱল ছোৱালী জন্ম দি থাকে সেই পত্নীৰ বৰ্তমানতো পুৰুষে অন্য তিৰোতা বিয়া কৰোৱাৰ বিধান শাস্ত্ৰই দিছে[৪২]। ভাৰতীয় গৃহস্থ এজনৰ কাৰণে পুত্ৰ জন্মতকৈ ডাঙৰ উৎসৱ একো নাই; সেই পুত্ৰশোকতকৈ ডাঙৰ শোক নাই। পুত্ৰ উৎপাদন কৰিব নোৱাৰে নাৰী সেইকাৰণে এলাগী। তেনে তিৰোতা থকা ঘৰত ভোজন কৰিলেও পুয়স নৰকপ্ৰাপ্তি হয়[৪৩]।

পতিৱ্ৰতা ধৰ্ম নাৰীৰ কাৰণে অপৰিহাৰ্য। যি পত্নীয়ে অগ্নি বহন কৰে, যি পতিপ্ৰাণা আৰু পুত্ৰৱতী তেওঁহে প্ৰকৃত ভাৰ্যা। তেওঁক সদায় লালন পালন কৰি ৰাখিব লাগে; লগতে সদায় কোবাবও লাগে। তেতিয়াহে স্ত্ৰী শ্ৰী হৈ পৰে; অন্যথা নহয়[৪৪]।

তিৰোতা হৈছে যৌন শক্তিৰ উৎস। লগতে তেওঁৰ আছে উৰ্বৰতা। এই দুয়োটাই গোট খাই তেওঁক অপেক্ষাকৃতভাৱে বন্য আৰু উচ্ছৃংখল কৰি তোলে। এই বন্যতা আৰু উচ্ছৃংখলতাক সংযত কৰিবৰ নিমিত্তেই হয়তো শকুন্তলাৰ ওপৰত কালিদাসে দুৰ্বাসাৰ অভিশাপ সপি দিছে। পতিৰ বিৰহত নাৰীৰ যৌৱনৰ অধিক্যই যাতে আপদ মাতি নানে, পতিকুল, পিতৃকুল দুয়োকে যাত কলঙ্কিত কৰিব নোৱাৰে তাৰ বিধান শাস্ত্ৰি দিছে। পিতা, পতি আৰু পুত্ৰৰ পৰা তেওঁ যাতে কেতিয়াও আঁতৰি নাথাকে তাৰ কাৰণে উপদেশ দিয়া হৈছে।[৪৫] সেইদৰে বিধৱাৰ পৰাও যাতে সংকৰ জন্ম হৈ সমজা কলুষিত নহয় সেই উদ্দেশ্যে তেওঁৰ যৌন শক্তি অৱদমিত, সংযত আৰু বিনষ্ট হ'বৰ বাবে সম্পূৰ্ণ সাত্ত্বিক আহাৰ-বিহাৰ, ছলন-ফুৰণৰ লগতে পৰপুৰুষৰ নামো নলবলৈ উপদেশ দিয়া হৈছে। মধু, মাংস, মদ, মৈথুন সম্পূৰ্ণ বৰ্জন কৰিলৈ কোৱা হৈছে।[৪৬] আনকি ৰঙীণ বস্ত্ৰ পৰিধান কৰাও নিষিদ্ধ। পৰিধান কৰিলে স্বামীতো নৰকলৈ যায়েই তেওঁ নিজেও নৰক গমন কৰে।[৪৭] স্বামীৰ মৃত্যুৰ পাছত আমৃত্যু ব্ৰহ্মচাৰিণী হৈ থাকিলে হৈ থাকিলে পুত্ৰহীনা হ'লেও তেওঁ ব্ৰহ্মচাৰী পুৰুষৰ দৰে স্বৰ্গ লাভ কৰে।[৪৮]

নাৰীক স্বতন্ত্ৰতা দিয়া নাই যদিও তেওঁক লক্ষ্মীৰ আসন দিয়াটো কিন্তু ভাৰতীয় সংস্কৃতিৰ উল্লেখনীয় দিশ। কন্যাৰ বাপেক-মাক, ককাই-ভাই, পতি আৰু দেওৰসকলে তিৰোতাক পুজন-সংস্কাৰ কৰিব আৰু অলঙ্কাৰ আদিৰে অলঙ্কৃত কৰি ৰাখিব লাগে। যি কুলত তিৰোতাক সন্মান কৰা হয় তাত দেৱতা সকল প্ৰসন্ন হৈ হয়। য'ত তেওঁলোকে সন্মান নাপায় তাত সকলো ক্ৰিয়া নিষ্ফল কুল শীঘ্ৰে নষ্ট হয়। য'ত এওঁলোক কষ্ট নোপোৱাকৈ আনন্দেৰে থাকে তাত শ্ৰীবৃদ্ধি হয়।[৪৯] গৃহবাসে মানুহে সুখৰ কাৰণে কৰে। ঘৰত সুখ-আনন্দ ইত্যাদিৰ মুলতে হ'ল পত্নীগৰাকী।[৫০] এনে সুখৰ ঘৰ-সংসাৰ পাতিবলৈ হ'লে তিৰোতাগৰাকী সাদৰী হ'ব লাগে, মাত কঠুৱা হ'ব নালাগে; সকলো ক্ষেত্ৰতে দক্ষ হ'ব লাগে; তেওঁ

মাত কঠুৰা হ'ব নালাগে; সকলো ক্ষেত্ৰতে দক্ষ হ'ব লাগে; তেওঁ সাধ্বী আৰু পতিব্ৰতা হ'ব লাগে; আনন্দ মনে থাকিব লাগে; স্থান আৰু মানৰ বিচক্ষণতা থাকিব লাগে; স্বামীৰ প্ৰীতিকৰী হ'লে তেওঁ প্ৰকৃত গৃহিণী বুলি পৰিগণিত হ'ব।[৫১]

মাতা, মাতামহী, গুৰ্ব্বী, পেহী, মাহী, শাহু, পিতামহ, বাইদেউ —এইসকলক স্ত্ৰীগুৰু বোলা হয়। পিতৃ স্বৰূপ সাতজন গুৰুকে ধৰি মুঠ গুৰু হয় পোন্ধৰজন। এই সকলোতকৈ মাতৃক শ্ৰেষ্ঠ আসন দিয়া হয়।[৫২] উপাধ্যায়তকৈ আচাৰ্য দহ গুণ শ্ৰেষ্ঠ; আচাৰ্যতকৈ পিতা এশ গুণ শ্ৰেষ্ঠ; পিতাতকৈ মাতা হাজাৰ গুণে শ্ৰেষ্ঠ আৰু গৌৰৱযুক্ত।[৫৩]

অত্ৰিসংহিতাৰ মতে 'নাস্তি মাতুঃ পৰো গুৰুঃ।' অৰ্থাৎ আইতকৈ ডাঙৰ গুৰু আৰু নাই। পিতৃ পুৰুষৰ পিণ্ড দিওঁতে প্ৰথম পিণ্ড মাতৃক দিব লাগে।[৫৪] মাহী, মামী, শাহু, পেহী, গুৰুপত্নী আৰু গুৰুভাৰ্য্যা পুজনীয়া। এওঁলোকক মাতৃৰ দৰে ব্যৱহাৰ কৰিব লাগে। অৱশ্যে মাতৃ এওঁলোকতকৈ গৰীয়সী।[৫৫] জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।''

শাস্ত্ৰকাৰসকলে যুগোপযোগী চিন্তা কৰোঁতে আধুনিক যুগৰ চিন্তাৰ লগত তেওঁলোকৰ দুই এঠাইত বিৰোধ দেখা দিয়া স্বাভাৱিক। সেইবুলি তেওঁলোকে নাৰীৰ মৰ্যাদা ক্ষুণ্ন কৰিছে বুলি একে এষাৰতে কৈ দিব নোৱাৰি। নাৰীৰ ভাল আৰু বেয়া দুয়োটা দিশ সামৰি তেওঁলোকে শাস্ত্ৰৰ বিধান দিছে। দোষী পুৰুষ যেনে শাস্তিৰ বিধান দিছে তাক পঢ়িলে গাৰ নোম শিয়ৰি উঠে। গতিকে মনুৰ লগত অন্যান্য শাস্ত্ৰকাৰ সকলকো নাৰীবিদ্বেষী বুলি নাভাবি স্মৃতিশাস্ত্ৰৰ পুংখানুপুংখ অধ্যয়ন কৰিলেহে উৰহী গছৰ ওৰ পোৱা যায়।

পাদটীকা ঃ

১. যাজ্ঞৱল্ক্য সংহিতা, ১/৪-৫
২. মনুসংহিতা ২/৩৬-৩৭; যাজ্ঞ - ১/১৪,১৭
৩. শংখ সংহিতা ৩/১; যাজ্ঞ ১/৩৪-৩৫
৪. মনু ২/৬
৫. যাজ্ঞ ১/১০-১৫;
৬. মনু, - ৯/২; মনু -, ৫/১৪৭-১৪৮; যাজ্ঞ-, ১/৮৫
৭. মনু-, ৯/৩
৮. ৰসিষ্ঠসংহিতা, পঞ্চম অধ্যায়
৯. গৌতমসংহিতা, অষ্টাদশ অধ্যায়;
১০. মনু -, ৯/১৩ - ১৭;
১১. দক্ষসংহিতা, ২/৯-১১
১২. গীতা ৩/৪৩;
১৩. গৌতম চতুৰ্থ অধ্যায়; হাৰীতসংহিতা, ৪/১-২ ৰসিষ্ঠ –, অষ্টম অধ্যায়; শংখ -, ৪/১
১৪. সংবৰ্তসংহিতা, ১/৬৬-৬৮;
১৫. ৰসিষ্ঠ সপ্তদশ অধ্যায়, শংখ -, ১৫/৮
১৬. Economic and Political Weekly, Sept, 1995;
১৭. মনু, ৯-৯৪;
১৮. মনু-, ৯/৮৯;
১৯. যাজ্ঞ -, ১/৬৩-৬৪
২০. সংৱত ৬১-৬৪;
২১. যাজ্ঞ, ১/৬৪; মনু-৯/৯০;
২২. ৰসিষ্ঠ-, অষ্টম, শংখ -, ৫/৬
২৩. লিখিত সংহিতা, ২৬/২৭;
২৪. Economic and Political Weekly, Sept, 1995;
২৫. একপত্ৰ, পৃ ২২৪৯
২৬. শংখ, ৪/১৫;
২৭. কাত্যায়নসংহিতা, ৯/৩-৯
২৮. মনু-, ৫/১৬৮;
২৯. কাত্যায়ন, ২০/৫-১০;
৩০. এত্ৰিসংহিতা, ১৩৫-১৩৭;
৩১. মনু-, ৫/১৬০-১৬২;
৩২. দক্ষ, ৪/১৯-২০;
৩৩. যাজ্ঞ -, ১/৭৮;
৩৪. সংৱৰ্ত-, ৯৬;
৩৫. Economic and Political Weekly, p.2249;
৩৬. মনু-,৩/৪৮;
৩৭. যাজ্ঞ -, ১/৭৮-৮০;
৩৮. গৌতম-৫;৫; ৰসিষ্ঠ-, দ্বাদশ;
৩৯. ৰসিষ্ঠ-, সপ্তদশ;
৪০. নাৰদ, ৫/১৯;
৪১. মনু-, ৯/৫৭-৬৪;
৪২. মনু-, ৯/৮১;
৪৩. অঙ্গিৰসংহিতা, ১/৭০;
৪৪. শংখ-, ৪/১৫-১৬;
৪৫. মনু, ৫/১৪৯
৪৬. মনু, ৫/১৪৯;
৪৭. অঙ্গিৰ:, ১/২১;
৪৮. মনু, ৩/১৬০;
৪৮. মনু-, ৩/১৬০;
৪৯. মনু-, ৩/৫৫-৫৭;
৫০. দক্ষ-, ৪/৭;
৫১. দক্ষ-, ৪/১২-১৩
৫২. উশন-, ১/২৫-৩০;
৫৩. যাজ্ঞ, ১/৩৩-৩৫;
৫৪. লিখিত, ৪৭;
৫৫. উশম, ৩/৩১-৩৩

# সামাজিক উত্তৰণৰ বাবে ছাত্ৰজীৱনত N.C.C. ৰ প্ৰয়োজনীয়তা

শ্ৰীকমললোচন গগৈ
*স্নাতক দ্বিতীয় বৰ্ষ*

N.C.C বা National Cadet Corps অৰ্থাৎ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী হৈছে এনে এটা সংস্থা যিটো সংস্থাই যুৱসমাজক সুপ্ৰশিক্ষিত কৰি তোলা আৰু মানৱ সম্পদক বিকশিত কৰি তোলাৰ লগত জড়িত। N.C.C ৰ লক্ষ্য ছাত্ৰ-ছাত্ৰীসকলক সু-নাগৰিক হিচাপে গঢ়ি তোলা। এই বাহিনীৰ মূল নীতি একতা আৰু অনুশাসন। বৰ্তমান প্ৰায় তেৰ লাখ প্ৰশিক্ষাৰ্থীৰে N.C.C এক মহাশক্তিত পৰিণত হৈছে। এয়া হ'ল পৃথিৱীৰ একমাত্ৰ সু-সংঘবদ্ধ যুৱ সংগঠন।

ছাত্ৰ সমাজত N.C.C ৰ প্ৰয়োজনীয়তা গুৰুত্বপূৰ্ণ। যদিও N.C.C ত সামৰিক প্ৰশিক্ষণ দিয়া হয়, N.C.C ৰ উদ্দেশ্য কিন্তু ছাত্ৰসকলক কেৱল সৈনিক হিচাপে গঢ় দিয়াই নহয়। এই বাহিনীৰ উদ্দেশ্য হৈছে–

(১) নেতৃত্ব, চৰিত্ৰ, সাহচৰ্য, খেলুৱৈসুলভ মনোবৃত্তি তথা সেৱামূলক মনোভাৱৰ বিকাশ ঘটোৱা।

(২) এক অনুশাসিত, সু-শৃংখলিত তথা প্ৰশিক্ষিত জনশক্তিৰ সেনাৰ গঠন কৰা, যি ৰাষ্ট্ৰৰ জৰুৰীকালীন অৱস্থাৰ সময়ত ৰাষ্ট্ৰক সহায় কৰিব পাৰে।

কোনো এখন সমাজৰ উত্তৰণৰ বাবে সু-শৃংখলিত সমাজৰ সূচনাৰ বাবে সুস্থ-সবল আৰু সুদৃঢ় নেতৃত্বৰ প্ৰধান প্ৰয়োজন N.C.C ৰ ছাত্ৰ-ছাত্ৰীসকলক সুস্থ নেতৃত্বৰ প্ৰশিক্ষণ দিয়া হয়। তদুপৰি ইয়াৰ বাবে নিৰ্বাচিত Cadet সকলক লৈ Basic Leadership Camp নামৰ এটা বিশেষ শিবিৰ অনুষ্ঠিত কৰা হয়।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগতে অসমৰো বহুতো হাইস্কুল আৰু কলেজত N.C.C ৰ প্ৰশিক্ষণ দিয়া হয়। অষ্টমৰ পৰা দশম শ্ৰেণীৰ Cadet সকলক Junior Division আৰু একাদশ শ্ৰেণীৰপৰা উচ্চ শ্ৰেণীৰ Cadet সকলক লৈ Senior Divison হিচাপে দুটা গোটত ভাগ কৰা হৈছে আৰু ছাত্ৰীসকলক লৈ পৃথক Girls Divison আছে।

N.C.C ৰ প্ৰশিক্ষণৰ পৰা ছাত্ৰসকলৰ সমাজসেৱা, মিলিজুলি কাম কৰাৰ ভাৱনা নেতৃত্ব, অনুশাসন তথা আত্মবিশ্বাসৰ বিকাশ হয়। যিহেতু N.C.C ৰ প্ৰশিক্ষণৰ বাবে বিভিন্ন ঠাইত বিভিন্ন শিবিৰৰ আয়োজন কৰা হয়, তাৰ দ্বাৰা ছাত্ৰসকলে বিভিন্ন মহত্বপূৰ্ণ, ঐতিহাসিক, ঔদ্যেগিক, ভৌগোলিক, সামাজিক কেন্দ্ৰসমূহ ভ্ৰমণৰ সুবিধা পায়। ইয়াৰ দ্বাৰা তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি পায় আৰু তেওঁলোক ৰচনাত্মক কাম কৰাৰ প্ৰতি আগ্ৰহী হয়। এই শিক্ষাৰ্থীসকলক নাগৰিক সুৰক্ষা তথা আত্মসুৰক্ষাৰ উচিত শিক্ষা দিয়া হয় যাৰ দ্বাৰা তেওঁলোকৰ মনত ৰাষ্ট্ৰসেৱাৰ মনোবৃত্তি জাগ্ৰত হয়।

দেশৰ অখণ্ডতাৰ বাবে, সমাজ তথা দেশৰ সকলো লোকৰ মাজত ঐক্য সংহতি থকাটো বাঞ্ছনীয়। ৰাষ্ট্ৰ তথা সমাজৰ লোকৰ মাজত ঐক্য সংহতি নাথাকিলে সেই ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব খৰ্ব হোৱাৰ আশংকা থাকে। ঐক্যহীন সমাজত বিভিন্ন সমাজবিৰোধী আৰু ৰাষ্ট্ৰবিৰোধী শক্তিসমূহে মূৰ দাঙি উঠে সমাজ তথা দেশক পংগু কৰি তুলিব পাৰে। N.C.C ৰ ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত বিভিন্ন শিবিৰলৈ লাক্ষাদ্বীপ, কাশ্মীৰ, গুজৰাট, কেৰালা আদিকে ধৰি দেশৰ সকলো ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ আগমণ ঘটে। এনে শিবিৰত মূলতঃ ড্ৰিল, অস্ত্ৰচালনাৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াত দৈনিক প্ৰশিক্ষণৰ অন্তত অথবা শিবিৰ সমাপ্তিৰ দিনা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। দেশৰ বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাৱৰ আদান প্ৰদান আৰু তেওঁলোকৰ বিভিন্ন কলাকৃষ্টিৰ বিষয়ে জনাৰ ই এক সুন্দৰ সুযোগ। তদুপৰি ঐক্য সংহতিৰ বাবে দেশৰ বিভিন্ন ঠাইত "ৰাষ্ট্ৰীয় সংহতি শিবিৰ" বা National Integration Camp (NIC) ৰ আয়োজন কৰা হয়।

আন্তৰ্জাতিক বুজাবুজি উন্নত কৰিবৰ বাবে প্ৰতিবছৰে আমাৰ দেশৰ শিক্ষাৰ্থীসকলক কানাডাকে ধৰি বিশ্বৰ বিভিন্ন দেশলৈ পঠোৱা হয়। Youth Exchange Programme ৰ অধীনত বিভিন্ন বন্ধু ৰাষ্ট্ৰ যেনে বাংলাদেশ, ভুটান, শ্ৰীলংকা, মালডাভিছে, নেপাল, ছিংগাপুৰ, ত্ৰিনিদাদ, যুক্তৰাজ্য, ৰাছিয়া, ভিয়েটনাম আদি দেশলৈ আমাৰ দেশৰ Cadet সকলক পঠোৱা হয়। অনুৰূপ সেই দেশসমূহৰ পৰাও Cadet সকল আমাৰ দেশলৈ গণৰাজ্য দিৱসৰ সময়ত আহে। আন্তৰ্জাতিক শিবিৰ বিলাকলৈ বিশেষভাৱে মনোনীত দেশৰ ২০ জনকৈ Cadet পঠোৱা হয়। এনে শিবিৰত Cadet সকলে নিয়ন্ত্ৰণকৰ্তা দেশখনৰ সামাজিক উন্নয়ণমূলক কাম-কাজ, ইতিহাস, সংস্কৃতি আৰু দেশখনৰ আৰ্থসামাজিক অৱস্থাৰ বিষয়ে অধ্যয়ন কৰে।

দুঃসাহসিক কাম কৰাৰ উদ্যম আৰু খেলুৱৈসুলভ মনোবৃত্তিয়ে মানুহৰ জীৱনক আকৰ্ষণীয় আৰু প্ৰাণৱন্ত কৰি তোলে। সেইবোৰে এজন মানুহক বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখত খেলুৱৈসুলভ মনোভাৱেৰে গুৰুত্বপূৰ্ণ আৰু সঠিক সিদ্ধান্ত লোৱাত সক্ষম কৰি তোলে। "Where there is no risk, there is no delight." যদি কোনোৱে জীৱনৰ সফলতা কামনা কৰে তেন্তে তেওঁ জীৱনৰ প্ৰতি খোজতে শাৰীৰিকেই হওক বা মানসিক, তেওঁ আশংকাৰ মাজেদিয়েই আগুৱাই যাব পাৰিব লাগিব। N.C.C য়ে ট্ৰেকিং, স্লাইডাৰিং, ৰাফটিং, গ্লাইডিং, মাউণ্টেইন ক্লাইম্বিং আদি বিভিন্ন দুঃসাহসিক ক্ৰীড়াৰ যোগেদি কঠোৰ প্ৰশিক্ষণ দি জীৱনৰ প্ৰতিকূল পৰিস্থিতিতো জীয়াই থাকিব পৰাকৈ সক্ষম কৰি তোলে।

জৰুৰীসময়ত প্ৰযোজ্য হোৱাকৈ N.C.C Cadet সকল প্ৰাথমিক চিকিৎসাৰ প্ৰশিক্ষণ দিয়া হয়। তদুপৰি জাতীয় জৰুৰী অৱস্থাৰ

১৬ *পৃষ্ঠাত চাওক*

# সাম্প্ৰতিক পৰিস্থিতি আৰু আমি

পাৰ্থপ্ৰতিম ভূঞা
*স্নাতক তৃতীয় বৰ্ষ, গণিত বিভাগ*

কলেজলৈ আহি হঠাৎ খবৰটো পোৱাৰ পিছত দিনটো ক্লাছত মন বহুৱাব পৰা নাছিলো। আজি মনলৈ যি অস্থিৰতা আহিছে আন কেতিয়াও মই এই অস্থিৰতা অনুভৱ কৰা নাছিলো। ক্লাছমেট **Botany Dept** ৰ বন্ধু খুৰছিদে যেতিয়া দিপাংকৰৰ মাকৰ মৃত্যুৰ বাতৰি দিছিল, সেই খবৰ শুনি মই ক্ৰোধত জ্বলি উঠিছিলো। ছিঃ কেনে নিকৃষ্ট মানসিকতাৰ লোক এইসকল যিসকলে কেইটামান টকাৰ লোভত নিজৰ দায়িত্ব, কৰ্তব্য সকলো আওঁকান কৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকৰ যদি সেৱাৰ মানসিকতা নাই তেন্তে চিকিৎসকৰ দৰে এটা মহান বৃত্তিত থকাৰ অধিকাৰ সেইসকলৰ আছে বুলি মই নাভাবো। তেওঁলোক আজিৰ যুগৰ এদল লুণ্ঠনকাৰী, যিসকলে কেৱল টকাৰ বিনিময়ত তেওঁলোকে অৰ্জন কৰা বিদ্যা বিক্ৰী কৰিছে। তেওঁলোক কি ধাতুৰে গঢ়া মানুহ? আত্মা অনুভূতি বুলি কোৱা বস্তু কেইপদৰে তেওঁলোকৰ অভাৱ। তেওঁলোকৰ চৰম অৱহেলাৰ বাবে আজি মোৰ বন্ধুৰ মাতৃয়ে তিল তিল কৈ মৃত্যুক আকোঁৱালি ললে। আমি জানো যে জন্ম-মৃত্যু মানুহৰ ইচ্ছা অনুসৰি নহয়। এই দুই অধিকাৰ মাত্ৰ পৰম জনৰহে আছে বুলি আমাৰ বিশ্বাস। কিন্তু চিকিৎসা বিজ্ঞানৰ ন ন আৱিস্কাৰে মানুহক প্ৰায় অমৰ হোৱাৰ পথ প্ৰশস্ত কৰাৰ সময়ত এয়া কি? কিহৰ অভাৱৰ বাবে মোৰ বন্ধুৱে তেওঁৰ মাতৃক অকালতে হেৰুৱাব লগা হ'ল (অকালতে এই কাৰণেই কোৱা হৈছে যে তেওঁৰ মাকৰ এটি সামান্য অস্ত্ৰোপচাৰহে হৈছিল) চিকিৎসকসকলৰ বাবে হয়তো জন্ম-মৃত্যু তেওঁলোকৰ দৈনন্দিন জীৱনত ঘটা এটা সাধাৰণ ঘটনা হ'ব পাৰে। কিন্তু মই ভাবো প্ৰত্যেকজন ৰোগীৰ মৃত্যুৰ লগে লগে তেওঁলোক প্ৰত্যেকে একোখন যুদ্ধত হাৰিছে সেই যুদ্ধ হৈছে তেওঁলোকৰ চিকিৎসা সেৱা আৰু ৰোগৰ মাজত। প্ৰত্যেকজন ৰোগীৰ মৃত্যুৰ লগে লগে তেওঁলোকৰ কৰ্তব্যৰ প্ৰতি অৱহেলাকে সূচায়। প্ৰত্যেকজন ৰোগীৰ মৃত্যৰ লগে লগে তেওঁলোকৰ চিকিৎসা বিজ্ঞানৰ সীমাবদ্ধতাকে সূচায় আৰু বহুক্ষেত্ৰত বস্তুবাদী দৃষ্টিভংগীৰ তেওঁলোকে কৰা অৱহেলাও দায়ী, আমি কিয় যিকোনো কাম কৰ্তব্য, নিষ্ঠা, একাগ্ৰতা আৰু নিস্বাৰ্থ ভাৱেৰে কৰিব নিবিচাৰো। তেন্তে আমাৰ শিক্ষাৰ প্ৰাসংগিকতা ক'ত? আমাৰ শিক্ষাৰ উদ্দেশ্য কেৱল ব্যক্তিকেন্দ্ৰিক নেকি? আমি কি কাৰণে শিক্ষা গ্ৰহণ কৰিছো। নিশ্চয় জীৱনত কিবা এটা কৰাৰ উদ্দেশ্যৰে। তেন্তে সেই কিবাটো কি? নিশ্চয় আধুনিক চিন্তা ধাৰাৰ এচাম ব্যক্তিৰ মতে ধনসম্পতি তেন্তে তেনে ব্যক্তিয়ে শিক্ষা গ্ৰহণ কৰি শিক্ষাৰ মানদণ্ডক নিম্নগামী কৰা নাইনে? আমি যি শিক্ষাকে গ্ৰহণ নকৰো কিয়, আমাৰ মাত্ৰ এটায়ে উদ্দেশ্য হোৱাটো উচিত, সেইয়া হৈছে মানৱ সেৱা। সমাজিক প্ৰাণী হিচাপে সমাজৰ প্ৰতি আমি দায়বদ্ধ হোৱা আৱশ্যক। ব্যক্তিকেন্দ্ৰিক মনৰ দ্বাৰা কেতিয়াও এখন সুস্থ সমাজ গঠন নহয়।

আমি আজি কালি শিশু দিৱস পালন কৰো। বৰ বৰ ৰাজনৈতিক নেতাই ৰাষ্ট্ৰৰ শিশুসকলৰ উদ্দেশ্যে প্ৰত্যেক বৰ্ষতে ভাষণ দিয়ে। ভাষণৰ প্ৰসংগত তেওঁলোকে দেশৰ দৰিদ্ৰ শিশুসকলৰ বাবে বহুমুখী উন্নয়ণৰ আঁচনি ঘোষণা কৰে। কিন্তু কাৰ্যত কি হয়? সেই আঁচনি কাগজ, কলম আৰু ফাইলত আবদ্ধ হৈ থাকি যায়। ফাইলত থাকে বুলি এই কাৰণে কোৱা হৈছে যে, তেওঁলোকে যিমানবোৰ আজি পৰ্যন্ত আঁচনি ঘোষণা কৰিছে সেইদৰে যদি নিষ্ঠা আৰু সততাৰে কাৰ্যকৰী কৰিলেহেঁতেন আজি পিঠিত বস্তা লৈ পুৱাতে জীৱিকাৰ সন্ধানত ওলাই যোৱা অবোধ শিশুক আমি দেখিবলৈ নাপালোহেঁতেন। যি সময়ত সেই অবোধ শিশুসকলৰ হাতত জ্ঞানৰ আলোক স্বৰূপ কিতাপ, বহী, কলম থাকিব লাগিছিল সেই সময়ত সিহঁতৰ হাতত থাকে এটা লেতেৰা বস্তা নাইবা মূৰত এটা গধুৰ বোজা। নাজানো সেইসকলৰ শিশুৰ বিষয়ে ৰাষ্ট্ৰৰ শাসনকৰ্তা সকলে ভাবিবনে নাই? কিন্তু সকলো কথা ৰাষ্ট্ৰৰ ওপৰত জাপি দি আমি নিজে হাত সাৰি যাব বিচৰাটো আমাৰ বাবে কৰ্তব্যলৈ পিঠি দিয়াৰ দৰে হ'ব। আমাৰ সেই শিশুসকলৰ বাবে চিন্তা কৰিবলৈ একো নাই নেকি? নে আমিবোৰ ইমানে স্বাৰ্থপৰ যে নিজৰ বাদে আনৰ কথা ভাবিবৰ আমাৰ হাতত সময় নাই। আমিবোৰ ইমান নিকৃষ্ট মনোভাৱৰ নে? তেন্তে আমি নিজকে জীৱশ্ৰেষ্ঠ বা সামাজিক প্ৰাণী বুলি কোৱাৰ অৱকাশ ক'ত আছে?

১৫ আগষ্ট, ২০০৪ চন পুৱা ৮-৩০ মিনিটত ধেমাজি কলেজৰ খেলপথাৰত যি গণহত্যা সংঘটিত হ'ল সি প্ৰত্যেকজন সমাজপ্ৰেমী সভ্য লোকৰ অন্তৰ আত্মা কঁপাই তুলিছিল। এই ঘৃণনীয় হত্যাকাণ্ড সংঘটিত কৰাৰ পাছত এই ঘটনাৰ লগত পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে জড়িতসকলৰ আত্মা তেওঁলোকক ধিক্কাৰ দিয়া নাই নে? যদি নাই দিয়া তেন্তে তেওঁলোক কেতিয়াও মানুহ হ'ব নোৱাৰে। তেওঁলোকে কিহৰ তাড়নাত পৰি এই জঘন্য কাণ্ডবিলাক সংঘটিত কৰিছে? তেওঁলোকে ভাবে নেকি যে, তেওঁলোকে এই মাৰাত্মক অস্ত্ৰ হাতত উঠাই লৈ এটা জাতিক উদ্ধাৰ কৰিবলৈ মহান ব্ৰতত ব্ৰতী হৈছে? তেওঁলোকে ভাৱে নেকি যে তেওঁলোকৰ দ্বাৰা হত্যা কৰা ব্যক্তিসকল জাতিটোৰ নামত এক মহান উছৰ্গা? যদি ভাবিছে তেন্তে তেওঁলোকৰ এইয়া ভুল ধাৰণা। তেওঁলোকৰ এই কাৰ্যবিলাকৰ দ্বাৰা এটা জাতিক উদ্ধাৰ কৰাটো দুৰৰে কথা, বৰঞ্চ জাতিটোৰ ক্ৰমান্বয়ে আৰ্থিক, শৈক্ষিক, সাংস্কৃতিক, সামাজিক সকলো ক্ষেত্ৰতে বিস্তৰ ক্ষতি সাধনহে কৰিছে আৰু এটা সময়ত হয়তো জাতিটো বিশ্বৰ মজিয়াৰ পৰাই বিলুপ্ত হ'ব।

তেওঁলোকে কেনে স্বাধীন অসমৰ কল্পনা কৰিছে? কোনবোৰ মানুহৰ উন্নতিৰ কাৰণে বিপ্লৱৰ নামত নিজৰে লগতে সমগ্ৰ জাতিটোকে তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিছে? মই সেইসকল ব্যক্তিক ক'বলৈ বিচাৰো যে, তেওঁলোক কোনো জাতিক উদ্ধাৰ কৰাৰ দায়ত দায়বদ্ধ নহয়, তোমালোক নৰ মাংস পিপাসু, এদল নৰখাদক, যিসকলে স্বাধীন শব্দটোৰ আচল অৰ্থ উপলব্ধি কৰিব নাজানি তাক কেৱল মন্ত্ৰৰ দৰে জপ হে কৰিছে।

আজি আমাৰ সামাজিক অৱস্থাৰ ইমানেই অৱনতি হৈছে যে, প্ৰত্যেক জাতিয়ে আনটো জাতিক, প্ৰত্যেক গোষ্ঠীয়ে আনটো গোষ্ঠীক সন্দেহৰ চকুৰে চাইছে। ইয়াৰ ফলস্বৰূপে আমিবোৰে ইজনে সিজনৰ প্ৰতি থকা যি আন্তৰিকতা, বিশ্বাস, প্ৰেম হেৰুৱাই পেলাইছো। আমি প্ৰত্যেক এটা গোষ্ঠীয়ে আনটোৰ দ্বাৰা বা এটা জাতিয়ে আনটোৰ দ্বাৰা শোষিত হোৱা যেন অনুভৱ কৰিছো। পৃথিৱীত জীৱৰ ক্ৰমবিকাশৰ লগে লগে ইয়াত বসবাস কৰা প্ৰত্যেক জীৱয়েই গোটবান্ধি বাস কৰিবলৈ ধৰিছিল। তাৰ ফলস্বৰূপে পাৰস্পৰিক সহায় সহযোগিতা মনোভাৱ গঢ়ি উঠিছিল আৰু সেইবাবেই হয়তো কালক্ৰমত বিভিন্ন স্থানত বসবাস কৰা মানুহৰ মাজত আন্তৰিকতা, মৰম স্নেহ আদিৰ আদান প্ৰদান হৈছিল। সময়ত সেই বিভিন্ন অঞ্চলত বসবাস কৰা লোকসকলক এক নিৰ্দিষ্ট ভু-খণ্ডত পাৰস্পৰিক বুজাবুজিৰ মাজেৰে বসবাস কৰি এটা বৃহত্তৰ জীৱন সৃষ্টি হৈছিল আৰু তাৰবাবে হয়তো অসম নামৰ ভুখণ্ডত অসমীয়া জাতি নামেৰে বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰিত এটা বৃহৎ জাতি সৃষ্টি হৈছিল। অসমীয়া জাতিয়ে কোনো বিশেষ গোষ্ঠী বা শ্ৰেণীক নুবুজায়। ই বহু জনগোষ্ঠীৰ আন্তসংমিশ্ৰিত সৃষ্টি। এই জাতিলৈ যেনেকৈ কোনো জনগোষ্ঠীক আদৰি অনাৰ প্ৰয়োজনীয়তা নাছিল (যিহেতু ই স্বকীয় বান্ধোন) ঠিক তেনেকৈ ইয়াৰ পৰা উলিয়াই পোৱাৰো কোনো প্ৰশ্ন থাকিব নোৱাৰে, তেন্তে হঠাৎ কিহৰ অভাৱৰ বাবে আজি প্ৰত্যেক জনগোষ্ঠীয়ে নিজৰ ভাষা, সংস্কৃতি, ধৰ্ম ৰক্ষা কৰাৰ দোহাই দি স্বায়ত্ত শাসন বিচাৰি অসমৰ বৃহৎ জনজীৱন খণ্ড-বিখণ্ড কৰিব বিচাৰিছে। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদ অনুসৰি প্ৰত্যেক জাতি বা গোষ্ঠীয়ে নিজৰ নিজৰ ভাষা, কৃষ্টি, সংস্কৃতি আদি ৰক্ষা কৰিবৰ বাবে যিকোনো প্ৰচেষ্টা হাতত ল'ব পাৰে। তাৰ বিৰোধিতা কৰাৰ প্ৰশ্নই উঠিব নোৱাৰে কিন্তু এটা বৃহৎ জাতিক খণ্ড বিখণ্ড কৰি তেওঁলোকে কি কৃষ্টি সংস্কৃতি জীয়াই ৰখাৰ কল্পনা কৰিছে। প্ৰত্যেক জাতিত প্ৰত্যেক জনগোষ্ঠীত নিশ্চয় বহু এনে বুদ্ধিজীৱি আৰু সমাজত প্ৰতিষ্ঠিত ব্যক্তি যিসকলে ইয়াৰ ফলাফল নিশ্চয় হৃদয়ঙ্গম কৰিছে। কিন্তু তেওঁলোকে নীৰৱ দৰ্শক ৰূপে অৱস্থান লৈছে, নহ'লে কুটিল ৰাজনৈতিক পাকচক্ৰত পৰি তেওঁলোকে নিজৰ ৰূপ সলনি কৰিছে। জনগোষ্ঠীৰ স্বায়ত্ব শাসন বৰ্তমান এক ৰাজনৈতিক লুডু খেলত পৰিণত হৈছে। স্বায়ত্ব শাসন হৈছে ৬খন পিঠি থকা লুডুগুটি আৰু ৰঙা, নীলা, হালধীয়া আৰু কলপটীয়া গুটি বিলাক হৈছে ৰাজনৈতিক দল। যিসকলে লুডুগুটি দলিয়াই মাত্ৰ নিজৰ ৰাজনৈতিক ৰথ খনৰ দ্ৰুতি বঢ়াইছে। ইয়াত লুডু গুটি য'ত এটা মহুৰা মাত্ৰ। যিয়ে ইয়াত বেছি নম্বৰ উলিয়ায় তেওঁয়ে জয়ী হব।

হে সমাজৰ বিদ্যালোক, হে সমাজপ্ৰেমী ৰাইজ, হে আজিৰ ছাত্ৰ সমাজ এনে সাম্প্ৰতিক পৰিস্থিত আমাৰ কৰণীয় একো নাই নেকি? নে মাত্ৰ আমি নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰি এখন বোলছবি ছোৱাৰ/ উপভোগ কৰাৰ দৰে কেৱল দুখ প্ৰকাশ কৰি নাইবা চকুলো টুকি আমি আমাৰ দায়িত্ব শেষ কৰিম? হত্যা, শোষণ, লুণ্ঠন, ধৰ্ষণ, সন্ত্ৰাসবাদ আদি কোনো জাতি কোনো ভাষা কোনো গোষ্ঠীৰ সাপেক্ষে সংঘঠিত নহয়। এইবিলাক যেতিয়ালৈকে সমাজৰ পৰা আঁতৰ কৰা নহয়। তেতিয়ালৈকে কোনো জাতি, কোনো গোষ্ঠীৰ উন্নতি নহয়। এই আবৰ্জনাবিলাক পৰিস্কাৰ কৰিবলৈ আমি আমাৰ দায়িত্ব, কৰ্তব্যৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব আৰু তেতিয়াহে আমি নিজকে মানুহ আৰু জীৱশ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিব পাৰিম।

---

*১৪ পৃষ্ঠাৰ পৰা*

সময়ত প্ৰযোজ্য কৰিব পৰাকৈ লঘু মেচিনগান, ৰাইফল, ষ্টেনগান আদি অস্ত্ৰচালনাৰ প্ৰশিক্ষণ দিয়া হয়। আনহাতে যুদ্ধ আদিৰ সময়ত অথবা বিমান আক্ৰমণ, ভুঁইকঁপ, জুইলগা আদি দুৰ্যোগৰ সময়ত মানুহক কেনেকৈ সুৰক্ষা দিব লাগে, কেনেদৰে উদ্ধাৰ কৰিব লাগে তাৰো প্ৰশিক্ষণ দিয়া হয়।

N.C.C বহুতো সামাজিক কাৰ্যসূচীৰ লগতো জড়িত। N.C.C ৰ Cadet সকলে পালচ পলিঅ' খুওৱা, ট্ৰেফিক কণ্ট্ৰল, পৰিবেশ সচেতনতা কাৰ্যসূচী, কুষ্ঠ প্ৰতিৰোধী শিবিৰ, ৰক্তদান, কন্যাসন্তান সুৰক্ষা শিবিৰ আদিৰ জৰিয়তে সমাজৰ সকলো লোককে সচেতন কৰি তুলিবলৈ যত্ন কৰে।

এখন ৰাষ্ট্ৰৰ সু-নাগৰিকৰ বাবে দেশপ্ৰেমতকৈ উৰ্দ্ধত একো হ'ব নোৱাৰে। N.C.C ৰ Cadet সকলৰ মাজত দেশপ্ৰেমৰ ভাৱ জগাই তোলা হয়। N.C.C ৰ গীতটোত এনে এক শক্তি লুকাই আছে যে গীতটো গালে বা শুনিলেই দেশৰ প্ৰতি এক তীব্ৰ টান অনুভৱ কৰা হয়। N.C.C ৰ Cadet হ'লে কেৱল পুলিচ বা মিলিটাৰি হ'ব লাগিব এনে ধাৰণা ভুল। এনে শিক্ষাৰ্থীৰ মাজৰ পৰাই কোনোবা হয়তো ডাক্তৰ, কোনোবা ইঞ্জিনিয়াৰ, শিক্ষক, বিজ্ঞানী, ৰাজনৈতিক নেতা, খেতিয়ক হ'ব। কিন্তু এখন সুন্দৰ সমাজৰ বাবে এইসকল অতি প্ৰয়োজনীয় ব্যক্তি হ'ব লাগিব সামাজিক দায়িত্ববোধ থকা, নিষ্ঠাবান আৰু কৰ্তব্যপৰায়ণ। তেতিয়াহে এখন সমাজ, এখন দেশ প্ৰগতিৰ পথত আগুৱাই যাব পাৰিব। সেয়ে N.C.C ৰ Cadet সকলক সৎ, নিষ্ঠাবান, সময় সচেতন কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰা হয়। দেশেই আমাৰ বাবে সৰ্বস্ব। দেশৰ স্বাধীনতা অক্ষুণ্ণ থাকিলেহে আমিও স্বাধীনভাৱে জীয়াই থাকিব পাৰিম।

আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যত। গতিকে এখন সুস্থ সমাজৰ আশা কৰিলে ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষাৰে, উপযুক্ত পদ্ধতিৰে দেশপ্ৰেমী তথা সমজহিতৈষী কৰি তুলিব লাগিব। দেখা যায় যে এইক্ষেত্ৰত N.C.C ৰ ভূমিকা অতি ব্যাপক। গতিকে ছাত্ৰজীৱনত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিষয়জ্ঞান আয়ত্বৰ এক প্ৰাসঙ্গিকতা আছে বুলি আমি ভাবোহঁক।

Long Live N.C.C.

# ভাৰত গণৰাজ্যত শিশুৰ অধিকাৰ আৰু কৰ্তব্য

দীপজ্যোতি বৰা
*উঃ মাঃ প্ৰথমবৰ্ষ*

শিশু। অতি চিনাকি শব্দ। এই শব্দৰ অৰ্থ বিচাৰ কৰোতে আমি ১৩ বছৰ বয়সৰ অন্তৰ্গত ল'ৰা-ছোৱালীক বুজোঁ। কিন্তু আজিকালি ১৮ বছৰ বয়সৰ তলৰ সকলো ল'ৰা-ছোৱালীকে শিশুৰূপে ধৰা হয়। এই শিশুসকলক কম বয়সীয়া বুলি কামত কোনো গুৰুত্ব নিদিয়াটোৱেই হৈছে আমাৰ সমাজৰ এটি প্ৰধান দোষ। শিশুসকলৰ যিবোৰ অধিকাৰ আছে সেইবোৰ তেওঁলোকে লাভ কৰা উচিত আৰু তেওঁলোকৰ যিবোৰ কৰ্তব্য আছে সেইবোৰ তেওঁলোকে পালন কৰিবলৈ সম্পূৰ্ণ সুযোগো পোৱা উচিত।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে ১৯৪৭ চনৰ ১৫ আগষ্ট আৰু ভাৰতবৰ্ষ এখন গণৰাজ্যত পৰিণত হয় ১৯৫০ চনৰ ২৬ জানুৱাৰীত। ভাৰতবৰ্ষৰ সংবিধানত শিশুসকলক যথেষ্ট গুৰুত্ব দিয়া হৈছে কিন্তু বাস্তৱত সেই সুবিধা শিশুসকলে লাভ কৰিব পৰা নাই। ভাৰতবৰ্ষৰ যিটো নিৰ্বাচন পদ্ধতি, তাত শিশুসকলৰ সামান্যতমো স্থান নাই, সেয়েহে ৰাজনৈতিক নেতাসকলে প্ৰাপ্তবয়স্কসকলৰ গুৰুত্ব দিয়ে। ফলত শিশুসকল উপেক্ষিত হৈ ৰয়।

শিশুসকলৰ অধিকাৰসমূহে ৰক্ষা কৰিবলৈ আৰু তেওঁলোকৰ কৰ্তব্যৰ বিষয়ে জ্ঞান দিবলৈ UNICEF নামৰ এটি আন্তৰ্জাতিক শিশু সংস্থা আছে। এই অনুষ্ঠানটিয়ে যোৱা ৫০ বছৰে অবিৰামভাৱে শিশুৰ সেৱা কৰি আহিছে। ইয়াৰ বহুতো শাখা-প্ৰশাখা ভাৰতটো বিস্তাৰিত হৈ আছে। UNICEF য়ে শিশুসকলৰ বাবে ৫১ টা অধিকাৰ নিৰ্ধাৰিত কৰিছে আৰু ইয়াৰে চাৰিটা অধিকাৰ প্ৰধান অধিকাৰ ৰূপে গণ্য কৰা হয়। সেই অধিকাৰ চাৰিটা হ'ল– (১) জীয়াই থকাৰ অধিকাৰ, (২) বিকাশৰ অধিকাৰ, (৩) সুৰক্ষাৰ অধিকাৰ আৰু (৪) অংশগ্ৰহণৰ অধিকাৰ।

ভাৰতবৰ্ষটো এই চাৰিটা অধিকাৰকে মূল অধিকাৰ হিচাপে বিবেচনা কৰা হয়। চৰকাৰেও এই অধিকাৰসমূহ ভাৰতবৰ্ষৰ সকলো শিশুকে প্ৰদান কৰিবলৈ পাৰ্যমানে চেষ্টা কৰে। কিন্তু ভাৰতবৰ্ষৰ বিশালতা, ইয়াৰ অৰ্থনৈতিক অনগ্ৰসৰতা, জনসংখ্যা, দৰিদ্ৰতা, অন্ধবিশ্বাস আদিয়ে এই উদ্দেশ্যৰ আগত এক প্ৰাচীৰ ৰূপে থিয় দিছে। যিখন দেশৰ মুঠ জনসংখ্যাৰ প্ৰায় ৫ শতাংশ শিশু শ্ৰমিক, সেইখন দেশৰ শিশুসকলে তেওঁলোকৰ অধিকাৰসমূহ লাভ কৰাৰ কথা ভাবিবই নোৱাৰি। আজি আমাৰ সমাজত ধনী আৰু দুখীয়াৰ মাজৰ প্ৰভেদ দিনক দিনে বাঢ়ি আহিব ধৰিছে আৰু দৰিদ্ৰ শিশুসকল নিষ্পেষিত হৈ ৰৈছে। আজি ভাৰতবৰ্ষত আলিয়ে-পদূলিয়ে শিশুৰ মৃত্যু হ'বলৈ ধৰিছে। আমাৰ সমাজৰ নানা কু-সংস্কাৰ, অন্ধবিশ্বাসে শিশুসকলক দিশহাৰা কৰি তুলিছে। আমাৰ সমাজৰ এনে অৱস্থাই শিশুসকলৰ উচ্ছৃংখলতাৰ মূল কাৰণ হৈ পৰিছে।

ভাৰত গণৰাজ্যত শিশুসকলৰ যেনেদৰে অধিকাৰ আছে, তেনেদৰে তেওঁলোকৰ কিছুমান কৰ্তব্যও আছে। তেওঁলোকৰ প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন। তদুপৰি তেওঁলোকৰ পিতৃ-মাতৃ, শিক্ষাগুৰু, বিদ্যালয়, সমাজ আদিৰ প্ৰতি বহুতো কৰ্তব্য আছে। দেশৰ প্ৰতি তেওঁলোকৰ কৰ্তব্যসমূহ হৈছে– স্বদেশপ্ৰেমী হোৱা, সকলো বয়োজ্যেষ্ঠকে নিজৰ পিতৃ-মাতৃ আৰু সকলো শিশুকে নিজৰ ভাই-ভণী স্বৰূপে জ্ঞান কৰা, ৰাষ্ট্ৰীয় প্ৰতীক, ৰাষ্ট্ৰীয় সংগীত, ৰাষ্ট্ৰীয় পতাকাৰ শ্ৰদ্ধা আৰু সন্মান কৰা। সকলো ৰাষ্ট্ৰীয় সম্পত্তিৰ আদৰ কৰা, ৰাজনৈতিক চেতনাৰ আপ্লুত হোৱা, গণতন্ত্ৰক শ্ৰদ্ধা কৰা আৰু দেশৰ কল্যাণসাধন কৰা। কিন্তু আজিকালি প্ৰায়ভাগ শিশুৱেই কৰ্তব্যবিমুখ হ'বলৈ ধৰিছে। ইয়াৰ কাৰণ কি?

আজি ভাৰতত প্ৰতি ১৩ জন শিশুৰ আঠজন খাবলৈ পাইছে, দুজনে পোৱা নাই। সুবিধা পোৱাসকলে নিজৰ প্ৰতিভা প্ৰকাশ কৰিছে, সুবিধা নোপোৱাসকলৰ সেই প্ৰতিভা অন্তৰতে মৰহি যাবলৈ ধৰিছে। আজি দুজনে খাই পেলাই দিছে; আন এজনে তাকে বুটলি খাইছে। যিখন দেশৰ শিশুসকলৰ এনে অৱস্থা, সেই দেশৰ শিশুসকলৰ পৰা আমি কেনেকৈনো কৰ্তব্যসমূহ সুকলমে পালন কৰাৰ আশা কৰিব পাৰোঁ? অৱশ্যে আজিকালি সকলো সুবিধা লাভ কৰা কিছুমান শিশুৱেও নিজৰ কৰ্তব্যক পাহৰি পেলাইছে আৰু সমাজত উচ্ছৃংখলতা সৃষ্টি কৰিছে। এনে উচ্ছৃংখলতা দূৰ কৰিবলৈ শিশুসকলৰ মাজত সমতা অনাৰ প্ৰয়োজন।

ভাৰতৰ শিশুসকলক এনে এখন সমূহীয়া মঞ্চৰ প্ৰয়োজন যিয়ে তেওঁলোকৰ প্ৰতিভাসমূহক কোনো গঠনমূলক কামত ব্যৱহাৰ কৰে। UNICEF ৰ দৰে আন বহুতো শিশু অনুষ্ঠান ভাৰতত আছে। কিন্তু ভাৰতত এটা সৰ্বভাৰতীয় শিশু অনুষ্টানৰ প্ৰয়োজন। ভাৰতত অৰ্থৰ অভাৱ হ'ব পাৰে। কিন্তু নিঃস্বাৰ্থ ব্যক্তিৰ অভাৱ নহয়। ভাৰতত এতিয়াও এনে বহুতো ব্যক্তি আছে যিয়ে শিশুৰ উন্নতিৰ হকে আহোপুৰুষাৰ্থ কৰিছে।

আজিৰ শিশু কাইলৈ দেশৰ ধৰণী, আজি যদি আমি শিশুসকলক সুস্থ, সবল আৰু চৰিত্ৰবান ৰূপে গঢ়ি তুলিব নোৱাৰোঁ, তেন্তে কাইলৈৰ ভাল শাসকৰ আশা কৰি লাভ নাই। আজি ৰাৰত গণৰাজ্যত শিশুসকলে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ লাভ কৰা নাই। তেওঁলোকৰ অধিকাৰ ৰক্ষা কৰিবলৈ ভাৰতত তেনে কোনো বিশেষ সংবিধানো নাই বা শিশুসকলে তেওঁলোকৰ অধিকাৰ ৰক্ষা কৰিবলৈ ন্যায়ালয়ৰ কাষ চাপিবলৈও সমৰ্থ নহয়। তেন্তে তেওঁলোকৰ অধিকাৰ কোনে ৰক্ষা কৰিব?

তেওঁলোকৰ অধিকাৰসমূহ ৰক্ষা কৰিব লাগিব সমাজৰ জ্যেষ্ঠসকলেই। এই দায়িত্ব কেৱল চৰকাৰৰ নহয়, এই দায়িত্ব আমাৰ সকলোৰে। তেন্তে আহক, আমি সকলোৱেই শিশুসকলক তেওঁলোকৰ প্ৰাপ্য অধিকাৰ প্ৰদান কৰি তেওঁলোকৰ দায়িত্বসমূহ সোঁৱৰাই দি এখন সুস্থ, সবল আৰু সমুজ্বল ভাৰতবৰ্ষ গঢ়ি তোলাৰ সংকল্প লওঁ।

# "দি লেডী অফ্ দি লেম্প্" — নামেই যাৰ পৰিচয়......

খনিন্দ মাধৱ শইকীয়া
*স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত;
অভিনয় শেষ হ'লে, আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত॥"

—আনন্দ চন্দ্ৰ আগৰৱালা

সময়ৰ বলুকাৰাশিত খোজৰ সাঁচ ৰাখি যোৱা বিশ্ববৰেণ্য মহান ব্যক্তিসকলৰ ভিতৰত এগৰাকী স্বনামধন্যা মহিয়সী হ'ল ইটালীৰ ফ্ল'ৰেন্স চহৰৰ এক আঢ্যৱন্ত পৰিয়ালত জন্মগ্ৰহণ কৰা ফ্ল'ৰেন্স নাইটিংগেল। নগৰখনৰ নামটো ভাল লগাৰ বাবেই হয়তো মাক-দেউতাকে তেওঁলোকৰ কন্যাৰ নামো ফ্ল'ৰেন্স ৰাখিলে।

এইগৰাকী স্বনামধন্যা মহিয়সীৰ বয়স তেতিয়া মাত্ৰ সোতৰ বছৰ। এই কম বয়সতেই তেওঁ এক মহান কৰ্মৰ প্ৰতি ভগবানৰ আহ্বান শুনিবলৈ পালে ১৮২০ চনত জন্মগ্ৰহণ কৰা ফ্ল'ৰেন্সে পিতৃ-মাতৃৰ তীব্ৰ আপত্তি সত্বেও তেওঁ ১৮৪৪ চনত পৰিচাৰিকা হিচাবে ৰোগীৰ সেৱা শুশ্ৰূষা কাৰ্যত যোগ দিয়াৰ দৃঢ় সংকল্প গ্ৰহণ কৰে। অৱশ্যে সেই সময়ত পিতৃ-মাতৃয়ে আপত্তি কৰাৰ যথেষ্ট কাৰণো আছিল; সেইসময়ৰ অস্বাস্থ্যকৰ চিকিৎসালয়সমূহত থকা অশিক্ষিতা পৰিচাৰিকাসমূহ, যিবিলাকৰ সমাজত ভাল স্থান নথকাটোও আছিল অন্যতম কাৰণ। তথাপি তাইৰ দৃঢ় সংকল্পৰ বাবেই মাক-দেউতাকে প্ৰথমে ওচৰে-পাঁজৰে থকা চিকিৎসালয়সমূহ চাবলৈ অনুমতি দিলে। এই চিকিৎসালয়সমূহৰ পৰিবেশৰ লগতে অন্যান্য সমস্যাসমূহৰ বিষয়ে অধ্যয়ন কৰি সেইবিলাকৰ কেনেদৰে উন্নতি কৰিব পাৰি তাৰ ভাৱনাতেই ডুব গৈ থাকিব ধৰিলে ফ্ল'ৰেন্সে। হয়তো ইয়াৰ ফলস্ৰোতিতেই তেওঁ পাছলৈ বিভিন্ন পৰিস্থিতিতো বিচক্ষণতাৰ পৰিচয় দি ৰোগীসকলৰ সেৱা কৰি যাবলৈ সক্ষম হয়।

ফ্ল'ৰেন্সে ১৮৫১ চনত জাৰ্মানীৰ কেইজাৰৱৰ্থত গীৰ্জাৰ সেৱিকাসকলৰ পৰিচাৰিকা হিচাবে কাম কৰাৰ অনুমতি আদায় কৰে পিতৃ-মাতৃৰ পৰা। কিন্তু ইয়াৰ দুবছৰৰ পাছত তেওঁ যেতিয়া লণ্ডনৰ 'হ'ল ষ্ট্ৰীটত থকা ভদ্ৰ মহিলা এগৰাকীৰ চিকিৎসালয় এখনৰ অধীক্ষকৰ পদত সোমাব বিচাৰিলে তেতিয়া তেওঁৰ ঘৰৰ পৰা পুনৰবাৰৰ বাবে দুৰ্যোৰ আপত্তি আহিল। এইবাৰ তেওঁ সেই আপত্তিলৈ পিঠি দি নতুন নতুন কৰ্মৰ পাতনি মেলে। ইয়াতেই তেওঁৰ অন্তৰ্নিহিত প্ৰতিভাই নৱ ৰূপত প্ৰস্ফুতিত হোৱাৰ সুবিধা লাভ কৰে। তেওঁৰ চিকিৎসালয়ৰ সংগঠন জ্ঞানৰ লগতে অসাধাৰণ দক্ষতা দেখি সকলো আচৰিত হয়।

১৮৫৪ চনত সংঘটিত হোৱা ঐতিহাসিক ক্ৰিমিয়াৰ যুদ্ধত ফ্ল'ৰেন্স নাইটিংগেলে যি সেৱা আগবঢ়ালে সেয়া তেওঁৰ অসাধাৰণ মানৱ প্ৰেমৰ জ্বলন্ত উদাহৰণ। এই যুদ্ধত ইংৰাজসকলে তুৰ্কীসকলৰ পক্ষলৈ ৰুছিয়াৰ বিৰুদ্ধে থিয় দিছিল। সেই বছৰৰে অক্টোবৰ মাহত অৰ্থাৎ যুদ্ধ আৰম্ভ হোৱাৰ সাত মাহৰ পাছত ইংলেণ্ডলৈ খবৰ আহিল যে যুদ্ধত আহত বহু ৰোগীয়ে উপযুক্ত যত্নৰ অভাৱত আকৰ্ষণীয় যাতনা ভুগিছে। এই খবৰ পোৱাৰ লগে লগে ফ্ল'ৰেন্স বিচলিত হৈ পৰে আৰু যিমান সোনকালে পাৰে যুদ্ধ ক্ষেত্ৰলৈ যোৱাৰ চেষ্টা কৰে। তেওঁৰ এই অভিযানত তেওঁৰ ঘনিষ্ঠ বন্ধু, ইংলেণ্ডৰ যুদ্ধ সচিব চিদলী হাৰ্বাৰ্টে তেওঁক যথেষ্ট সহায় কৰিলে। তেওঁ অৰ্থাৎ হাৰ্বাৰ্টে ফ্ল'ৰেন্সক এদল সুদক্ষা পৰিচাৰিকা লৈ স্কুটাৰীৰ সামৰিক চিকিৎসালয়লৈ যোৱাৰ সু-ব্যৱস্থা কৰি দিয়ে।

অৱশেষত অক্টোবৰ মাহৰ ২১ তাৰিখে ফ্ল'ৰেন্সে লগত ৩৮ (আঠত্ৰিশ) গৰাকী পৰিচাৰিকা লৈ ইংলেণ্ডৰ পৰা স্কুটাৰীলৈ যাত্ৰা আৰম্ভ কৰে। স্কুটাৰীত উপস্থিত হৈ চিকিৎসালয়খনৰ বিভৎস ৰূপ দেখি তেওঁ স্তম্ভিত হৈ পৰে। অপৰিস্কাৰ চিকিৎসালয়খনৰ চৌপাশ আৱৰ্জনাৰে পৰিপূৰ্ণ, ৰোগীৰ যৎসামান্য বস্ত্ৰ, নামমাত্ৰ অপুষ্টিকৰ আহাৰ, শুশ্ৰূষাৰ অভাৱ এই সকলোবিলাক তেওঁৰ মানৱ-প্ৰেমী হৃদয়খনক জোকাৰ মাৰি তুলিলে। অকণো সময় খৰচ নকৰি ফ্ল'ৰেন্সে অতি সাহস আৰু কঠোৰ পৰিশ্ৰমেৰে চিকিৎসালয়খন সংগঠিত কৰি তুলিলে। সম্পূৰ্ণ দিন কামত মজি থকাৰ পিছতো প্ৰতি নিশাই হাতত লণ্ঠন লৈ তেওঁ প্ৰতিটো কোঠাৰেই প্ৰতিজন ৰোগীক এষাৰ মৰমৰ মাতেৰে 'শুভৰাত্ৰি' জনাই আহিছিল। সেয়েহে স্কুটাৰীৰ চিকিৎসালয়ৰ ৰোগীসকলে তেওঁক দেৱীজ্ঞান কৰি মৰমতেই হওক বা শ্ৰদ্ধাতেই হওক "The Lady of the Lamp" "বন্তিধাৰী আই" বুলি সম্বোধন কৰিছিল। তেওঁৰ বাবেই বা তেওঁৰ সেৱাৰ ফলস্বৰূপেই অনেক মৃত্যুমুখী আহত সৈনিকো সুস্থ হৈ উঠিছিল।

স্কুটাৰীত দিনে ২০ ঘণ্টাকৈ কাম কৰিবলৈ লোৱা ফ্ল'ৰেন্সৰ স্বাস্থ্যৰ ক্ৰমান্বয়ে অৱনতি ঘটে আৰু অসুস্থ দেহাৰেই তেওঁ ১৮৫৬ চনত ইংলেণ্ডলৈ প্ৰত্যাৱৰ্তন কৰে। ইংৰাজসকলে তেওঁক বীৰাঙ্গনা সন্মান দি তেওঁৰ বাবে ৪৫,০০০ পাউণ্ড (পঞ্চল্লিষ হাজাৰ পাউণ্ড) অৰ্থ সংগ্ৰহ কৰি তেওঁক স্ব-ইচ্ছাই খৰচ কৰিবলৈ দিয়ে। এই ধনখিনিও তেওঁ মানৱসেৱাতেই খৰচ কৰিবলৈ মন মেলিলে আৰু লণ্ডনৰ চেণ্ট টমাছ চিকিৎসালয়ত "Nitingle Training School For Nurses." (নাইটিংগেল্ ট্ৰেইনিং স্কুল্ ফৰ নাৰ্চেচ্) নামৰ এক পৰিচাৰিকাৰ কেন্দ্ৰ স্থাপন কৰে। এনেকৈয়ে পৰিচাৰিকা প্ৰকৃত শিক্ষা ব্যৱস্থাৰ সূত্ৰপাত হয়। ১৮৮৭ চনত সৈনিকসকলৰ স্বাস্থ্য-ব্যৱস্থা অধ্যয়নৰ বাবে তেওঁ এটা আয়োগ গঠন কৰিছিল।

ফ্ল'ৰেন্স নাইটিংগেলক ১৯০৭ চনত ইংলেণ্ডৰ ৰজা সপ্তম এডৱাৰ্ডে "অৰ্ডাৰ অৱ মেৰিট" (Order of Merrit) উপাধিৰে সন্মানিত কৰে। এইগৰাকী মহান মহিয়সীয়ে নিজৰ ত্যাগৰদ্বাৰা মানৱ সেৱাৰ যি দৃষ্টান্ত দেখুৱাই গ'ল সি সঁচাই প্ৰশংসনীয়। তেওঁৰ ১৯১০ চনৰ ১৩ অক্টোবৰত দেহাবসান ঘটে; কিন্তু তেওঁ তেওঁৰ কৰ্মৰ আদৰ্শৰে সমগ্ৰ বিশ্ববাসীৰ অন্তৰত আজিও বৰ্তমান॥

# চিন্তা

শ্ৰীৰূপশ্ৰী ফুকন
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

'চিন্তা' বুলি ক'লে স্বাভাৱিকতে আমাৰ মনলৈ এটা প্ৰশ্নৰ আগমন হ'ব পাৰে —"চিন্তা কি?" এই প্ৰশ্নৰ উত্তৰত আমি বিভিন্ন চিন্তাবিদে দিয়া সংজ্ঞাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিব লাগিব।

এজন চিন্তাবিদে কৈছে যে– "চিন্তা হ'ল এক বিশেষ ক্ষমতাৰ আকৰ। মানুহ এজন সঁচাই চিন্তা কৰাৰ ক্ষমতাৰ পৰাই এজন ধনী বা প্ৰভাৱশালী ব্যক্তি হৈ উঠিব পাৰে।"

এজন গ্ৰীক দাৰ্শনিক কবিয়ে চিন্তা সম্পৰ্কে তেওঁৰ মত পোষণ কৰি কৈছিল– "চিন্তা নামৰ বস্তুবোৰৰ এটা নিজস্ব অস্তিত্ব আছে সুচিন্তাই আপোনাৰ জীৱনত ভাল প্ৰভাৱ পেলায় আৰু বেয়া বা দুঃচিন্তাই আপোনাৰ জীৱনত বেয়া প্ৰভাৱ পেলায়।"

আন এজন ৰোমান চিন্তাবিদে কৈছিল– "এটা দৃঢ় বলিষ্ঠ, আশাবাদী সত্তাৰ পৰা উজ্বল চিন্তা-তৰংগ প্ৰেৰণ কৰক, তেনেহ'লে দেখিবলৈ পাব পৃথিৱীয়েও আপোনাক আৰু অধিক আলোকোজ্বল চিন্তা ঘূৰাই দি আপোনাক সহায় কৰিব।"

ভাল লাগিছে। তেতিয়া আনজনে টপৰাই মাত লগালে যে তোমাৰ মনত এইসময়ত নিশ্চয় দুঃচিন্তা নাই কেৱল সুচিন্তাই বিৰাজ কৰি আছে। ইজনে তেতিয়া তেওঁৰ কথাত সন্মতি প্ৰকাশ কৰিলে। আমাৰ এইটো সকলোৰে অভিজ্ঞতা আছে যে আমি যদি বহুদিনৰ মূৰত এটা দীঘলীয়া ভ্ৰমণৰ বাবে যাওঁ তেতিয়া আমাৰ মনটো বৰ ভাল লাগে। এইবোৰ মনৰ চিন্তাৰ ওপৰতেই নিৰ্ভৰ কৰে।

কিন্তু দুঃচিন্তা কি? এই দুঃচিন্তা হ'ল আমাৰ মনৰ এক ক্ষতিকাৰক মানসিক প্ৰক্ৰিয়া। দুঃচিন্তাই আমাক মানসিকভাৱে বা শাৰীৰিকভাৱে অনিষ্ট কৰে বুলি আমাৰ জ্ঞাত, কিন্তু আমি দুঃচিন্তা কিয়? আজিকালি মানুহৰ মুখত প্ৰায়ে শুনা যায় যে "মই চিন্তা কৰি কৰি বেমাৰী হৈ পৰিছোঁ।"– এই কথাষাৰৰ পৰা আমাৰ বুজাটো স্বাভাৱিক যে তেওঁ নিশ্চয় দুঃচিন্তা কৰিছে। কাৰণ সুচিন্তাই মানুহক বেমাৰী নকৰে বৰং মানসিক আৰু শাৰীৰিকভাৱে সুষ্ঠ কৰি তোলে। এজন ডাক্তৰে ৰোগী এজনক ৰোগ পৰীক্ষা কৰাৰ আগতে প্ৰথমেই মানসিকভাৱে সুষ্ঠ কৰি তুলিবলৈ কয়।

**সুচিন্তাৰ দ্বাৰা আমাৰ মন আৰু শৰীৰ ভালে থকাৰ লগতে ইয়াৰ দ্বাৰা আমাৰ জীৱন এক উন্নতিৰ পথত অগ্ৰসৰ হয় আৰু ই আমাৰ মনৰ এক গঠনকাৰী মানসিক অৱস্থা।**

উপৰোক্ত চিন্তাবিদকেইজনে চিন্তাৰ বিষয়ে পোষণ কৰা মতৰ পৰা আমি চিন্তাৰ বিষয়ে এটা থূলমূল আভাস পাব পাৰোঁ। চিন্তাবিদ কেইজনে দিয়া মতৰ পৰা আমি জানিব পাৰো যে চিন্তা বিভিন্নধৰণৰ হ'ব পাৰে। উদাহৰণস্বৰূপে আমি সুচিন্তা আৰু দুঃচিন্তাৰ বিষয়ে ক'ব পাৰোঁ।

প্ৰথমতে, সুচিন্তাৰ বিষয়েই চোৱা যাওক। ই এক মানসিক প্ৰক্ৰিয়া যাৰ দ্বাৰা আমি মনক সুগঠিত কৰিব পাৰো। সুচিন্তাৰ দ্বাৰা আমাৰ মন আৰু শৰীৰ ভালে থকাৰ লগতে ইয়াৰ দ্বাৰা আমাৰ জীৱন এক উন্নতিৰ পথত অগ্ৰসৰ হয় আৰু ই আমাৰ মনৰ এক গঠনকাৰী মানসিক অৱস্থা। কিন্তু আজিকালি মানুহৰ মনত সুচিন্তাতকৈ দুঃচিন্তাইহে অধিক স্থান পায়। এইখিনিতে এটা কথা মনত ভুমুকি মাৰে– এবাৰ দুজন বন্ধুৱে এটা ভ্ৰমণৰ বাবে যাওঁতে এজন বন্ধুৱে ক'লে যে তেওঁৰ মনটো আজি বোলে বৰ

ডাক্তৰে কিয় তেনেকৈ কয়? আমি ইয়াৰ দ্বাৰা নিশ্চয় বুজি উঠিম যে নিশ্চয় মানুহৰ ৰোগ নিৰাময়ৰ লগত মানসিক চিন্তাও পৰোক্ষভাৱে জড়িত। সেইগতিকে আমি দুঃচিন্তাৰ পৰা বিৰত থাকিব লাগে।

দুঃচিন্তাৰ উৎস হ'ল ভয়। এইটো কাম চলে অত্যন্ত ধীৰ গতিৰে, কিন্তু ধাৰাবাহিকভাৱে অহৰহ। দুঃশ্চিন্তা হ'ল আমাৰ মনত জাগি উঠা এক ধৰণৰ ভয়, যাৰ দ্বাৰা আমাৰ সিদ্ধান্ত লোৱা ব্যৰ্থতাৰ পৰাই জন্ম লয়। কোনো বস্তুৱে আমাৰ মনত সৃষ্টি কৰা ভয়েই আমাৰ মনত অস্থিৰতাৰ সৃষ্টি কৰি দুঃচিন্তাৰ সৃষ্টি কৰে।

আমি দেখা পালো যে, সুচিন্তাই আমাক মানসিক আৰু শাৰীৰিকভাৱে যিমান উপকাৰ কৰে দুঃচিন্তাই কিন্তু সিমান অপকাৰহে কৰে। সেয়েহে আমি দুঃচিন্তা পৰিত্যাগ কৰি সুচিন্তা আকোঁৱালি লোৱা উচিত।

# স্কুলীয়া জীৱনৰ স্মৃতি

জেচিম আহমেদ
*উঃ মাঃ প্ৰথম বৰ্ষ (কলা)*

অতীত স্মৃতিৰ বান্ধোন জৰীডাল মন, প্ৰাণ আৰু হৃদয়ৰ অসীম সাগৰত বুৰ গৈ থাকে যদিও জীৱনৰ ঘাত প্ৰতিঘাত সম্পন্ন কোনো এটা ব্যাকুল মুহূৰ্তত বেদনাৰ হুলে বিন্ধা মাত্ৰেই স্মৃতিয়ে নীৰৱ ভাষাৰে সেইজনাক কৈ উঠে মই তোমাৰ মনৰ বননিত প্ৰাণৰ সমীৰণত আৰু হৃদয়ৰ প্ৰতিটো খুটালিতে চিৰ যুগমীয়া আৰু স্বতঃস্ফূৰ্ত ৰূপে মনৰ মজিয়াখনি স্মৃতিৰ সেই শোকত আকুল নাইবা আনন্দত মতলীয়া হোৱা স্নেহময়ী স্মৃতি জলকণিয়ে বুৰাই পেলাই।

স্মৃতিৰ স্বপ্নময়ী প্ৰতিচ্ছবিখনি নানাজনৰ নানান ধৰণৰ সাতোৰহণীয়া সীমাহীন সূৰুযমালাৰে সপোন ৰাজ্যত সিঁচৰতি। ইয়াৰ মাজেৰে কিছু সংখ্যকৰ নয়নমণি স্বৰূপ শৈশৱৰ সোণালী দিনবোৰ। এই শৈশৱৰ কোলাতেই আকৌ লুকাই আছে বিদ্যাৰূপী বৃক্ষৰ প্ৰথমা খোজত অৱতীৰ্ণ হোৱা স্কুলীয়া দিনবোৰ।

স্মৃতিৰ স্বপ্নময়ী প্ৰতিচ্ছবিখনি নানাজনৰ নানান ধৰণৰ সাতোৰহণীয়া সীমাহীন সূৰুযমালাৰে সপোন ৰাজ্যত সিঁচৰতি। ইয়াৰ মাজেৰে কিছু সংখ্যকৰ নয়নমণি স্বৰূপ শৈশৱৰ সোণালী দিনবোৰ।

মোৰ জ্ঞান ভাণ্ডাৰে আকোৱালি থোৱা স্মৃতিতো শৈশৱৰ সেই বিদ্যামন্দিৰ জড়িত কিছুমান পৰিস্কাৰ ছবিৰ কথা মনলৈ আহে। মোৰ মনীষাই বুটলি ৰখা এই স্কুলীয়া স্মৃতিৰ দিনবোৰত লগৰীয়াৰ সতে প্ৰাণেৰে প্ৰাণৰহৃদয়েৰে হৃদয়ৰ লগত উমলি মনৰ স্মৃতিৰ ভঁৰাল ক'ত যে চহকী কৰিলো তাক ভাষাৰে বিৰৰিব নোৱাৰিম। স্কুলৰ প্ৰতিটো কথা, প্ৰতিটো হাঁহি, প্ৰতিপল বেজাৰৰ সমভাগী আছিল মোৰ স্কুলীয়া বন্ধুবৰ্গ। আকৌ সিহঁতক তথা মোক (আমাক) প্ৰতিটো খুজতেই অনুপ্ৰেৰণা সীমাহীন স্নেহ, জ্ঞান, সহানুভূতি আদি বাৰুকৈ জাচোতা আছিল আমাৰ চিৰকৃতজ্ঞ চাৰ-বাইদেউসকল। অৱশেষত এই সকলোটিকে একেডাল বান্ধোন জৰীৰে বান্ধি ৰাখোতা আছিল আমাৰ চিৰচেনেহী বিদ্যামন্দিৰটি।

স্কুলত থকা আজৰি সময়ত লগৰ লগৰীয়াবোৰৰ স'তে অফুৰন্ত ধেমালি, প্ৰবঞ্চনা, খেলা-ধূলা আদি স্বাভাৱিক কাৰ্যকলাপ তথা অন্যান্য স্কুলত আয়োজন কৰা বিজ্ঞান প্ৰদৰ্শনী কুইজ প্ৰতিযোগিতা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আদিত গৈ একেলগে যোগদান কৰা আৰু সেই সুযোগতেই সেই স্কুলৰ ছাত্ৰ-ছাত্ৰীসমূহৰ লগত বন্ধুত্ব স্থাপন কৰাৰ লগতে প্ৰতিযোগিতাসমূহত পুৰস্কাৰ লাভ কৰি নিজা স্কুললৈ সু-নাম কঢ়িয়াই অনা আমাৰ বাবে আছিল স্কুলীয়া জীৱনৰ মোহাৰিব নোৱাৰা এক মধুৰ ক্ষণ য'ত আমাৰ এই কৃতকাৰ্যতাসমূহক দুগুণ উৎসাহেৰে আদৰি লৈছিল আমাৰ চাৰ বাইদেউসকলে।

শিক্ষকৰ ক্ষণমাত্ৰ অবাধ্যকৰ হ'লেও আমাৰ বাবে তেওঁলোক অতিকৈ শ্ৰদ্ধাৰ অতিকৈ আদৰৰ। কোনো ক্ষেত্ৰত তেখেতসকলে দিয়া আদেশ আমাৰ ভুল মৰ্মে স্বীকাৰ নকৰিছিলো কিন্তু তাক সুধৰাবলৈ বা পুনৰাই নকৰিবলৈ আমি চাৰ বাইদেউসকলক পুনঃ পুনঃ প্ৰতিশ্ৰুতি দিছিল আৰু আমাৰ আদৰ্শময়ী সেই জ্ঞানৰ গুৰুসকলে আমাক তেখেতসকলৰ ক্ষমাৰ পাত্ৰৰ একাজলী পানী খাবলৈ সুযোগকণ দিছিল অকল এই ক্ষেত্ৰতে নহয় স্কুলত আয়োজন কৰা প্ৰায় সকলোবোৰ ধৰ্মীয় অনুষ্ঠান খেল-ধেমালিৰ অনুষ্ঠান প্ৰতিযোগিতামূলক অনুষ্ঠান আদি সকলোবোৰ বিদ্যালয় সম্বন্ধীয় আয়োজনতে তেখেতসকলে মাক আগভাগ দি জীৱনৰ সংগ্ৰামত আগৰণুৱা হৈ থিয় দিব পৰাকৈ সক্ষম কৰি তুলিবলৈ আমাৰ সুপ্ত প্ৰতিভাক জাগ্ৰত কৰিছিল।

জ্ঞান-ধেমালিৰ সম্ভাৰৰ কণ-কণ, পল-পল এই ক্ষণসমূহক বুটলি ৰখা একমাত্ৰ ঠাইখনিয়েই হৈছে আমাৰ চিৰ চেনেহী বিদ্যালয়খনি। যিখনিয়েই সপ্তাহৰ প্ৰায় ছয়োটা দিন সূৰ্য উদয়ৰ কিছুসময়ৰ পাছৰে পৰা অৰ্থাৎ 'ন' মান বজাৰে পৰা সুখ-দুখৰ পথ প্ৰদৰ্শক। জ্ঞান-জ্যোতি, ভক্তি, শুদ্ধ-আচৰণ, ধেমালি এই সকলোটিকেই স্বতঃস্ফূৰ্তৰূপে আমাৰ গালৈ এক স্মৰণীয় কীৰণেৰে বিলাই সমষ্ট সু-গুণ সম্পন্ন এক মানৱী জীৱন গঢ়াৰ প্ৰথমা খোজটি নিজ চোটালেৰেই আগবাঢ়ি যাবলৈ সুযোগকণি আগবঢ়ালে। মোৰ অন্তৰৰ মাজৰ কোনো এটি খোটালিত আজিও যেন জীৱিত এই প্ৰাণভৰা আপোন আপোন যেন লগা এই মৃণময়ী স্মৃতি। কেৱল মইয়েই নহয় যিজনে কাষৰ পৰা নিজৰ স্কুলীয়া দিনবোৰৰ প্ৰতিটো পলক নিজ নয়নেৰে বুটলি হৃদয়ত সাঁচি ৰাখিছে সেইজনৰ হৃদয়ত হয়তো আজিও অতীতৰ সেই দিঠক আৰু বৰ্তমানৰ অক্লান্ত গভীৰ সাগৰত বুৰ যোৱা স্বপ্নময়ী স্মৃতিয়ে কোনো অকলশৰীয়া নাইবা বেদনাৰ কোনো কৰুণ মুহূৰ্তত ওভতাই আনে অসীমত বুৰ যোৱা স্মৃতিৰ সেই গভীৰ সমীৰণকণি। লগতে হয়তো নিজ নয়ন জলে ভৰি দুধাৰি গালেৰে বৈ কাটৰ ভাষাৰে ক'বলৈ খোজে পুনৰাই ঘূৰাই দিয়া শৈশৱৰ সেই মোৰ সোণালী আখৰেৰে লিখি থৈ দিয়া মৃদু স্মৃতি। হয়তো প্ৰতিধ্বনিয়েও কৈ উঠে ঘূৰাই দিয়া।

# বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা

চমিতা আছফিয়া চিৰিন
*স্নাতক দ্বিতীয় বৰ্ষ, বুৰঞ্জী বিভাগ*

অসমীয়া ভাষত ব্যৱহৃত বুৰঞ্জী শব্দটো আহোম সকলৰ দান। আহোম সকলৰ মতে বু-মানে মূৰ্খ, ৰণ মানে শিক্ষা আৰু জী -ৰ অৰ্থ হৈছে ভঁৰাল। অৰ্থাৎ বুৰঞ্জী শব্দটোৰ অৰ্থ হৈছে মূৰ্খৰ শিক্ষাৰ ভঁৰাল। বুৰঞ্জী বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। কিয়নো নিজ অঞ্চল আৰু দেশ-বিদেশৰ বিষয়ে ভালকৈ নাজানিলে জ্ঞান অসম্পূৰ্ণ হৈ থাকে। সেয়েহে প্ৰতিজন নাগৰিকৰে বুৰঞ্জীৰ জ্ঞান থকাটো অপৰিহাৰ্য্য।

বুৰঞ্জী হৈছে মানৱ জাতিৰ মেৰুদণ্ড স্বৰূপ। বুৰঞ্জী বিহীন জাতি পঙ্গু স্বৰূপ। বুৰঞ্জী মানৱ সভ্যতাৰ দাপোন সদৃশ। য'ত প্ৰত্যেক যুগৰ প্ৰত্যেক জাতিৰ ছবি প্ৰতিফলিত হয়। বুৰঞ্জীয়ে কেৱল ৰজা-মহাৰজাসকলৰ যুদ্ধ-বিগ্ৰহৰ কাহিনীকে বুকুত বান্ধি থয় বুলি কলে ভুল কোৱা হ'ব। প্ৰকৃতাৰ্থত বুৰঞ্জী হৈছে প্ৰত্যেক যুগৰ মানৱ সভ্যতাৰ উত্থান-পতনৰ বাস্তৱ চিত্ৰ।

বুৰঞ্জী মানৱ জাতিৰ এটা অবিচ্ছেদ অংগ। কিন্তু বুৰঞ্জী যে কেৱল মানুহৰ সৈতেহে জড়িত এনে নহয়, ই পৃথিৱীৰ প্ৰত্যেক বিষয়ৰ লগত জড়িত। অৰ্থাৎ বুৰঞ্জী হৈছে সৰ্ব্বব্যাপী। এনে এটা সৰ্ব্বব্যাপী বিষয়ৰ জ্ঞান আহৰণ কৰাটো কিমান প্ৰয়োজনীয় সেয়া বুৰঞ্জীৰ জগতত ভুমুকি মাৰিলেই বুজিব পাৰি ।

আহোম সকলৰ শাসনকালত আহোম স্বৰ্গদেউসকলে বুৰঞ্জী লিখা আৰু পঢ়া দুয়োটাই অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। আহোম ৰাজকোঁৱৰসকলক পৰৱৰ্ত্তী ৰজা হ'ব পৰাকৈ যিবোৰ শিক্ষা প্ৰদান কৰা হৈছিল তাৰ ভিতৰত বুৰঞ্জী শিক্ষাক অপৰিহাৰ্য বুলি গণ্য কৰা হৈছিল। আহোম সকলৰ ছশ বছৰীয়া শাসন কালৰ ইও এক মুখ্য কাৰণ হ'ব পাৰে । কাৰণ বুৰঞ্জী অধ্যয়ণৰ ফলত পঢ়োতাৰ মনত দেশপ্ৰেম, পূৰ্ব্বপুৰুষ আৰু অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু সহিষ্ণুতাৰ উদয় হয় ।

কেৱল আহোমেই নহয় ইংৰাজ আৰু প্ৰাচীন গ্ৰীচসকলো বুৰঞ্জী অধ্যয়নত আগৰণুৱা আছিল। মধ্যযুগৰ ফ্ৰান্সিচ বেকন্ নামৰ ইংৰাজ বিদ্বান এজনে কৈছিল, "বুৰঞ্জী অধ্যয়নে মানুহক জ্ঞানী কৰে"। আকৌ গ্ৰীচত যিসময়ত দাস প্ৰথাৰ প্ৰচলন আছিল সেই সময়ত অভিজাত সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে বুৰঞ্জীৰ শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক আছিল। ইয়াৰ উপৰিও বুৰঞ্জীৰ জ্ঞান নাথাকিলে গ্ৰীচ দেশৰ ডেকাই ৰাজনীতি আৰু সামৰিক বাহিনীত নিযুক্ত হোৱাৰ পৰা বঞ্চিত হৈছিল।

বৰ্তমান সময়ত যুদ্ধ-বিগ্ৰহ আৰু সন্ত্ৰাসবাদে যিদৰে ছানি ধৰিছে তেনে সংকটৰ সময়ত সমগ্ৰ মানৱ জাতিৰ ৰক্ষাৰ বাবে প্ৰত্যেক ব্যক্তিৰ অন্তৰত কিছু পৰিমাণে হ'লেও নিজ দেশৰ প্ৰতি প্ৰেম আৰু আন দেশৰ প্ৰতি শ্ৰদ্ধাৰ প্ৰয়োজন। আৰু এনে প্ৰেম আৰু শ্ৰদ্ধা উদ্ভাৱনৰ প্ৰধান আহিলা হ'ল বুৰঞ্জী অধ্যয়ণ ।

প্ৰত্যেক শিশুক সু-নাগৰিক হিচাপে গঢ়ি তুলিবৰ বাবে শৈশৱৰ পৰাই বুৰঞ্জীৰ জ্ঞান দিয়াটো প্ৰয়োজনীয়। বয়োজ্যেষ্ঠসকলে প্ৰাচীন কাহিনী, উপ্যাখ্যান আদিক গল্প আকাৰত শিশুক শুনালে শিশুৰ অন্তৰত অতীতৰ প্ৰতি আকৰ্ষণ জাগি উঠে। শিশুৱে নৈতিক জ্ঞান আহৰণ কৰাৰ লগতে ভাল-বেয়াৰ বিচাৰো কৰিব পৰা হয়।

বুৰঞ্জীৰ জ্ঞান আহৰণৰ কৰাত ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহে যথেষ্ট সহায় আগবাঢ়ি আহিছে যদিও বুৰঞ্জী অধ্যয়নৰ সম্পূৰ্ণ লাভ আহৰণ কৰাত বৰ্তমান ছাত্ৰ-ছাত্ৰীসকল অপৰাগ হোৱাটো পৰিলক্ষিত হয়। ইয়াৰ মুখ্য কাৰণ বুৰঞ্জী বিষয়টো ঐচ্ছিক হিচাপে গ্ৰহণ কৰাৰ ব্যৱস্থা থকাৰ বাবে ইয়াৰ গুণসমূহৰ বিষয়ে নজনাকৈয়ে এইটো এটা আমনিদায়ক বিষয় বুলি ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঢ় লৈ উঠা ভুল ধাৰণা। এনে এটা অৱস্থাৰ অন্ত পেলাবৰ বাবে পাঠ্যপুথিৰ জৰিয়তে হওঁক বা ব্যক্তিগতভাৱেই হওঁক বুৰঞ্জী অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ গুণসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাটো প্ৰয়োজনীয়।

যিসকল মহান ব্যক্তিয়ে দেশৰ দহৰ বাবে নিজৰ প্ৰাণৰ আহুতি দিলে সেই মহান লেখকসকৰ বিষয়ে জনাটো জানো আমাৰ কৰ্তব্য নহয়? সেইসকল লোকৰ সম্যক জ্ঞান কৰাটো লাভ কৰাটো বুৰঞ্জীৰ মাধ্যমতহে সম্ভৱ।

গতিকে অতীতৰ বিষয়ে জ্ঞান আহৰণ কৰি নিজকে সু-নাগৰিক হিচাপে গঢ়ি নিজ জাতিক সু-দৃঢ় কৰি জীয়াই ৰাখিবলৈ, দেশ প্ৰেমেৰে নিজৰ দেশক সুজলা-সুফলা আৰু শান্তিময় কৰিবলৈ, সাহস আৰু সহিষ্ণুতাৰে দেশক বিপদৰ পৰা ৰক্ষা কৰিবলৈ আৰু দেশভক্ত শ্বহীদসকলক আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিবলৈ আমি সকলোৱে বুৰঞ্জী অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয়।

## মহৎ ৱাণী

১। "ধন হেৰালে একোৱেই নেহেৰায়। স্বাস্থ্য হেৰালে সম্পদ হেৰায় কিন্তু চৰিত্ৰ হেৰালে সকলোখিনি হেৰায়"
*— ছক্ৰেটিছ।*

২। "বাস্তৱতা যিমানে ভয় লগা বা প্ৰতিৰোধহীন যেন নালাগক কিয় দৃঢ়তা আৰু আত্মবিশ্বাস অটুট ৰাখিব পাৰিলে জয়লাভ সুনিশ্চিত"
*—পিয়েৰ টেইহাৰ্ড দ্য চাৰছিল।*

৩। "পৃথিৱীৰ আটাইতকৈ সহজ কামটো হৈছে আনক সমালোচনা কৰা আৰু অটাইতকৈ টান কামটো হৈছে নিজকে সংশোধন কৰা"
*—হেম বৰুৱা।*

সংগ্ৰাহক ঃ শ্ৰীমতী মুনিমা দাস, *স্নাতক প্ৰথম বৰ্ষ (কলা)*

# উপলব্ধি

কবিতা দাস
*স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)*

কেৱল আতঙ্ক চাৰিওদিশে
বিপ্লৱীৰ (?) বোমাৰ চাকনৈয়াত
নিচলা লোকৰ ওপৰত
নিয়তিৰ (?) মাধমাৰ....!!!
মৰম উলাই কৰি অজানিতে গুছি গ'ল
অনেক একমাত্ৰ অবুজ সন্তান
মাতৃৰ বুকু শুদা কৰি,
সিহঁতে জানো জানিছিল–
বিপ্লৱৰ (?) অ' আ' ক' খ'?
কিন্তু, হায় নিয়তি!!!
সিহঁতক কাঢ়ি লৈ গ'লা বুকু শুদা কৰি
সজাটি এৰি থৈ
হিয়া ধূনি কান্দিবলৈ মাতৃজনীক
কোনে দিব সান্ত্বনা
পুত্ৰ শোকৰ বেদনা
পাৰিবনে বুজাব কোনোবা আহি
হিয়াভগা কান্দোনত সমবেদনা?
দোষ কাৰ–?
কোনেনো কৰিব বিচাৰ
আছে জানো ইয়াৰ বিকল্প প্ৰতিকাৰ?

# স্মৃতিৰ মণিকোঠা

ছেহনাজ বেগম
*উঃমাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

সেই দিনা গোলাপ বনত
প্ৰাণৰ সকলো গিতী,
যিদিনা কবিতা হ'ব
মই ৰম স্মৃতিৰ বনত।

ৰূপ মোৰ ৰূপছবি হৈ
হেৰুৱাব সাধুকথা কৈ
সুৰ হয় বাজি ৰব।
গিতীহীন ধীৰ পৰণত।



# কবিতা

জিতুল সোণোৱাল
*উঃ মাঃ প্ৰথম বৰ্ষ (বিজ্ঞান)*

তোমাৰ বাবে
মাজে মাজে স্মৃতিৰ অন্ধকাৰ ফালি
তেজৰ গভীৰতা বিচাৰি ফুৰো
তোমাৰ চিকুন প্ৰেয়সী মুখ
তুমি নিদ্ৰাই অনিদ্ৰাই প্ৰজ্বলিত
অমিতাভ চেতনাৰ প্ৰণাময় শিখা
আমাৰ জীৱনৰ আত্মজয়ী তৃষা
তোমাৰ বাবে
পাহাৰে ভৈয়ামে বাটে ঘাটে কৰো
জোনাকতো অন্ধকাৰতো সপোন ৰচো
অনিশ্চিত জীৱন কুৰুক্ষেত্ৰত
তোমাকে কৃষ্ণ সাৰথি কৰি
নদীৰ দৰে সাগৰমুখী হওঁ
দুঃসময়ৰ সকলো নিষেধাজ্ঞা নেওচি যাওঁ
তোমাৰ বাবে
মন মাজুলীৰ পথাৰত ৰোপন কৰো
ঋতুৱে ঋতুৱে প্ৰেমৰ গোলাপ
যন্ত্ৰণাৰ সৰাপাত গচকি
কেতিয়াবা নিজকে হেৰুৱালেও যাত্ৰাপথত
পুনৰ অৱশেষত বিচাৰি পাওঁ নিজক
তোমাৰে আই ফুলশয্যাযেন সেউজী কোলাত
বাৰুদ বিস্ফোৰিত তেজে তুমৰলি দিনতো
নিৰ্ভয়ে তুলি লওঁ দুহাতত
কল্যাণময় মানৱীয় প্ৰেমৰ পতাকা
তোমাৰ বাবে দিঠকে সপোনে আওঁৰাও
প্ৰতিশ্ৰুতিময় সূৰ্যোদয়ৰ নতুন কবিতা।

## এটি মুহূৰ্ত দিয়া

শ্ৰীমতী গায়ত্ৰী শৰ্ম্মা
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)*

এটি মুহূৰ্ত দিয়া
ৰক্তিম মুহূৰ্ত
ফুলে জানেনে সুবাসৰ কথা,
তৰায়েও নাজানে পোহৰৰ কথা।
অপ্ৰকাশৰ ॥
এটি মুহূৰ্ত দিয়া
উন্মুক্ত প্ৰহৰত ৰক্তাক্ত
ৰঙা সেন্দুৰৰ প্ৰহাৰত
দিশহীন গতি ৰুদ্ধ নহয়
আমাৰ বিশাল অন্তৰত
এটা প্ৰতিদান এখন হৃদয়
দুয়োটাৰে যে মোৰ প্ৰয়োজন
তোমাৰ হৃদয়ত ফুলনি সাঁজিম
দুখৰ মাজতো প্ৰাণভৰি হাঁহিম,
মাথো;মোক এটি মুহূৰ্ত দিয়া ॥

## ঋতুৰাজ শৰৎ

শ্ৰী ভৈৰৱ দিহিঙ্গীয়া
*উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান)*

শৰৎ তুমি আকৌ আহিলা
তোমাৰ পৰশ পায় নিৰ্মল হ'ল
আকাশ, বহাত।
বাৰিষাৰ কলুষিত ধৰাৰপৰা বোকা আঁতৰিল,
তোমাৰ পৰশ পায়,
শেৱালি জোপাইও প্ৰাণ পায় উঠিল।
মুকুতাৰ দৰে দুবৰিত নিয়ৰ সৰিল।
কিন্তু তুমিতো সদায় নাথাকা,
শীতৰ নিষ্ঠুৰ পৰশত গুচি যাবা তুমি,
তেতিয়া শেৱালি জোপাইও উঠিব উচুপি,
বাট চাই ৰ'ব তুমি পুনৰ অহালৈ,
ঋতুৰাজ শৰৎ অহালৈ।

## আঘোণৰ ৰং

মুক্তামণি হাজৰিকা

পুৱা বেলিটিয়ে চাৰিওদিশে
ছটিয়াই দিলে ৰাঙলী কিৰণ
জিলিকি উঠিল, সেউজীয়া পথাৰৰ সোণেৱালী থোক
দাৱনী হাতৰ মুঠিত বাজি উঠিল ৰুণুক ঝুনুক শব্দ।
কেও দিশে দেখা পোৱা
নদী, পথাৰৰ উপকূলত সজোৱা
সৰু সৰু পঁজা, দীঘল স্বপ্ন
য'ত একাকাৰ হয় সেউজীয়া কৰা
বোকা পানীৰ পিতনি পথাৰৰ
ৰ'দত দহি নিয়া, পথাৰৰ মাজে মাজে
মেটমৰা বোজা লৈ সেউজীয়া বিচাৰি
ওলাই আহে কৃষক দ'ল।
গাঁৱৰ লখিমীহঁতৰ পদুলিত
আয়তীৰ দীঘল উৰুলি
ন-অতিথিৰ খোজৰ ভৰত
উদুলি-মুদুলি আঘোণৰ চোতাল
মৃদু বতাহত বিয়পি পৰিল
আঘোণৰ ৰং।
সৌ সিপাৰৰ পৰা ভাঁহি আহিল
একোটা সৰু সৰু ধ্বনি
সেউজীয়া পথাৰ, আঘোণৰ ৰং.................।





## কবিতা ঃ অকবিৰ

কুমাৰ গৌৰী দৰ্শন বড়া
*স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ*

এটি-দুটি-তিনিটিকৈ
বুকুত বাঁহ বান্ধে
শব্দবোৰে।
কঢ়িয়াই আনে সিহঁতে
বাৰিষাৰ আকাশৰ
সাতোৰঙী ৰামধেনু
শৰতৰ তলসৰা শেৱালীৰ সুবাস
আৰু...............
কৃষ্ণচূড়াৰ ৰঙ সনা স্নিগ্ধ জোনাক।
আৰু আনে কঢ়িয়াই
এমুঠি দুমুঠিকৈ
সাগৰ নীলা বেদনাবোৰ।
কিন্তু!
কিয় জানো
শব্দবোৰে
প্ৰত্যাখান কৰে
কবিতা হোৱাৰ আমন্ত্ৰণ;
উকা কাগজত
সামৰি থব খুজিলেই
শব্দবোৰে উৰা মাৰে
ৰঙা-নীলা-হালধীয়া
নানা ৰঙী পখিলা হৈ
দূৰলৈ.................
বহু দূৰলৈ.................



## জাগা অসমীৰ সন্তান

শ্ৰীমহানন্দ শইকীয়া সোনোৱাল
*উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)*

আমাৰ চেনেহৰে লুইতখনি
আমাৰ আই অসমীৰ চাদৰখনি
আজি তেজেৰে ৰাঙলী হ'ল।
পূৱে-পশ্চিমে
উত্তৰে-দক্ষিণে
চৌদিশে বলিশাল হ'ল॥
সোনাৰীৰ হাতুৰিত সোণৰ অসমখনি
খণ্ড-বিখণ্ড হ'ল।
এপদ-দুপদকৈ গহনা সুলকী
অৰ্দ্ধ উলংগিনি হ'ল॥
চেনেহৰ অসমী মোৰ আই মৰমী
ক'বলৈ লাগিছে লাজ,
সতৰুৰ চাতুৰীও বহুতো বদন হ'ল
বিদেশীয়ে পাতিছে ৰাজ।
কলিজাৰ তেজ যেন তেলৰখনি
মোৰ আইৰ বুকুখনি
আৰৰণ নোহোৱা হ'ল,
নিজৰে সন্তানে লঘোণত থাকিও
ভাগকে নোপোৱা হ'ল।
সোণ গছৰ পুলি
ৰূপ গছৰ পুলি
আইৰে বুকুতে ৰুলি
নিজৰে সন্তানক দিবলৈ নোপোৱাত
কান্দিছে আঁজুৰি চুলি।
পাহাৰ বননি অতিকে শুৱনি
অসমী আইৰ চুলি টাৰি
আবাদৰ নোহোৱা হ'ল
সাত শতৰুৱে ওকনি মেলিলে
অকালতে সৰিব ললে।
একতাৰ ডোলদাল চিঙি ভাঙি যোৱা
যুজিবৰ শকতি ক'ত?
পাৰিমনে যুঁজিব একে একে একহৈ
পাৰিমনে শতৰুক হৰৱাব ত'ত;
আইৰ চৰণৰ পদধুলা লৈ
এলাহ কাতি কৰি
ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰি
বৃহৎ স্বাৰ্থত আজি স্বাৰ্থান্ধ হৈ
জননীৰ শুভাশীষ
শিৰে লুলি লৈ।

## শেৱালি পাহি

শ্ৰীশিৱ ৰাজবংশী
*স্নাতক ২য় বৰ্ষ*

চোতালৰ দুৱৰীত
ৰাতিপুৱাই,
পৰি আছিল শেৱালি পাহি
নিয়ৰত তিতি।
মৰহী শুকালে
পুৱাৰ কিৰণে,
মৰমৰ গৰাকীয়ে তাইক সাদৰেৰে,
গুটাই ৰাখিলে।
কিয়নো শেৱালি পাহিৰ এনে
বিধাতাৰ লিখনি?
এদিন ফুলিয়েই তাই
মৰহী যায়।
নিশাৰ ভাগতেই তাই
গোন্ধত আমোলমোলাই
পুৱাৰ লগে লগে তাইক,
দেখা পাওঁ পদুলিৰ
কাষত পৰি থাকে
নিৰৱতাৰে,
দুখক সাৰটি দুৱৰীৰ স'তে।

## দুইদিনীয়া জীৱন

কাজল দাস
*স্নাতক তৃতীয় বাৰ্ষিক*

কেতিয়াবা ভাল
কেতিয়াবা বেয়া
নোৱাৰি কব
জীৱনৰ কথা
আজি আছো
কালি নাই
জীয়াই থকা পৰ্যন্ত
এই জীৱনত
কিবা পামনে
অহংকাৰ কৰি?
মাটিৰ এই জীৱন
মৃত্যুৰ লগে লগে
মাটিতেই যাবগৈ মিলি।



## বিষাদ

ৰশ্মি চুতীয়া
*উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান)*

শীতৰ বিষাদময় সেমেকা ৰাতিটোত পচোৱা বতাহজাকে
এক দুখৰ সংগীত তুলিছে।
চৌদিশে নিতাল নিস্তব্ধ!
ৰাতিৰ আন্ধাৰত নাচি বাগি আনন্দেৰে গীত গাই থকা ঝিলিবিলাকে
কেতিয়াবাই গীত গোৱা বন্ধ কৰিলে।
সিহঁতৰো ভাগৰ লাগিল ছাগৈ!
কেৱল সাৰে আছো মই
কিন্তু কিয়?
কাৰণ,
দুখ আৰু বিষাদৰ মাজত ৰাতিৰ অন্ধকাৰত
মই তোমাক বিচাৰি ফুৰিছো।
মই তোমালৈ বুলি লিখা কবিতাটো
তোমাক যে দিয়াই নহ'ল!
মোৰ মনৰ চোতালত তুমি ৰুৱা শেৱালি জোপা
শৰতৰ ডালভৰি ফুলিছিল।
কিন্তু হায়! বলীয়া বতাহজাকৰ উদ্দাম নৃত্যত
শেৱালিজোপা উভালি পৰিল
আৰু মোৰ মনৰ চোতালখন
উকা হৈ ৰ'ল।

## বন্ধু

সীমা হাজৰিকা
*উঃমাঃ ১ম বৰ্ষ (কলা)*

জীৱনত আছে বহুত কল্পনা,
সঁচা হোৱাৰ নাই সম্ভাৱনা।
কেঁচা টোপনিৰ মিঠা সপোন,
কৰি গৈছিলে মোক ব্যাকুল।
সপোনত কৈছিলা তুমি তোমাৰ মনৰ কথা,
বৰ্তমানত এইবোৰ হ'ল যে মিছা।
জীৱনৰ বাটযে বৰ দীঘলীয়া,
লাগে মোক এজন লগৰীয়া।
বন্ধু হৈ তুমি মোৰ লগত ব'লা,
আধা বাটত এৰি মোক নাযাবা।

## এখন ভঙা হৃদয়ৰ সুৰ

শ্ৰীমৃদুলা বৰুৱা
*উঃ মাঃ ১ম বৰ্ষ (কলা)*

নদীয়ে ঢৌৱাই যোৱা
তিৰবিৰ তৰাবোৰে
ডাৱৰত মুখ গুজি
নাও খেল খেলে
পাৰ পালে---
তোমাৰ দুৱাৰ
উভতি আহিলে
মোৰ চোতাল
ঢৌবোৰে এৰি যোৱা
এসাগৰ আৱেগত
উপকূল হেৰুৱাই
বাৰে বাৰে
উভতি যাওঁ
নদীৰ বুকুলৈ
ৰূপোৱালি বালিত
বিগলিত মোৰ স্নেহ,
মাথো স্মৃতিৰ কোঁহে কোঁহে
মোহনাত সুৰ লৈ বাজে
এটি আধাৰুৱা গীত।



## হে বীৰ স্বহীদ জোৱান

প্ৰকাশ বড়া
*দ্বাদশ শ্ৰেণী (কলা)*

হে বীৰ স্বহীদ জোৱান
হাতত তুলি ষ্টেনগান,
বাহুত বল, বুকুত সাহস
দেশৰ কাৰণে দিলা নিজৰ প্ৰাণ
কাৰ্গিল পৰ্বতত শত্ৰুৰ বিৰুদ্ধে
যুঁজিছিলা তুমি মনে প্ৰাণে
দেশ মাতৃক ৰক্ষা কৰিবলৈ
উঠিলা তুমি দেশ প্ৰেমিকৰ দৰে
বুকুত এসোপা আশা বান্ধি লৈ
গৈছিলা তুমি ৰণভুমিত,
কিন্তু ঘৰলৈ ওভতি নাহিলা।
সেইদৰে কতনা বীৰে
দিলে নিজৰ প্ৰাণ,
আমাৰ ভাষাত থাকিবা তুমি
এজন দেশ প্ৰেমীৰ স্বহীদ জোৱান।
"হে বীৰ স্বহীদ জোৱান.
হে বীৰ স্বহীদ জোৱান।"

## আহ্বান

শ্ৰী জয় গগৈ
*উঃ মাঃ ২য় বৰ্ষ (কলা)*

মনত পৰিছে মোৰ সেই সময়লৈ।
যেতিয়া আমি বহিছিলো
ফুলনিৰ মাজত
পৰিছিল পখিলা
ফুলৰ আগত।
কথা পাতি আছিলো
ৰঙীন বাস্তৱৰ।
নিৰ্দিষ্ট সময়লৈ
শেষ নোহোৱাকৈ।
মিচিকিয়া হাঁহিৰে
আলিঙ্গনবদ্ধ কৰিছিলা
মোৰ সুপ্ত মনৰ হিয়াৰ মণিকোঠাক।
প্ৰেমৰ পাপৰি প্ৰস্ফুটিত হৈছিল
এটি দুটি কৰি।
নিস্পাপ মনৰ, নিস্পাপ হিয়াৰ।
কিন্তু হায়!
বাস্তৱ সত্যৰ স'তে খোজ মিলাবলৈ
তুমি গুছি গলা দুৰ দূৰলৈ।
একো নোকোৱাকৈ
নিৰলে, নিৰৱে, নিশব্দে।
শিল পৰা কপৌৰ দৰে
নিথৰ হ'ল মোৰ মন।
মোৰ সুপ্ত মনক প্ৰাণৱন্ত কৰিবলৈ
দেখা দিয়া তুমি মোৰ চকুৰ আগত
আদৰি ল'ম তোমাক হিয়াৰ মাজত॥

## এজন অসমীয়া

জোনালী চেতিয়া
*উঃমাঃ ২য় বৰ্ষ*

প্ৰকৃতিয়ে আহ্বান কৰে,
ভটিনীৰ সোঁত বলে
কহুঁৱাবো যে এটা গোন্ধ আছে
সমীৰণে মোক ক'লে।
অৱগুণ্ঠনৰ তলত আছে এটি জাতি,
কিছু আত্মভিমান, গৌৰৱ
অথবা নিজৰ ওচৰতে নিজে
লজ্জাত আপ্লুত হৈ।
বিহগীৰ গীতৰ লয়,
ৰিহাত লহৰ তুলে
কিন্তু সেইজনী নাচনীৰ
হৃদয় যে আজি সুপ্ত।
সঁহাৰি নজনালেও যে
বহাগ সদায় আহে,
ফুল আৰু ভোমোৰাৰ
কামনাৰ লহৰ তুলে,
নাহৰেও যে মেলিলে
কুমলীয়া কুঁহিপাত।
এই সকলোৰে মাজত
মই আছো জীয়াই,
এজন অসমীয়া
বহু অসমীয়াৰ সৃষ্টিত
কল্পনাত বিভুৰ হৈ।



## ভাব

শ্ৰীমতী দিপ্তী বৰুৱা
*উঃমাঃ দ্বিতীয় বৰ্ষ (কলা)*

মনত বহুত আনন্দ
তথাপিতো ক'ৰবাত যেন মই দুখি।
কিয়? নাজানো
ভাব হয়
হয়তো, তোমাক..........?

কেতিয়াবা ভাব হয়,
নিসংগতা যেন মোৰ জীৱনৰ লগৰী
মই যেন অকলশৰীয়া জীৱনৰ দীঘল পথত।

কেতিয়াবা ভাব হয়;
বুকুখন যেন বিষত গধুৰ হৈ আছে
অবুজ বেদনাত মৃদু বিষৰ অনুভৱ হয়
মাথো কান্দিবৰ হে মন যায়।

এনে ভাৱ হয়
নিৰ্জনতাক হে মই ভাল পাওঁ
কিয়? হয়তো তোমাক.........?

## চেনেহী অসমী

নাজমিন ৰহমান
*উঃমাঃ দ্বিতীয় বাৰ্ষিক (কলা)*

অ' মোৰ অসমী আই, প্ৰকৃতিয়ে তোমাক সজায়
তোমাক কঁৰো শত নমস্কাৰ,
চৌদিশে আগুৰা পাহাৰে, প্ৰহৰী ৰূপে থিয় হৈ
কৰিবা নিশ্চয় প্ৰহাৰ।
নৈ, বিল, জান-জুৰি সকলো তোমাৰ সৃষ্টি
তুলি তুলনা বিহীন আই,
গছ-লতা, তৃণ-তৰু, সকলোৱে মনে প্ৰাণে
প্ৰণামিছে তোমাক ধিয়াই।
কুলিৰ কাকলি-কণ্ঠে, কেতেকীৰ অমিয়া মাতে
সুমধুৰ সংগীত শুনায়,
দোভাগ ৰাতি উঠি, শুনো নানা গীতি
প্ৰাণত আনন্দ জগায়
নানা জাতি-উপজাতি, সকলোৱে মিলিজুলি
পুলকিত কৰি মন,
ইষ উল্লাখিত চিতে, তোমাৰ গুণ বখানি
তোমাতে অৰ্পিছো জীৱন।
আই মোৰ ভক্তি নিবেদন, অন্তৰৰ নিভাজ কোণত
হবনে পূৰণ জীৱনত,
পুৱা, গধুলি সন্ধ্যা, মঙ্গল আৰতি সহ
দিবানে জিৰণি চৰণত॥



# বহাগৰ স'তে আলাপ

নেমচন্দ (মনোজ) উজা
*স্নাতক ২য় বৰ্ষ*

"এইবাৰ বহাগ আহিব
অতি ভয়াবহতাৰে............ ।
বৰদৈচিলাই উৰোৱাই
নিব গাওঁখন"........
থাকি যাবা...........
আহিম মই আবেলি
থাকিবানে তুমি?
বেয়া নাপাবা
মই আজি উন্মাদ।
তোমাৰ প্ৰেমত
তুমি যে বহাগ
অতি ৰাঙলী।
গায়ত্ৰীয়ে কৈছিল
ৰেনিতা এইবাৰ
বিহুতলীলৈ নাহে
কাৰণ
তাই ঠগ।
বহাগ আহে যায়
মোৰ প্ৰেমৰ প্লাৱিতা
কেতিয়াবা আহিব মোৰ জীৱনলৈ-"
জগত পোহৰ কৰি
আহিব বহাগী
ইমানে যাচিব ৰঙালী
বানৰ প্লাৱিতাত
উটি ভাহি যাব
ৰেনিতাৰ জীৱনৰ ৰাঙলী।
বিবেক হৃদয় বিশ্বাসতকৈও
পৰিবেশ-পৰিস্থিতি বেছি
শক্তিশালী, জীৱশ্ৰেষ্ঠ হ'লেও
মানুহ পৰিবেশৰ দাস।
সৃষ্টিৰ আদিৰ পৰা
অনাদিলৈ থাকি
যাব এই ৰীতি।



# অনুভূতি

শ্ৰীৰাজীৱ পাংগীং
*স্নাতক তৃতীয় বৰ্ষিক (কলা)*

নাজানো কিহৰ অনুভূতিয়ে আমনি কৰে
মনত পৰে মাঁথো তোমালে
যৌৱনৰ এটি পুৱা
এটি শুভ সন্ধিক্ষণত
সাক্ষাৎ হলো তোমাৰ সতে
তুমি আহি নিৰলে ৰ'লা
হৃদয়ৰ গোপন কোণত।

সেইদিন ধৰি—
হৃদয়ত তোমাৰ ছবিটো লৈ
অনুভৱ কৰো তোমাৰ সঙ্গ
নিজানত অকলে বহি
কটাওঁ নিসংগতাৰ ক্ষণ।
খোলা খিৰিকিৰে দলিয়াই দিয়া
ফাগুণী মলয়াৰ শুকান পাতবোৰ
তোমাৰেই বাতৰি বুলি তুলি লওঁ আলাসেৰে
কিয় বাৰে বাৰে আহি আমনি কৰাহি
হৃদয়ত মাথোঁ বিষাদ ভৰা প্ৰতীতি দিবলে।

এয়া জানো প্ৰেম নহয়?
যাৰ অনুভূতিয়ে বাধ্য কৰে বৰষিবলৈ
শিতানৰ গাৰু তিতা অশ্ৰুৰ বৰষুণ,
এয়া জানো মধুৰ সপোন নহয়?
যাৰ সাগৰত ডুব গৈ
পাহৰি যাওঁ
ভোকাতুৰ উজাগৰি নিশা
এমুঠি অন্ন বিচাৰিবলৈ।

তুমি জানো জানো?
কিহৰ বিৰহত বিষাদিত হওঁ
নিনাদিত কুলিৰ মাত শুনি
বসন্তৰ মাজ নিশা,
তুমি জানো জানা?
কিহৰ প্ৰেৰণাত লিখো
এবোজ ছন্দহীন প্ৰেমৰ কবিতা

## সুন্দৰ

শ্ৰীমতী কৰবী দত্ত
*উঃমাঃ দ্বিতীয় বাৰ্ষিক (কলা)*

সুন্দৰ মোৰ সেউজী ধৰণী
প্ৰকৃতিৰ ঘন সেউজ বননি,
সুন্দৰ মোৰ ফুলৰ পখিলাটি
ফুলত পৰে আহি উৰি উৰি।
সুন্দৰ মোৰ বন কুলি, কেতেকী
আমনি কৰে মোক কু'কু কৰি,
সুন্দৰ মোৰ গোলাপ ফুল পাহি
কেনেকৈনো থাকে মাৰি
মৌ বৰষা হাঁহি।
সুন্দৰ মোৰ পদুমৰ পাহি
জকমকাই থাকে
বিলৰ বুকুত ফুলি
সুন্দৰ মোৰ ৰঙা বেলিটো
চাওঁ পুৱা, গধুলি,
কিযে মনোম হাঁহি বিৰিঙাই
লুকা-ভাকু খেলি।
সুন্দৰ মোৰ জোনৰ হাঁহি
তৰাৰ মাজত দেখি,
সুন্দৰ মোৰ মা-দেউতা
কিমান যে কৰো আমি ফুৰ্তি॥



## আশাবোৰ কিয় জানো বৈ যায় . . .

শ্ৰীমতী লীনা বৰুৱা
*স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)*

সৰুৰ পৰা যৌৱনত ভৰি দিয়াৰ লৈকে
মনত মোৰ অজস্ৰ আশা;
আশাবোৰৰ সতে এদিন মই
জীৱন ৰচিছিলো।
আশাবোৰে মোক প্ৰেৰণা দিছিল
এয়া তোমাৰ জীৱন আৰম্ভণী।
উজাগৰে বহু নিশা পাৰ কৰিলো
মোৰ আশাবোৰৰ সতে;
তথাপিতো কিয়জানো মই
সফল হব নোৱাৰিলো।
এদিনতো ফুলি উঠিব
মোৰ আশাবোৰ;
থাকিম মই হেঁপাহৰে বৈ
আশাবোৰ ফুলি উঠা নতুন বাটত।



## ৰাণী

শ্ৰী ভাস্কৰজ্যোতি দাস
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

প্ৰথম দৃষ্টিতেই ৰাণীৰ প্ৰতি
কিযে এক প্ৰচণ্ড আকৰ্ষণ
ৰাণীৰ ছন্দময়ী দেহৰ ভাজে ভাজে
মৰতত হয় অমৃত বৃষ্টি।
ৰাণীৰ কলিজা নিসৃত
শব্দৰ সমাহাৰে
নিতে সাজে ফুলৰ শৰাই।
প্ৰথম দৃষ্টিতেই ৰাণীৰ প্ৰতি
হৃদয়ত জাগিছিল
অফুৰন্ত প্ৰেমৰ উন্মেষ।
ৰাণী তুমি মোৰ কোন?
কিয় দেখো তোমাৰ মই
দিনে ৰাতিয়ে সপোন
ৰাণী এবাৰ মাথো কোৱা,
তুমি মোৰ কোন?

## TELEVISION

**Julu Boruah**
*B.A. 1st. Year, (English)*

Television ! Television ! Television !
What is it ? What is it's action ?
Present generation feels its attraction
Without it nobody gets proper satisfaction.
It is no doubt a scientific invention.
But is the media of misleading the new generation
Yet, it's not wise to think it as Evil as to bring destruction.

It's an instrument, we are the controller of its function,
Blessing or curse depends on our decision.
Television is harmful, or useful, it's not the conclusion.

It's also a mass media of international education.
Television is thus a gift without any question.

## WITH ALL MY HEART

**M. Topno (K)**
*H.S. 2nd Year*

It seemed as if my life story started,
The day I got hold of her hand;
I thought that thee will be lots of happiness,
Walking the life's journey on sand.
But thee came day,
When my whole dreams got bend:
B'Coz she flew far far away,
And never touched the sand;
I have a wish and a prayer:
Suppose love was a thing to lend;
I would lend it for my life,
And love her once more and mend
The broken heart of love
With all my heart my very best friend.



## FEELINGS

**Kushal Kuli**
*T.D.C. 1st. year, (English)*

I made a diamond ring,
And hoped for the dove's wings,
So that I can fly
Up in the sky,
And reach you in no time.
Your picture in my eyes,
Can it be a lie?
What most I wish and fear to say,
Your presence make me happy
And gay
And that whenever I behold,
You appear more beautiful,
Than ever before.
This feeling,
Of what I am so proud;
Would be the same all the time.
And if it is love
Pardon me,
It's your beauty;
Not I to take the blame.

## WAS THAT YOU ?

**Miss Junu Saikia**
*B.A. 3rd. Year, (Geography)*

Somebody did a golden deed,
proving himself a friend in need.
Somebody sang a cheerful song,
Brightening the skies the whole day long.
Was that somebody you?
Somebody filled the day with light,
constantly chased away the light,
Somebody's work love joy and peace.
Surely his life shall never cease
Was that somebody your?

## TERRIBLE NIGHT

**Julu Boruah**
*B. A.1st. year, (English)*

Moonless was the night;
And the lady in white caught my sight,
She was standing alone,
And I felt she was someone known.
I moved towards her readily;
But she walked away steadily,
I followed her way,
But she was far away.

Towards the graveyard;
moved the lady in white,
And her terrible face,
locked my sight.

Her terrible face shocked me for a white
And the lady disappeared with a lovely smile.





## UNIVERSAL BROTHERHOOD

**Ghulam Zubair Ansari**
*H.S. 2nd.Year (Arts)*

We are brothers, we are sisters
Living all through the world,
All across the seas, all across the oceans,
And all across the lands;
We are nothing but human beings
And are born of the same parents.

We have same blood, same home,
Same heart and the same human nature,
But we are divided into man made
Nations, Castes and Creeds.
God had endowed us with a single land,
It's we who made somewhere India and somewhere Greece.

We breathe in; the same air
we drink the same water,
We live under the same sky,
And we are fed by the same nature.

When we are all same,
And when everything is same,
Isn't it a firm reason to believer
That we are all brothers and sisters ?

All through the land,
All through the seas,
And all through the ocean;
We live and we reign.

## LIFE

**Chandan Chetia**
*H.S. 2nd. Year (Arts)*

One day, he put his foot on the beautiful earth
With many colourful dreams carrying in his heart.
Which is the inaugural burning of the flame of life.
And the others analyse their joy
because he is also the God's toy,
He worked hard to fulfill his dreams,
But he could n't able to fulfill his dreams,
As interval given was very short to him,
And suddenly, one day he leaves forever,
from his nearer and dearer one's,
and by making them crying forever.
As every man blame something for his short life;
Some blame his bad fortune,
Some blame his sin,
Some said, it was for his good deed,
But who knows the truth?
It is the nature's rule,
Is it the basis of our suspicious life?

## THE MAGIC OF LIFE

**Amina Ahmed**
H. S. 2nd. Year (Science).

Learn to struggle with life,
Don't lose hope till you strive.
Try to fight with danger,
And see how it turn into adventure.
If you are a failure, don't lose hope,
work harder for a brighter scope.
If obstacles and predictions come your way,
Be as bright as the sun's ray.
Do lead your life with a smiling face,
So that success may with the life long race.
Stretch your arms and fly
high in the sky,
Always move further and
never be shy.
Then we will realize, life
is a magic,
which cuts through every
sort of tragic !!!



## FANTASY

**Malabika Dehingia**
*B.A. 2nd year*

Someone tells me, I've lost you,
I stir, I awake,
I find you gone
I spot you there,
In the distance,
Running away so fast,
With all that ever was mine –,
You.........

If I'd be gifted, - but only one wish,
I'd spent it to find you.
I gave all for the brightness of your eyes,
All – Just to be with you.
Was it just a dream?

My eyes feel heavy,
I wish I would hold on (my tears).
Please let me retain fantasy,
Let me regain you.

## '2' ANJANA

**Biswjit Mech**
*H.S. 2nd year (Arts)*

You are an indispensable part
Of my life...
You bring a ray of hope
and light to my life
filling it with all
the happiness that life could
ever afford.
You give me the strength
to carry on to live
to smile and
the touch of live that
Can never be found anywhere.
And its true..... the world out here
And ment only for you.

# MY IMAGINATION

**Madhab Paul**
*H.S.2nd year (Science)*

There always seems to be escape from reality,
In my imagination where every thing's just a fantasy;
Painted deserts and coloured faces;
Rainbow trees and bright blue leaves;
Candy lights and light-winged faries ;
All held together in my galany.
I step into and alien creation,
In my imagination where strangeness is no stranger
And phantom Kings and Queens exist,
Along with curious wide-winged beasts.
In a beautiful woodland of bright green leaves;
In a corner surrounded by stone effigies;
A nymph,procelained skinned,
With golden eyes and hair deep green;
Streams of tears flow down her cheek,
As I passed her and enter the deep
Of my imagination of everything is an illusion,
And oblivious to everyone but me.





# DAWN

**Jai Chandra Pegu**
*B.Sc.1st year*

Drving out the darknes of the night
Down urls the sunrise into sight
Beams of golden rays ,so brilliant
Makes the earth pleasant and radiant.
It spreads over the slanting hill and dale
Fields and meadows in the purpling vale;
It shines over the rapidly dashing streams
And dizzy cliff where eagles screams.
With the brilliance of the rays
The earth appears with brightened face;
The dark sky above,turns blue and few
Land below, glitters with drop of dew.
Over the streams and through the woods
Chorns song of early bird soothes;
Proclaiming "the dusk has faded away
awake, all ; , here comes a new day."

# LOVE AND LIFE

**Miss Rabinder Kaur Bansal(Niki)**
*B.A Part II*

(1)

Love is in the air, and
Wherever I see Wherever I be
Love is in the air
Of every kind.
In everyone
for special one
And love in my heart
For everyone,everyone.
But am I too loved
The why I love ,
Perhaps not ,
For life is not a bed of roses,
But a carpet of thorns.
With little time to mourn.
The many heart-rendering looses.
So be happy.
I say it to myself .
For though looses hurt,
And most friendiships are curt,
life still has all the propects
For winning may a hurt.
And be cheerful and share
Youtr love and affection
With those who comes to your connection .
And forget about the result —
Good or bad, for life is a stage.
Where you can only act
And get your friends only
When in its devine gasp

# THE BOND OF LIFE

(2)

Very rare its turely to find
Now , today, in this world ;
Easy to make but hard to follow,
Is this bond,
Of happiness and love ,
Its life a long joy
Which none can give.
Its made for love,
Trust and care.
It's the best of every heart
And, the smile of every face.
Less can follow
But the ones, who can
Are saints of love.
It can be found,
In true friendship,
And it is friendship
The happiness of life.
And heart of every heart
And the love of every life.



# THE CUP OF LIFE

**Bipul Ch. Das**
*B.A.2nd Year*

A stream has been blowing
Throw my heart in
And still I can't say wht should I do stopede the race?
Each second of my life ;sweeping fast,
The steasing winds flame whip my heart
And still I hope !
There may be the sun behind opel clouds
But I know
If there is anything in the world ;That could decay.me ;is my misfortune.

অৰ্চনা আজি ৰতিপুৱাৰেপৰা ব্যস্ত । তাইৰ আজি B.Sc 1st Yearৰ প্ৰথম ক্লাচ। তাই পঢ়া কলেজখনতে তাইৰ দেউতাকৰ সৰুৰে বন্ধু অমৰ গগৈৰ একমাত্ৰ পুত্ৰ বিপ্লৱো পঢ়ে। সি কলেজ ছাত্ৰা-নিবাস থাকে। তাৰো আজি B.A 1st yearৰ প্ৰথম ক্লাচ। বিপ্লৱ আৰু অৰ্চনা দুয়ো একেবাৰে নলে-গলে লগা বন্ধু। বিপ্লবৰ লগত শংকৰ আজি প্ৰথম কলেজলৈ আহিছে। বিপ্লৱ আৰু শংকৰ সৰুৰে পৰা একেলগে থাকিছিল, খাইছিল আনকি এজন স্কুললৈ নগ'লে আনজনো নগৈছিল।সিও বিপ্লৱৰ লগত কলেজ ছাত্ৰা-নিবাসত থাকিব। অৰ্চনা কলেজ পোৱাৰ লগে লগে বিপ্লৱে তাইক টানি নি শংকৰৰ লগত চিনাকি কৰি দিলে। তাই শংকৰৰ সৈতে কথা-বতৰা পাতিলে। এনেতে তাইৰ লগৰ নীলাক্ষী তাইৰ ওচৰলৈ অহাত শংকৰৰ পৰা বিদায় লৈ দুয়ো ক্লাচ কৰিবলৈ গ'লগৈ। অৰ্চনা যোৱৰ ফালে শংকৰে একেথৰে চাই থাকিলে আৰু এনে লাগিল যে তাই তাৰ বৰ আপোন কোনোবা। বিপ্লৱে শংকৰক সুধিলে ''কি চাই আছ ভাই ??'' শংকৰে অলপ লাজ পালে আৰু ক'লে ,''নাই এনেয়ে''। তাইৰ লগত কথা পতি ভাল লাগিল।''এনতে বিপ্লৱে কৈ উঠিল,''কথা পাতিহে ভাল লাগিল নে তাইক তোৰ ভাল লাগিল?''''শংকৰে মৃদু ধমক দি ক'লে, ''ধেৎ,তই যে কি''এনেতে মেদামে ক্লাচৰ ফালে অহা দেখি দুয়ো ক্লাচত সোমাল।

অৰ্চনা দেখাত বৰ ধুনীয়া নহয় যদিও মৰম লগা। তাইৰ মাতটো বৰ মিঠা আৰু কথা-বতৰা বৰ মাৰ্জিত। মুঠতে তাই এগৰাকী অতি নম্ৰ, ভদ্ৰ ছোৱালী। অৰ্চনাহঁতৰ ঘৰত তাই, তাইৰ বায়েক স্বাগতা আৰু মাক-দেউতাক। বায়েকৰ বিয়া এজন ইঞ্জিনিয়াৰৰ লগত ঠিক হৈ আছে। বিয়াৰ দিন দুৰ্গা পূজাৰ পিছতে পৰিছে। তাইৰ দেউতাক এজন ভাল চাকৰিয়াল আৰু মাক হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ইংৰাজী বিষয়ৰ শিক্ষয়ত্ৰী।

মুঠতে সিহঁতৰ ঘৰৰ অৱস্হা ভালেই। বায়েকো দেখনিয়াৰ, নম্ৰ-ভদ্ৰ ছোৱালী আৰু অশোকো এজন ভাল ইঞ্জিনিয়াৰ। গতিকে ক'বলৈ গ'লে বায়েকে উপযুক্ত দৰাকে পাইছে। বিপ্লৱহঁতৰ ঘৰতো সিয়ে একমাত্ৰ ল'ৰা। শংকৰো বিপ্লৱৰ মাক-দেউতাকৰ বাবে নিজৰ লৰাৰ দৰেই। শংকৰহঁতৰ ঘৰত সি ডাঙৰ আৰু তাৰ তলত ভনীয়েক নিশা। দেউতাক এজন ডাঙৰ বিজনেছমেন আৰু মাকে অয়েল স্কুলত শিক্ষয়ত্ৰী। বিপ্লৱৰ জৰিয়তে অৰ্চনা আৰু শংকৰৰ খুব ভাল চিনাকী হৈ উঠিল। অৰ্চনাই ৰসায়ন বিজ্ঞানত মেজৰ লৈছিল। বিপ্লৱ আৰু শংকৰে Economicsত মেজৰ লৈছিল। কিন্তু সিহঁতৰ মাজত পঢ়া বিষয়ক লৈ কোনো কথাই আলোচনা নহৈছিল। শংকৰে লাহে লাহে অৰ্চনাক ভাল পাই পেলাইছিল। বিপ্লৱৰ চকুৰ আগত পিছে লুকাই নাথাকিল। শংকৰে বিপ্লৱক সকলো কথা খোলাখুলিকৈ কৈ দিলে। বিপ্লৱে তাক

# দুখভৰা প্ৰেমৰ স্মৃতি



গীতালী গগৈ
*স্নাতক ১ম বৰ্ষ,*
*উদ্ভিদবিদ্যা বিভাগ*

কলে যে সি সকলো ঠিক কৰি দিব। এনেদৰে দিনবোৰ গৈ আছিল।

আজি অৰ্চনাৰ জন্মদিন। বিপ্লৱে তাইক এটা গ্লাচৰ মূৰ্তি উপহাৰ দিছে। তাই তাইৰ লগৰ নীলাক্ষীৰ লগত খোজ কাঢ়ি গৈ আছিল। এনেতে তাই আচিনাকি ল'ৰা এজনৰ লগত খুব জোৰেৰে খুন্দা মাৰিলে। তাইৰ হাতৰ পৰা মূৰ্তিটো পৰি টুকুৰা-টুকুৰ হৈ পৰিল আৰু তাইও পৰিল। তাইৰ মনত বৰ দুখ লাগিল, কাৰণ বিপ্লৱে তাইক ইমান মৰমেৰে দিয়া বস্তুটো ভাগি পৰিল। তইৰ চকু পানী বৈ আহিছিল। ল'ৰাজনে তাইক ক্ষমা খুজিলে। সি ক'লে যে সি অলপ খৰ-ধৰকৈ অহাৰ বাবে তাইক খুন্দা মাৰিলে। ল'ৰাজনে নিজেই অৰ্চনাক তুলি দিয়ে আৰু ভাগি যোৱা মূৰ্তিৰ টোকোৰবোৰ বুটলি দিয়ে। অৰ্চনাক সি সুধিলে,''দুখ পালা নেকি? I am sorry আচলতে মোৰ গাতে ভুল। ময়ে খৰ-ধৰকৈ আহি আপোনাক খুন্দা মাৰিলো। মূৰ্তিটো একেবাৰে ভাগি থাকিল। অৰ্চানাই ক'লে,''মই দুখ পোৱা নাই। আপুনি অনুগ্ৰহ কৰি মোক মূৰ্তিৰ টুকুৰাবোৰ দিয়ক। মোক বৰ মৰমেৰে বিজুৱে এইটো দিছিল।'' তাই বিপ্লৱক বিজু বুলি মাতিছিল। ল'ৰাজনে কলে তুমি নাকান্দিবা। মাত্ৰ তুমি মোক এবাৰ কোৱা মোক ক্ষমা কৰি দিলা বুলি। অৰ্চনাই একো নকলে। তাই চকু পানী মোহাৰি টোকোৰাবিলাক লৈ গুচি গ'ল। ল'ৰাজনে তাই যোৱাৰ ফালে চাই ৰ'ল আৰু আৰু হাঁহি এটা মাৰিলে। শংকৰে দূৰৰ পৰা ঘটনাটো চাই আছিল। কিয় জানো অজান আশংকাত তাৰ বুকুখন বিষাই গ'ল। ল'ৰাজনৰ নাম ''ভৌৰব জ্যোতি বৰুৱা''। ল'ৰাজনৰ মাক-দেউতাক ইউনিভাৰ্ছিটিৰ প্ৰফেচাৰ। সি মাক-দেউতাকৰ একমাত্ৰ ল'ৰা আৰু এজনী ভনীয়েক আছে। এই ভৌৰৱ জ্যোতি বৰুৱা বৰ্তামান B.Sc 3rd yearৰ Physicsঅৰ ছাত্ৰ । সি অৰ্চনাহঁতৰ কলেজৰে। ভৌৰৱ কথা-বতৰাই আৰু দেখাই শুনাই এজন নম্ৰ-ভদ্ৰ ভাল যুৱক। আজিলৈকে তাৰ কোনো ছোৱালী ভাল লগা নাছিল। কিন্তু আজি দুদিন আগত খুন্দা খোৱা সেই ছোৱালীজনী তাৰ কিবা ভাল লাগি গ'ল। আজিলৈকে সি অনুভৱ এক অনামী ভাব তাৰ মনত জাগি উঠিল সি তাৰ লগৰ নিমেশ, ৰাজীৱ সুব্ৰতে একে এষাৰে কৈ উঠিল, আৰে তুমি প্ৰেমত পৰিলা। ''সি ভাবিলে যে সি সিহতক কোৱাৰ দৰে হয়তো সি প্ৰেমত পৰিল। অৰ্চনাই শংকৰৰ লগত কথা পাতি গৈ আছিল। এনেতে ভৌৰৱে তাইক পাছফালৰ পৰা মাত লগালে,'Excuse me অলপ শুনাছোন। অৰ্চনাই ঘুৰি চালে, ভৌৰৱে কৈ উঠিল আজি এসপ্তাহ মানৰ পৰা মই তোমাক বিচাৰি আছো। কিন্তু তোমাক লগেই পোৱা নাই। কলেজ অহা নাছিলা ছাগে হয়তো। বাৰু বাদ দিয়া সেইবোৰ কথা। মই তোমাৰ সৈতে অলপ কথা পাতিব বিচাৰো। যদিহে তুমি বেয়া নোপোৱা। অলপ এইফালে আহিবা?'' অচনাই কৈ উঠিল, অপোনিয়েই যি ক'বলৈ আছে ইয়াতে কওঁক, মই নাযাঁও। ভৌৰৱে পুনৰ কলে,''প্লিজ, কৈছো। মোক ভুল নুবুজিবা। মোক যদি সেই দিনাৰ কথাটোৰ বাবে ক্ষমা কৰিছা, তেন্তে অনুগ্ৰহ কৰি কৈছো, আপুনি মানে– তুমি অলপ এইফালে আহাঁ। তাই ক্ষন্তেক চিন্তা কৰিলে। তাৰ পিছত তাই শংকৰক ক'লে,''শংকৰ তুমি কেনটিনত বহাগে মই তোমাক তাতে লগ ধৰিমগৈ। শংকৰ গুচি গ'ল। তাই ভৌৰৱৰ লগত কথা পাতিলে। শংকৰে দূৰৰ পৰা ঘূৰি চালে আৰু হুমুনিয়াহে এৰিলে। ভৌৰৱে অৰ্চনাক সুধিলে,''তোমাৰ নামটো কি?'' তাই নম্ৰভাবে ক'লে,''অৰ্চনা বৰুৱা''। ভৌৰৱে সেইদিনা নিজেই নিজৰ চিনাকি দিলে আৰু সেই দিনাৰ কথাটোৰ বাবে পুনৰ ক্ষমা খুজিলে। অৰ্চনাই ক'লে মই কেতিয়বাই সেই কথাটো পাহৰি পেলালো। মোৰ মনত আপোনৰ প্ৰতি কোনো বেয়া ভাব নাই। "ভৌৰৱে পুনৰ ক'লে,তুমি সঁচাকৈয়ে কৈছাতো?''অৰ্চনাই মিচিকিয়াই হাঁহি ক'লে,''হয় মই সচাকৈয়ে কৈছো।'' 'তেন্তে এইটো লোৱা। না বুলি নকবা কিন্তু। কাৰণ তুমি মোক যদি সচাঁকৈয়ে ক্ষমা কৰিছা তেন্তে তুমি এইটো ল'বই লাগিব।'' অৰ্চনাই ল'বলৈ বিচৰা নাছিল যদিও ভৌৰৱে তাইক ল'বলৈ বাধ্য কৰালে।



ভৌৰৱে তাইক গ্লাছৰ মূৰ্ত্তি এটা দিলে। অৰ্চনাই বস্তুটো চাই সুন্দৰকৈ হাঁহিলে। তাৰ পাছত ভৌৰৱে তাইৰ পৰা বিদায় লৈ গ'লগৈ। তাই কেন্টিনলৈ আৰু নগ'ল। আহোঁতে শংকৰে তাইৰ বাবে ৰৈ আছিল। তাই ভৌৰৱৰ লগত কথা পাতি থাকোতে দেৰি হ'ল। সেয়েহে তাই ঘৰলৈ গ'লগৈ। ভৌৰৱ আৰু অৰ্চনাৰ ঘনিষ্ঠতা বঢ়ি আহিল। বিপ্লৱ আৰু শংকৰৰ চকুত সেয়া ধৰা নপৰাকৈ থাকিল। ইতিমধ্যে ''ভৌৰৱ'' আৰু ''অৰ্চনাই'' দুয়ো দুয়োকে ভাল পাই পেলাইছিল। যেতিয়া সিহত দুয়োটাই একেলগে নিবিড়ভাবে বহি কথা পাতি থাকে, তেতিয়া শংকৰৰ খং উঠে। শংকৰ পাগলৰ দৰে হৈ পৰিছিল। সি তাইক নিজতকৈয়ো ভাল পাই পেলাছিল,কিন্তু সি যে তাইক ভাল পাইছিল সেই কথা ক'ব পৰা নাছিল। এনেদৰে শংকৰে গোপনে সকোলো কথা সহ্য কৰি গৈছিল। ভৌৰৱৰ আজি

ৰিজাল্ট দিছে। সি ইউনিভাৰ্ছিটিৰ ভিতৰত Physicsত টপ্পাৰ হৈছে। সকোলোৱে তাৰ এই সাফল্যত অত্যন্ত সুখি। সি এই উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যাব। কালিলৈ সি যাত্ৰা কৰিব সুদূৰ আমেৰিকালৈ। অৰ্চনাক সি কথা দিছে যে সি ঘুৰি অহিয়ে তইক বিয়া কৰাব। আঁহোতে কথা দিছে যে তাই তাৰ বাহিৰে অন্য কাৰো সৈতে বিয়া নকৰায়। বিদায় ক্ষণত দুয়োৰে চকুত পানী বিৰিঙি আহিল ভৌৰৱ গলগৈ । অৰ্চনা এইবাৰ কলেজৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ। শংকৰ আৰু বিপ্লৱৰো কলেজৰ শেষ বছৰ। ইতিমধ্য শংকৰৰ মাক দেউতাকে তাৰ মুখৰ পৰা সকলো গ'ম পাইছিল। শংকৰ হতৰ ইতিমধ্য কেলেজৰ চুৰান্ত পৰীক্ষাও শেষ হ'ল। এনেতে এদিন শংকৰৰ মাক দেউতাক অৰ্চনাহঁতৰ ঘৰ ওলালেহি। মাক-দেউতকে খোলা-খুলিকৈয়ে অৰ্চনাক শংকৰৰ বাবে খুজিলে। আৰু ক'লে যে পঢ়া-শুনা ক্ষেত্ৰত তেওঁলোকে অৰ্চনাক কোনো বাধা নিদিয়ে। অৰ্চনাৰ মাকে প্ৰথমে মানি লোৱা নাছিল। একো কাম বন নকৰা লৰা এজনৰ সৈতে তেওঁ জীয়েকক দিবলৈ টান পাইছিল কিন্তু য়েতিয়া সি দেউতাকৰ বিজনেছ চন্তালিব বুলি ক'লে, কথা দিলে। কিন্তু কোনেও অৰ্চনাক সোধাৰ প্ৰয়োজনবোধ নকৰিলে। শংকৰৰ মাক দেউতাক গলগৈ। তাই মাকক সকলো কথা ক'লে, কিন্তু মাকে তাইৰ কথা গুৰুত্ব দিব নোৱৰিলে, কাৰণ সেই সময়ত তাইৰ বায়েক-ভিনিয়েক আহি ওলালহি। মাক দেউতাক দুয়ো বায়েকৰ সৈতে ব্যস্ত হৈ পৰিল। তায়ো বায়েকহঁতৰ লগত ব্যস্ত হৈ পৰিছিল যদিও মনতে তাইৰ অস্থিৰ হৈ পৰিছিল আৰু তাইৰ মুখত তাৰ চিন প্ৰস্ফুৰ্তিত হৈছিল। ৰাতি সকলো খাই-বৈ উঠাৰ পাছত বায়েক আৰু তাই আজৰি হৈ তাই ৰুমত শুবলৈ গ'ল। বায়েকক তাই সকোলো কথা খোলাখুলিকৈ কৈ দিলে। বায়েকে তাইক পুনৰ ক'লে, ''তোক যদি ভৌৰৱে সঁচাকৈয়ে ভাল পায়, সি নিশ্চয় আহিব। এতিয়া শুই থাক।''

অৰ্চনা বায়েকঁহতৰ দুদিন পাছতে গুচি গ'ল। এসপ্তাহৰ পিছত শংকৰৰ মাক-দেউতাক আহিল। বিয়াৰ দিন ঠিক হ'ল ''৫ আক্টোবৰ''। তাই ভৌৰৱলৈ খবৰ পঠালে তইৰ হাতত মাথো তিনি মাহ সময়। ভৌৰৱে তাইলৈ খবৰ পঠালে যে সি এই তিনি মাহৰ ভিতৰত আহি আছে। তাই কিন্তু যিমান পাৰে সোনকালে মাতি পঠালে। আনহাতে ভৌৰৱে তাৰ মাক দেউতাককো সকলো কথা জনালে। ভৌৰৱৰ মাক-দেউতাক আহি অৰ্চনাৰ মাক-দেউতাকৰ লগত কথা পাতিলেহি। কিন্তু তেওঁলোক নিৰাশ হ'ল। কাৰণ অৰ্চনাৰ মাক দেউতাক শংকৰৰ মাক-দেউতাকক কথা দিছে। ইফালে ভৌৰৱে যিমান পাৰে সোনকালে আহিবলৈ চেষ্টা চলালে। সি বিদেশত এটা ভাল চাকৰি পালে। কিন্তু তাৰ মনটো অনবৰতে অস্থিৰ হৈ থাকিল। এই তিনি মাহৰ ভিতৰতে অৰ্চনাক আঙুঠি পিন্ধোৱা হৈ গ'ল। এতিয়া মাত্ৰ বিয়ালৈ এসপ্তাহহে বাকী। অৰ্চনাৰ মনৰ স্থিৰতা নোহোৱা হ'ল। তাই ভিতৰি ভিতৰি দুখত ভাগি পৰিছে। আনফালে শংকৰৰ মন স্ফুৰ্তিৰে ভৰি পৰিছিল। সি আনন্দত আত্মহাৰা হৈ পৰিছিল, আৰু এসপ্তাহৰ পাছত, সি তাইক নিজাকৈ পাব, যাক সি নিজতকৈয়ো ভাল পায়। কিন্তু আনফালে অৰ্চনাৰ অৱস্থা বেয়া হৈ আহিছিল। বায়েকে তাইক মাথো সান্তনা দিছিল আৰু বুজাইছিল।

আজি অৰ্চনাৰ বিয়া। অৰ্চনাৰ চিন্তা হৈছে, ভৌৰৱ কি নাহিব নেকি? কিন্তু তাই যে ভৌৰৱক কথা দিছে; তাই কেৱল ভৌৰৱৰে আন কাৰো হব নোৱাৰে 'বিয়া ঘৰ আলহীৰে ভৰি পৰিল। ৰাতি হৈ আহিল। কইনাক কাপোৰ সলাবৰ বাবে ভিতৰলৈ নিয়া হল । সেই সময়ত অৰ্চনাৰ লগত নীলাক্ষীক তাই অলপ সময় অকলে থাকিব বিচাৰিছে বুলি কোৱাত তাইক ৰোমতে অকলে এৰি বাহিৰলৈ গুচি গ'ল। তাই ৰুমত দৰ্জা বন্ধ কৰি খুব কান্দিলে আৰু এসময়ত বিয়াৰ প্ৰধান বগা কাপোৰৰ সাজটোৰ ছাদৰখনে তাই ওলমি পৰিল ফেনখনত। ইতিমধ্যে বিয়া ঘৰত বহুত আলহী ৰে ভৰি পৰিল। আধাঘন্টাকৈ বেছি হ'ল অৰ্চনা ৰুমৰ পৰা ওলাই আহা নাই। সেই দেখি তাইৰ বায়েক আৰু নীলাক্ষী তাইৰ দুৱাৰ টুকুৰিলে আৰু তাক মাতিলে। ভিতৰৰ পৰা কিন্তু কোনো উওৰ নাহিল। বায়েকে প্ৰায়ে দৌৰি গৈয়ে দেউতাক আৰু অশোকক মাতি আনিলে। তেওঁলোকে তাইক মাতিলে, কিন্তু কোনো উত্তৰ নাপালে। বিয়া ঘৰৰ সকলো আলহী আচৰিত হ'ল, পুনৰ দেউতাক আৰু মাকে তাইক মাতিলে। অৰ্চনাক চিঞৰিলে কিন্তু কোনো উওৰ নপালে। অৱশেষত দুৱাৰখন ভাঙিবলৈ সিদ্ধান্ত ল'লে। মাকৰ আৰু বায়েকৰ ভয়ত অৱস্থা নোহোৱা হ'ল। নীলাক্ষীৰ একেই হৈ পৰিল আৰু এচকুত থিয় হৈ ৰ'লগৈ। অৱশেষত দেউতাক আৰু মাক দুৱাখন ভাঙি ভিতৰলৈ সোমাই গ'ল। আৰু মাক দেউতাকৰ আৰু মাকৰ চিঞৰ বহিৰৰ মানোহে শুনিবলৈ পালে। মাক আৰু বায়েক ঠাইতে অচেতন হৈ পৰিল। বিয়া ঘৰ লগে লগে চেঁচা হৈ পৰিল। কোনোবাই শংকৰৰ ঘৰলৈ ফোন কৰি সকেলো ক'লে। লগে লগে শংকৰহঁতৰ ঘৰখনৰো একে অৱস্থা হ'ল। শংকৰ বলিয়া দৰে হৈ পৰে। সি দৌৰি গৈ নিজৰ ৰুমত সোমাই পৰিল আৰু বিছনাত পৰি বহু সময় কান্দিলে। অৱশেষত সিও এখন চুৰিৰে আত্মহত্যা কৰিলে। আনফালে ভৌৰৱ আহি অৰ্চনাহঁতৰ ঘৰত আহি পালেহি। সি লৰা-লৰিকৈ ভিতৰলৈ গ'ল। কি হৈছে সি একো ধৰিব নোৱাৰিলে। অৱশেষত সি অৰ্চনাৰ মৃতদেহটো মজিয়াত পৰি থকা দেখা পালে। সি একেবাৰে বলিয়া দৰে হৈ পৰিল। সি পগলাৰ দৰে আচৰণ কৰিবলৈ ধৰিলে। অৱশেষত সি ওলাই আহিল আৰু গাড়ী চলাই গুচি গ'লগৈ। সি একো নেদেখিলে, তাৰ ভবা শক্তিকণো নাইকিয়া হৈ পৰিল। অৰ্চনাহঁতৰ ঘৰৰ পৰা এক কিলোমিটাৰ মান দূৰত সি সন্মুখৰ পৰা অহি থকা এখন ট্ৰাকত খুন্দা মাৰিলে। লগে লগে তাৰ মৃত্যু হ'ল। তিনিটা আত্মা কিছু ক্ষণৰ ভিতৰতে মুক্ত হৈ পৰিল আৰু অৱশেষত থাকি গ'ল সিঁহতৰ স্মৃতি। এই মৰ্মভেদি ঘটনাৰ প্ৰত্যক্ষ সাক্ষী হৈ ৰ'ল বিপ্লৱ আৰু নীলাক্ষী।

# FUN TIME TALK

*

*Servant :* *After one and half month leave he joint the service, the next day he went to the boss cabin for leave of three days for his marriage again.*

*Boss :* *Then the boss said to the servant that why you married in the leave of one and half month.*

*Servant :* *He said that, Sir,I don't want to waste my holiday in marriage.*

*Boss :* *What ?*

**

*In a hotel one man came and sit. And said the waiter for a cup of tea.*

*Waiter :* *First he see the man with a elegant look then he said that sir bill first.*

*Man :* *He said everyone one will give a cup of tea in place of money, but it is usual if you give me a cup of tea without money then it will be something unusual.*

*Waiter :* *He go and came with a empty cup and said to the man that everyone can drink tea in a cup, it is usual be if you can drink empty cup it is unusual.*

***

*One girl want ot buy a shirt for her boyfriend, so she went to a shop ,the shopkeeper give her a very beautiful shirt one after another. But she can't like anyone of them,She can't select any of them, she can't decide what to do...!*

*Shopkeeper : May, I have a solution for you madam,you can chnge your boyfriend.*

# এটি আধৰুৱা সপোন

অঞ্জনা শৰ্ম্মা
*উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)*



মানুহে বাৰু জীৱনৰ পৰা বিচাৰে কি? কিহৰ অন্বেষণত মানুহ সমুখলৈ গৈ আছে? ইয়াৰ অন্তৰালত আছেনো কি? বাস্তৱত উজলি উঠা শেষ নোহোৱা সপোনবোৰেই নহয় জানো? জীৱন মানেই সপোন। সপোনতেই বিচাৰি পোৱা যায় জীয়াই থকাৰ মাদকতা। সেই সপোন বিভিন্নধৰণৰ হ'ব পাৰে হয়তো কাৰোবাৰ বাবে সুন্দৰী পৰী, কাৰোবাৰ বাবে এজন সুন্দৰ কোঁৱৰ, কাৰোবাৰ বাবে বিশালাকৃতিৰ বাৰ্থ ডে কেক অথবা শ্ৰেণীত প্ৰথম হোৱাৰ বাসনা। এই সপোন হয়তো কাৰোবাৰ গোপনতম অভিলাষৰ সপোন। যি সপোন হয়তো কাকো কোৱা নহয়। মাথো নিজৰ বাবেহে মহাসুখদায়ক।

সপোনবোৰ যেতিয়া বাস্তৱত ৰূপায়িত হয় তেতিয়া পৃথিৱীত জীয়াই থকাৰ সকলো সুখ পোৱা যায়, কিন্তু যদি সপোনবোৰ আধৰুৱা হৈ ৰৈ যায় তেতিয়া ই বাস্তৱ জীৱনত কঢ়িয়াই আনে মাথো দুখ। এই দুখবোৰ হয়তো কাৰোবাৰ কাকো সন্তেদ নিদিয়াকৈ হৃদয়ৰ মাজত থাকি যায়, কিন্তু কোনোবাই মনৰ আপোনজন বা প্ৰিয় বন্ধুৰ আগত ব্যক্ত কৰিবলৈ সুবিধা পায়। যিবিলাকে এই দুখবোৰৰ কথা কবলৈ সংগী বিচাৰি পায় তেওঁলোক নিশ্চয় বৰ ভাগ্যবান আৰু যিবিলাকে নাপায় তেওঁলোক সচাকৈয়ে বৰ দুৰ্ভগীয়া।

"তগৰ"–এপাহি তগৰ ফুলৰ দৰে ধুনীয়া আৰু মৰম লগা ছোৱালী। তগৰেও যৌবনৰ দুৱাৰদলিত ভৰি দিয়েই সপোন দেখিছিল। যি সপোনে তাইৰ বাবে কঢ়িয়াই আনিছিল নাম নজনা আবেশ শিহৰণ আৰু কল্পনাৰ বা ছাটিয়ে ধুৱাই গৈছিল তাইৰ উৰণীয়া মন। তগৰেও সপোন দেখিছিল তাইৰ উৰণীয়া মন। তগৰেও সপোন কোঁৱৰ "বসন্ত"ক লৈ। কিন্তু সই সপোন অধৰুৱা হৈ ৰব বুলি তাই কোনোদিনেই ভবা নাছিল। তগৰে যৌৱনত ভৰি দিয়েই লগ পইছিল "বসন্ত"ক। যিদৰে বসন্ত কালৰ পৰশ পাই "তগৰ" ফুল ফুলে, ঠিক সেইদৰে "বসন্ত"ৰ প্ৰতিটো কথায়েই তগৰৰ হৃদয়লৈ কঢ়িয়াই আনিছিল প্ৰেমৰ অনুভূতি। লাহে লাহে সই প্ৰেম তগৰৰ হৃদয়ত খোপনি পুতি লৈছিল। কিন্তু যি প্ৰেমত তাৰ মতলীয়া সেই প্ৰেম আছিল অব্যক্ত। তগৰে ভাবিছিল সেই প্ৰেমৰ প্ৰস্তাৱ তাই সময়ত আগবঢ়াব। সেই মধুৰতম সময়টোলৈ তাই অপেক্ষা কৰিব। প্ৰায় তিনি বছৰ মানৰ পাছত এদিন তাইৰ অতি ভাল বান্ধবী তৰাৰ যোগেদি বসন্তলৈ প্ৰেমৰ প্ৰস্তাৱ অগবঢ়াবলৈ সিদ্ধান্ত কৰিছিল। তগৰ তৰাৰ ওচৰত তাইৰ বসন্তৰ প্ৰতি থকা গোপন প্ৰেমৰ প্ৰস্তাৱ অগতই তৰাৰ মুখৰ পৰা যিবোৰ কথা শুনিছিল, সেই কথাবোৰ শুনি তগৰে আৰু তৰাক একোৱেই ক'ব পৰা নাছিল। তৰাই তগৰক কৈছিল যে বসন্ত বসন্তই তাইৰ একেখন গাঁৱৰে ছোৱালী কুঁহিক বহুদিনৰ পৰা ভাল পাই আছে। তৰাৰ কথাবোৰ তগৰৰ মনত হুলে বিন্ধাদি বিন্ধিছিল, তাইৰ আন একোৱেই কথা শুনিবলৈ মন নাছিল, তাইৰ কাণত মাথো বাজি ওঠিছিল "বসন্ত আৰু কুঁহি" "বসন্ত আৰু কুঁহি"।

সঁচাকৈয়ে সেইদিনা মনত পৰিল তগৰ যেন আজিও উচুপি উঠে। সেইদিনাখন তগৰৰ যিটোহে অৱস্থা হৈছিল সেইটো তাই তৰাৰ সন্মুখত ব্যক্ত কৰিব পৰা নাছিল। ক'ত কল্পনা কৰিছিল তগৰে তাইৰ সপোন কোঁৱৰ বসন্তক লৈ। কিন্তু সেই সপোন আজি মাথো হিয়াৰ এচুকত সাঁচি ৰখা এটি সপোন। যি সপোন হয়তো কাকোৱেই কোৱা নহল। বাকী ৰ'ল মাথো স্মৃতি হে। যি স্মৃতিয়ে ছাগে তগৰক এতিয়াও নিতে নিতে সোঁৱৰাই এটি সপোন– মাথো "এটি আধৰুৱা সপোন"।

মঞ্চশিল্প

# প্ৰেম আৰু প্ৰেম

বিশ্বজিৎ বৰা
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*



**প্ৰথম দৃশ্য**

গগৈ বৰ ধনী মানুহ। তেওঁৰ অন্তৰখন বৰ কোমল। ঘৈনীয়েক গগৈয়িনী আৰু জীয়েক তেওঁৰ দৰে নহয়। দীপ গগৈ তেওঁৰ পুত্ৰ।

গগৈয়িনী আৰু মনালিছা দ্ৰইং ৰুমত বহি থাকে এনেতে জিত আৰু মনোজ দীপৰ ঘৰলৈ আহে।

জিত :(বাহিৰৰপৰা )দিপ ঘৰত আছেনে?

মনালিছা : কোন ?

জিত :(গগৈয়েনীলৈ চাই) Good afternoon আন্টি।

গগৈয়িনী : অ' বহা জিত।

মনালিছা : দিপ তোমাৰ বন্ধু আহিছে।

দিপ : অ' তোমালোক!!! কিবা কাম আছিলে হ'বলা ?

মনোজ : আমি কথা এটা ভাবিছোঁ।

দিপ : কি কথা বা?

আমি আহা দেওবাৰে আমি বনভোজলৈ যাম বুলি ভাবিছোঁ।

দিপ : কলৈ যাবা?

মনোজ : কাজিৰঙালৈ

গগৈয়িনী : নাই নোৱাৰে।

দিপ : মা!!!!

জিত : তুমি পাৰিবানে দিপ?

মনালিছা : চাহ খাবা?

জিত : হ'ব বাইদেও!!!

মনালিছা : কিহৰ কথা ভাবিছা জিত?

মনোজ : আমি এটা বনভোজৰ কথা ভাবিছো।

মনলিছা : ক'লৈ যাবা?

মনোজ : কাজিৰঙালৈ যাম।

মনালিছা : বৰ ভাল হ'ব ।(এই বুলি কৈ তাই ভিতৰলৈ গুচি যায় এনেতে ফোন আহে গগৈয়িনীয়ে ধৰে ।

গগৈয়িনী: কোনে কৈছে ?

মুন : আ– আন্তি, মই মুনে কৈছো। তাত জিত অছে নেকি ? আছে যদি অলপ দিয়কছোন।

গগৈয়িনী : জিত তোমাৰ ফোন।

জিত : কোনে কৈছে?

মুন : কোনে কৈছে? মোৰ মাতটো বুজি পোৱা নাই ?

জিত : পাইছো,কি হ'ল?

মুন : কি পাহৰিলা নেকি প্ৰগ্ৰামৰ কথা?

জিত : আৰে কেনেকৈ পাহৰিম।

মনোজ : কি হ'ল?

জিত : সোনকালে মাতি পঠাইছে।

মনোজ : দিপ তোমাৰ কি হ'ব?

গগৈয়িনী : নাই নোৱাৰে । বিশেষকৈ তোমালোকৰ লগত।

জিত : ক্ষমা কৰিব আন্টি। অপোনলোকক আমনি দিলো। দীপ থাকা বেয়া নপাবা ।(মনোজ আৰু জিত গুচি যায়।)

গগৈয়িনী :দেখিলা তাহাঁতৰ মাত গতি । দিপ তাহাতৰ ল'গ এৰি দে !! ক'ৰ গাৱালীয়া ল'ৰা টাউনৰ বতাহ লাগিছে।

কথাৰ হিচাপেই নাই। (এনেতে গগৈ সোমাই আহে)
গগৈ : কি গাঁৱলীয়া ল'ৰা ?
গগৈয়িনী : জিত ,মনোজহতঁৰ কথা কৈছো।
গগৈ : কি হ'লনো?
মনালিছা : সিহঁতে বোলে বনভোজ খাবলৈ যাব। আমাৰ ইয়াকো লগ ধৰিবলৈ অহিছিল। মায়ে নালাগে বুলি ক'লে।
গগৈ : কিয়?
গগৈয়িনী : সেই গাঁৱলীয়া ল'ৰা কেইটাৰ লগত আমাৰ ই যাব নেকি?
গগৈ : কিয় নোৱাৰিব?
গগৈয়িনী : বাদ দিয়া। সেইবোৰ যিহে? গম পাবা (এই বুলি কৈ গগৈয়িনী ভিতৰলৈ সোমাই যায়।)

(২)

মুন আৰু মামণিৰ ৰুমত, এনেতে জিত আৰু মনোজ সিহঁতৰ ওচৰ পালেগৈ।
জিত : সকলো ভালে আছানে?
মুন : কিয় ইমান দেৰি কৰিলা?
মনোজ : ক'ত ইমান দেৰি হ'ল, তাই নাই নেকি?
মামণি : আমাৰ তোমলোকৈ ৰৈ ৰৈ আমনি লাগি গ'ল।
জিত : মাকে আমাৰ নিচিনা গাঁৱলীয়া ল'ৰাৰ লগত যাবলৈ নিদিয়ে।
মুন : আৰে জিত তোমাৰ চকুত পানী যে?
জিত : আ বহুত দেৰি হ'ল!!! ব'লা, প্ৰথমে বজাৰ কৰি লওঁ। শেষত ডিনাৰ কৰিম ইন্দুসূৰ্যত। সকলোৰে ক'লে বৰ মজা লাগিব।(এনেতে ফোন আহে)
জিত : হেল্লো কোনে কৈছে?
দিপ : মই দিপে কৈছো, বজাৰলৈ ওলালা নেকি?
জিত : অ' ওলাইছো।
দিপ : আজি আমাৰ ঘৰত যি হ'ল তোমলোকে বেয়া নাপাবা।
জিত : আৰে কিহৰ বেয়া পবলৈ আছে আৰু? আমিতো গাঁৱলীয়া ল'ৰা। কথা শুনিবই লাগিব। কালিলৈ কলেজলৈ আহিবা নে?
দিপ : আহিব লাগিব।
দিপ : এতিয়া ৰাখো বজাৰলৈ দেৰি হৈছে।
দিপ : অ' থোৰা।

(৩)

পিছদিনা কলেজত মুন, মনোজ, জিত আৰু মামণিয়ে কথা পাতি আছে।
মুন : জিত কালি কিন্তু কিছু ভাল লাগিছিল।
জিত : নালাগিব কিয়, য'ত আমি আছো।
মামণি : পিছে মই ডিনাৰহে বেছি ভাল পালো।
মনোজ : কাৰণ তুমি যে লুভীয়া।
জিত :বচ্ বচ্ তোমালোকে এইবোৰ বাদ দিয়া। মোৰ পিছে ডান্চ হে ভাল লাগিল।
মমনি : কিয়নো দুয়ো একেলগে।
মুন : ধেৎ তেৰি অ' এইজনী!!!
মনোজ : অ' কি বেয়া কথা কৈছো।
জিত : পিছে তোমালোকৰো ভাল মস্তি হৈছিল।(এনেতে ক্লাছৰ সময় হোৱাত সকলোৰে ক্লাচলৈ যাবলৈ ওলাল। দিপে পাচফালৰ মাত দিলে।)
দিপ : Hai everybody, how are you ?
জিত : We are OK How are you ?
দিপ : As like you ...!!! কালি জমিলেনে ?
মনোজ : মজা জমিলে (আটায়ে কথা পাতি পাতি কোঠালৈ আহে)
দ্বীপা :Hai Deep ...! How are you?
দিপ : Fine, Are you OK
দ্বীপা : Oh .Yeah .
শিক্ষক : Good Morning evreybody
ছাত্ৰ ছাত্ৰী : Good morning Sir
শিক্ষক : Sit down Please
ছাত্ৰী : Thank you Sir
শিক্ষক : Roll call কৰে ১,২,৩,৪,৫,৬,৭.........
শিক্ষক : Roll ১৩৬ আইৱা Sir
শিক্ষক : এইটো কেনেকুৱা বস্তু ....?
Roll ১৩৬ : প্ৰেম।
শিক্ষক : কি ???
Roll ১৩৬ : নহয় মানে চাৰ মই ক'ব বিচাৰিছো অসমীয়াৰ সেই আনন্দময় Lessonটোৰ কথা।
শিক্ষক : অ'' সেই সুন্দৰ কাহিনিটোৰ যে।
Roll ১৩৬ : হয় ছাৰ।
(কলেজ ছুটী পাছত সকোলোৰে ঘৰমুৱা হৈছে।)
দিপ : জিত- কালি মাৰ কথা বেয়া পালা নেকি?
জিত : আৰে আকৌ সেই যোৱা কথাবোৰ কৈছা কিয়?বেলগ কথা নাই নেকি ? বাদ দিয়া সেই কথাবোৰ!!!
দিপ : মনোজ মইয়ো তোমলোকৰ লগত যাম বুলি ভাবিছো।মোক তোমালোকৰ লগত নিবানে?
মনোজ :আমিতো নিম বুলিয়ে কৈছো। পিছে তোমাৰ আকৌ ......
দিপ : তোমালোকৰ লগত কোন-কোন যাব ?
জিত : আমি চাৰিটাতো আছোৱেই আৰু দ্বিপা যাম বুলি

কৈছে। লগত তোমালোকৰ নাম ধৰি থৈছিলো পিছে ....
দিপ : গাড়ী পালানে?
জিত : কালিলৈ গাৱঁলৈ যাওঁ কিবা এটা কৰিব লাগিব।
দ্বিপা : দিপ কি তুমি নোযোৱা।
দিপ : যাবতো লাগিব, ঘৰৰ পৰা পাচটো উলিয়াব লাগিবতো।
দ্বিপা : তুমি নগলে ময়ো নাযাওঁ। তুমি যাবই লাগিব।
জিত : অ' দিপ তুমি ঘৰ পালাহি। আমি গৈ থাকো।
দিপ :অ''যোৱা, Bye Everybody .
দ্বিপা :ঐ.......ye D.........ep!!!
জিত : আৰু মাজত এদিন আছে। মই কালিলৈ Major Class কৰি ঘৰলৈ যাব লাগিব।
মুন : কিয় ? আহিবা নে থাকিবা?
জিত : কিয় গাড়ী .............
মুন : তোমাৰ মন ......
জিত :অ' তো আৰু কাৰ হ'ব।(সকলোৱে নিজ নিজ Roomত সোমাই)

(৪)

(গগৈৰ ঘৰ। সকলোৱে লগ লাগি কিবা আলোচনা কৰি থাকে)
দিপ : দেউতা, মই দেওবাৰে বিশ্বহঁতৰ লগত যামেই।
গগৈয়িনী : নাই নোৱাৰ যাব।
দিপ : কিয় নোৱাৰিম?
গগৈয়িনী : মই কৈছো নোৱাৰ, নোৱাৰ, নোৱাৰ।
দিপ : মই কৈছো যামেই যাম। দেউতা মোক যাবলৈ দিবই লাগিব।
গগৈ : হব বাৰু, মোক চিন্তা কৰিবলৈ দিয়া।
দিপ : মই যামেই ।(দিপ খণ্ডেৰে ভিতৰলৈ যায়গৈ)
গগৈ : তাক যাবলৈ দিয়া। আৰু এটা কথা পাহৰি নাযাবা যে আমিয়ো এসময়ত গাঁৱতে বাস কৰিছিলো। (সকলোৱেই নিজৰ নিজৰ কোঠালৈ সোমাই )
(পিছদিনা সকলোৱে কলেজলৈ আহে। জিতহঁতে কিবা আলোচনা কৰি থাকে। এনেতে দিপে মাত দিয়ে)
দিপ : Hai....
দ্বিপা : Hai...কি হ'ল কালি কথাটো?
দিপ : কি কথা?
দ্বিপা : বনভোজৰ কথা আকৌ।
দিপ : মই কালি ঘৰত কৈ দিলো যে মই যামেই।
জিত : ঘৰত কি ক'লে?
দিপ : দেউতাই হ'ব বাৰু বুলি ক'লে।
(সকলোৱে ক্লাচ কৰিবলৈ গ'ল কিন্তু ক্লাচ নহল কলেজো চুটী হ'ল)



জিত : মুন মই ঘৰৰ পৰা আহোগৈ।
মুন : এতিয়াই!!!!আহিবানে থাকিবা?
জিত : আহিম আক' মুন ......
মুন : হু.....কি কোৱা ......?
জিত :মোৰ কিতপ খিনি লৈ যোৱা তোমাৰ ওচৰত থৈ দিবা। মই আহি লৈ যাম।
মুন : Roomলৈ নোযোৱা ?
জিত : নেযাও আৰু ঘৰলৈ যাঁওগৈ সোনকলে আহিব লাগিব।
মুন : ঐ ye...... জিত ......
(তিনি ঘণ্টা মান হ'ল জিত পোৱাহি নাই –চিন্তাত মুনে যামিনিৰ লগত কথা পাতি থাকে,এনেতে মনোজো সিহতৰ roomত আছে)
মুন : জিত ইমান দেৰি পোৱাহি নাই।
মামণি : কিয় চিন্তা কৰিছা???
মুন : ধেৎ এইজনী।
মনোজ : কালিলৈ কিমান যে জমিব। ভাবিলে পাৰ নাপাও।
মুন : ভাবি কি লাভ কালিলৈতো জমিবই কাৰণ লগত সকলো সবই....
মামনি : ধেৎ ।
(এনেতে বাহিৰত গাড়ীৰ মাত,গাড়ী ৰখাই জিত সোমাই আহে.....)
মুন : কালিৰ যোৱা কথা ভাবি মনোজে সপোন দেখিলেই।
জিত : কি মজা ময়ো ভাবিছো।
মুন : কি ভাবিছা?
জিত : ভাবিছো এজোপা গছত দুটা চৰায়ে মনৰ কথা পাতিব।
মুন : চৰাই দুটা কোন ???
জিত : মই আৰু ........
মুন : You ........(সকলোৱে হাঁহি দিয়ে)
মনোজ : বাৰু এতিয়া আমি যাঁওগৈ– ৰাতিও বহুত হ'ল।(জিত আৰু মনোজ নিজৰ ৰুমলৈ গ'লগৈ)

(৫)

পিছৰ দিনা সকলোৱে নিজৰ নিজৰ বয়-বস্তু লৈ আহি গাড়ীত ভৰালে। সকলো তৈয়াৰ হৈ যোৱাৰ পাছত দিপ, জিত, মনোজ, দ্বিপা, মুন, মামনিহঁতে journey আৰম্ভ কৰিলে। সিহঁত নীল আকাশৰ তলত, জীৱনৰ আটাইতকৈ সুখৰ দিনবোৰ বিচাৰি পালে।
সিহঁতৰ জীৱনৰ শুভ কামনাৰে........



# প্ৰেমৰ প্ৰস্তাৱ

মিচ য়াছমিন বেগম
*কলা শাখা, দ্বিতীয় বৰ্ষ*

৩১ মাৰ্চৰ দিনা, আবেলি প্ৰায় ৫ মান বাজিছিল, মানুহৰ সমাগম নথকা পথেদি নিছা আহি আছিল কলেজৰ পৰা আনন্দ মনেৰে, কিয়নো তাইৰ পৰীক্ষা আজি শেষ হৈছে আৰু দুই এদিনৰ ভিতৰত তাই গাঁৱৰ ঘৰলৈ যাব। খুৰাকৰ ঘৰৰ পৰা কলেজলৈ ওচৰ হোৱাৰ বাবে তাই তাত থাকিয়ে কলেজ পঢ়িছে। কিবা কিবি ভাবি গৈ থাকোতে হঠাৎ তাইৰ নিচেই কাষতে আহি এখন ভান ৰ'লহি। ভানৰ পৰা দুজন ক'লা কাপোৰ পিন্ধা মানুহ নামি আহিল আৰু তাইক টানি ভানত সোমুৱালে আৰু মুখ-হাত বান্ধি পেলালে। ভানখন গৈ এটা ঘৰৰ সন্মুখত ৰ'ল। ঘৰৰ ভিতৰলৈ নি তাইক মুকলি কৰি দিয়ে। তাই পাৰে মানে চিঞৰিছিল, আৰু এজনে ধমক দি কলে, "চুপ থাকা" অলপ পাচত সকলো গম পাবা। মানুহজনৰ মাতটো ভয়ংকৰ, চকুকেইটাৰ বাহিৰে বাকী অংশ ক'লা কাপোৰেৰে বন্ধা আছে। তেওঁলোক বাহিৰৰ পৰা তলা লগাই গুছি গ'ল। নিচাই দুৱাৰত ঢকিয়াই ঢকিয়াই চিঞৰিলে। আৰু শেষত কান্দি কান্দি দুৱাৰত আউজি বহি পৰিল। প্ৰায় এঘণ্টা মানৰ পাচত ভানখন আহিল। তাই চিনাকি চিঞৰ এটা শুনি পালে। কোন হ'ব পাৰে ??? কাক বাৰু বান্ধি আনিছে ??? সেই অপহৰণকাৰী কেইজন। দুৱাৰ খুলি সোমাই আহি তেওঁলোকে প্ৰথমে লাইট জ্বলালে। পোহৰত কবিৰক দেখি তাইৰ গাটো শিয়ৰি গ'ল। সি চিঞৰি আছিল "আপোনালোকে মোক কিয় ধৰি আনিছে আৰু মই কি কৰিলো?" তাক ধৰি খুটা এটাত বান্ধিলে। এজনে তাৰ পাছফালৰ চুলিত ধৰি কলে "মনে মনে থাকিবিনে তাইক খতম কৰি দিম ?"– নিচাৰ ফালে আঙুলিয়াই দেখুৱালে । তাইক দেখি কবিৰ মনে মনে থাকিলে। এজনে পানীৰ বটল আৰু খোৱা বস্তু আনি টেবুলত থৈ ক'লে "খাই ল'বা"। আমাক ইয়ালৈ কিয় আনিছে নকয় কিয়? ৰাতিপুৱা সকলো গ'ম পাবা বুলি কৈ মানুহ দুজন দুৱাৰ বন্ধ কৰি গ'লগৈ। তাইলৈ চাই কবিৰৰ মনত পুতৌ জন্মিল।

তেতিয়া সি ডিগ্ৰী প্ৰথম বৰ্ষত আছিল আৰু তাই প্ৰথম কলেজত ভৰি দিছিল। কবিৰ দলত আছি– ৰাজীৱ, মনোজ,

ধ্ৰুৱজিৎ আৰু দুটামান। ৰাজীৱহঁতে নিচাক ৰেগিং কৰিবলৈ মাতি আনিছিল। কবিৰে অন্য ফালে মুখ কৰি থকাৰ বাবে তাইক দেখা নাছিল। "তোমাৰ নাম? এজনে সুধিলে। "মেহেক নিচা" উত্তৰত কলে, ইমান মিঠা মাত নামটোত ধুনীয়া, কোননো এই নামৰ গৰাকী চাবলৈ কবিৰে মুখখন ঘূৰালে আৰু খন্তেকৰ বাবে থমকি ৰ'ল। ইমান ধুনীয়া এই ছোৱালীজনী। সি বহুত ধুনীয়া ধুনীয়া ছোৱালী দেখিছে কিন্তু এইৰ দৰে দেখা নাই। এই যেন অলপ বেলেগ ধুনীয়া যাক কাৰো লগত তুলনা কৰিব নোৱাৰি। সকলোৱে তাইক নানান প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰিছে। শেষত কবিৰে সকলোকে বাহিৰলৈ যাবলৈ ইংগিত দিলে। সি তাইৰ চাৰিওফালে ঘূৰি তাই সন্মুখত ৰৈ ক'লে, মই এটা প্ৰশ্ন কৰিম হা বা না উত্তৰ দিবা। "মেহেক নিছা" তুমি মোৰ গাৰ্ল ফ্ৰেণ্ড হ'বা? তাই প্ৰশ্ন শুনি অবাক চাৱনিৰে চাই ৰ'ল, এয়া কেনে ধৰণৰ প্ৰশ্ন! ক্ষমা কৰিব মই........." সি বাধা দিলে– ক'লে, "হা" বা "না"। তাই ভাবিলে "হা" ক'বতো নোৱাৰি, "না" ক'লে বা কি কৰে ভয়তে তাই কান্দি দিলে। "এই কান্দিছা কিয়, মই ধেমালিহে কৰিছো।" চকুপানী মঁচি মঁচি তাই গ'লগৈ। লুকাই থকা ৰাজীৱহঁতে চিঞৰি দিলে, প্ৰথম দেখাত প্ৰেমৰ প্ৰস্তাৱ, তোক



মানিব লাগিব দেই, পিচে ধেমালি যে কৰিলি নে সঁচাকয়ৈ!" সিঁহতৰ কথা শুনি কবিৰে "বাদ দে না" বুলি কৈ গুচি গ'ল। লাজ কৰিব নালাগে আমাৰ আগত আৰু, সকলোৱে হাঁহিলে।

দিন বাগৰি গ'ল। প্ৰথম কেইদিনমান নিচাই তাক দেখিলে মূৰ তল কৰি গুচি যায় আৰু নেদেখা ভাও ধৰে। পিচলৈ তাই ভয় নকাৰ হ'ল। নিতুমণি নামৰ এজনী বান্ধৱী পালে। দুয়ো দুয়োৰে প্ৰিয় হৈ পৰিল। কবিৰ তাইৰ প্ৰেমত পৰিছিল যে সেই কথা সি ভালদৰে জানিছিল। কোনো ছোৱালীৰ প্ৰতি তাৰ এনে ভাব হোৱা নাছিল। তাইৰ লগত ভেটা-ভেটি হ'লে তালৈ চাই হাঁহি দিয়াৰ কামনা সি সদায় কৰে। নিতুমণি আৰু নিচাই এদিন কেন্টিনত হাঁহি-হাঁহি কথা পাতি থাকোঁতে কবিৰে নিচাৰ ফালে চাই একেথৰে চাই আছিল। ভাবিছিল বহুত কথা। নিতুমণিৰ ঠাইত সি নিজকে কল্পনা কৰিছিল, তাই হাঁহি থাকিব আৰু সি চাই থাকিব। কি যে ধুনীয়া লাগে মুখখন হাঁহিটোৰ সৈতে, তাৰ কাণ্ড দেখি ধ্ৰুৱই ক'লে তইক যদি সঁচাই ভাল পাৰ কৈ নিদিয় কিয়? কল্পনাত দুবগৈ থাকিলে তোৰ সন্মুখতে আনৰ প্ৰেমিকা হ'বগৈ। ধ্ৰুৱৰ কথাই তাক শুলে বিন্ধাদি বিন্ধিলে। তেতিয়াৰে পৰা সি নিছাক প্ৰপজৰ ওপৰত প্ৰপজ কৰিব ধৰিলে। প্ৰথমে ৰাজীৱৰ প্ৰেমিকা পুনমৰ সতোৱাই সোধালে, চিঠি দিলে নিচাই ঘূৰাই দিলে।

তাইৰ খুৰাকৰ ঘৰৰ আগেদি সি প্ৰায়ে আহিবলৈ সুবিধা পাইছিল, কাৰণ তাৰ ককায়েকৰ ল'ৰা ৰাজুক স্কুলৰ পৰা অনা-নিয়া কৰাৰ বাবে। এনেকৈয়ে সি ভতিজাকক অনা-নিয়া কৰিছিল যদিও, সি নিছাক দেখা পোৱা নাছিল। দেখা পাম বুলি সি বাইকখন নিছাৰ ঘৰৰ ওচৰত লাহেকৈ চলাইছিল। এদিন তাইক দেখা পালে। তাই চাদৰ ওপৰত কাপোৰ মেলি আছিল আৰু তাই তাক দেখি অলপ লাজ কৰিলে আৰু নেদেখা ভাও ধৰি ভিতৰলৈ সোমাই গ'ল। কবিৰে বৌয়েকক কৈ ৰাজুক অনা-নিয়া দায়িত্ব নিজে ল'লে। সি ভবাৰ দৰে তাই সদায় চাদৰ ওপৰত, বাৰান্দাত নহ'লে খিৰিকি মুখত দেখে। তাৰ এনে লাগে যেন তাই তাৰ বাবে অপেক্ষা কৰি থাকে। তাইৰ চাৱনিয়ে যেন বহু কথা কয়। লাহে-লাহে সি বেছি দৃঢ় হৈ গৈছিল তাই তাক ভাল পাই বুলি। এদিন খুৰাকৰ জীয়েক মাম্পীয়ে স্কুল ছুটিত নিজৰ লগত একেলগে পঢ়া লগৰ ল'ৰা এজন লৈ আহিল। "নিছাবা", "নিছাব", মা ক'ত? বজাৰলৈ গৈছে, তোমাৰ লগত এয়া কোন? এয়া ৰাজু, আজি স্কুল সোনকালে ছুটি দিলে। ইয়াৰ আঙ্কুল তিনি বজাত আহিব তেতিয়ালৈ ই আমাৰ ঘৰত থাকিব। নিছাৰ ল'ৰাটোলৈ মৰম লাগিল। দুয়োটাক মুখ হাত ধুৱাই আৰু ৰাজুৰ লগত কথা পাতিলে। ৰাজু তোমাৰ ঘৰত কোন-কোন আছে? "নিছাই সুধিলে।" মা, পাপা, আঙ্কুল আৰু মই। অলপ দিনৰ পাছত বোল আন্টিও আহিব। মাম্পী আৰু ৰাজু দুয়ো খেলিবলৈ লাগিল। নিছাই সিহঁতক চায়-চায় ক'ৰবাত হেৰাই গৈছিল, ঠিক কাৰোবাৰ কথা ভাবি আছিল, যাক তাই ভাল পায়ো ক'ব নোৱাৰে।

কবিৰে বাইক লৈ ৰাজুক আনিবলৈ গৈ থাকোঁতেই সি মাত শুনা পালে "কবিৰ আঙ্কুল", "কবিৰ আঙ্কুল" ৰাজুৱে চিঞৰা

দেখি মাম্পীয়ো চিঞৰিলে। নিছাই গেটৰ মুখৰ পৰা দেখা পালে যে কবিৰে বাইক ঘুৰাই সিহঁতৰ ঘৰৰ ফালে আহি আছে। ৰাজু দৌৰি গৈ কবিৰৰ কোলাত উঠিল। আঙ্কুল আমাৰ স্কুল বাৰ বজাতে ছুটি হ'ল। মই মাম্পীৰ লগতে আহিলো ইয়ালৈ।

নিছাবা এইয়া কবিৰ আঙ্কুল, কৈছিল যে আন্টি আনিব বুলি। নিছাই কবিৰক বুজি নাপালে। ৰাজুৱে ভিতৰৰ পাৰ বেগটো লৈ আহিল নিছাবা যাওঁ, নিছাই ৰাজুক চুমা খাই ক'লে যে আকৌ আহিবা। কি আচৰিত যেতিয়াই এই ল'ৰাটোৰ কথা ভাবো আহি উপস্থিত হয়হি, নিছাই নিজকে কোৱাৰ দৰে ক'লে।

এই পাহ কাৰ বাবে আনিছা? কলেজত ৰঙা গোলপ এপাহ দেখি নিছাই সুধিলে। Valentines Day ত আৰু কাক দিয়ে, নিজৰ প্ৰিয়জনক হে দিয়ে, মইও দিম। মোক নোকোৱা, নিছাই আভিমান কৰি কৰিলে। খং নকৰিবা, এইপাহ তোমাৰ বাবে। হয়নে...!! Thank you নিছাই আনন্দৰে গোলপপাহ ল'লে। ইমান ধুনীয়া এই গোলপপাহ নহয় নে? নিছাই সুধিলে। তোমাৰ সমান নহয়, কবিৰে পাছফালৰ পৰা মাত লগালে, কবিৰৰ মাত শুনি নিছাই ঘুৰি চালে। কবিৰ আহি সিহঁতৰ সনুখত বহিল। গোলাপপাহ দেখি নিছাই ক'লে "তুমি ফুলৰ ৰাণী"। কবিৰৰো কৈ দিবৰ মন গ'ল তুমিয়ো মোৰ মনৰ ৰাণী, কিন্তু ক'ব নোৱাৰিলে। সি অনা গিফ্তো আৰু ৰঙা গোলপপাহ নিছাৰ ফালে আগবঢ়াই দি কলে প্লিজ না নকৰিবা।" আপুনি নুবুজে কিয়?" মোৰ মনত তেনে কোনো ভাৱ নাই। মোৰ কথা মনৰ পৰা উলিয়াই দিয়ক। তাই একে উশাহতে কথাখিনি কৈ পেলালে। কবিৰ নিছাৰ কথা খিনি শুনি আৱেগিগ হৈ পৰিল, তোমাৰ অবিহনে.....। "মই আপোনাক ভাল নাপাওঁ যেতিয়া আপোনাৰ প্ৰস্তাব কেনেকৈ গ্ৰহণ কৰো?, "মিচাকৈ হ'লেও, তুমি যি বিচাৰা তাকে দিম, তুমি যি কোৱা তাকে কৰিম আই প্ৰমিছ ইউ, কবিৰ ব্যাকুল হৈ পৰে। "কিন্তু আপুনি যি বিচাৰে তাক মই দিব নোৱাৰিম, আই এম ছৰি, নিছা গ'লগৈআৰু পাছে-পাছে নিতুও.....। কবিৰে টেবুলত মূৰটো থৈ বহি থাকিল। "দুখ নকৰিবি"ৰাজীৱে তাৰ পিঠিত মোহাৰি ক'লে, "ছোৱালীৰ কি কমি আছে!" তোৰ প্ৰস্তাব গ্ৰহণ নকৰি তাই এদিন পস্তাব চাবি।

নিতু কলেজৰ পৰা আহিয়ে নিচাৰ ঘৰলৈ গ'ল। খুৰিয়েকে দুৱাৰ খুলি দিলে। 'অ নিতুমণি, নিছা নাই? নিতুৱে সুধিলে, নাই স্কুললৈ গ'ল, মাম্পীক আনিবলৈ গৈছে। নিতুৱে নিছাৰ ৰুমত মেগাজিন চাই থাকোতে এখন ডায়েৰি দেখিলে। দুখিলামান পাত লুটিয়াই চাই তই মূৰে কপালে হাত দিলে......

"কবিৰ তোমালৈ সাজিছো এটি প্ৰজা
তাত তোমাক ৰাখিম যদিও নাই জনোৱা।
দিঠকতো আছা তুমি, সপোনতো আহা
তোমাৰ ভালপোৱা চাৱনিয়ে কৰে মোক বলিয়া
কিছুমান কথাই বাধ্য কৰিছে কৰিবলৈ এই প্ৰতিজ্ঞা

নালাগে তোমাৰ হিয়া,
নালাগে তোমাৰ দেহা
নিদিলেও থাকিব পাৰিম,
এইদৰে পাৰ কৰিম জীৱনৰ বেলা।



তাৰ মানে নিছাই কবিৰক ভাল পাই কিন্তু নকই কিয়? নিতুৱে ভাবি থাকোতেই নিছা পালেহি। তোমাক কিন্তু বেয়া পইছো, নিতুৱে অভিমান কৰি কলে। কিয়? নিচা আচৰিত হয়, "মই তোমাৰ প্ৰিয় বান্ধবী বুলি ভাবো, বিশ্বাক কৰো, সকলো কওঁ, কিন্তু তুমি মোক একেবাৰে বিশ্বাস নকৰা। এইবোৰ কি কৈছা, তোমাৰ কি হৈছে। মই তোমাক খুব ভাল পাওঁ বিশ্বাস কৰো। নিতুৱে কয়- তেন্তে এটা কথা কোৱা তুমি কবিৰদাক ভাল পাইও অভিনয় কিয় কৰি আছা? তেনেকৈ কিয় কৈছা মই তেওঁক ভাল নাপাওঁ। নিছা, আকৌ মিছা কথা। মোৰ পৰা লুকুৱাব নালাগে কাৰণ মই তোমাৰ...... ছৰি মই তোমাৰ ডায়েৰি পঢ়িলো মোক তুমি ভুল নুবুজিবা মোক ক'লে তোমাৰ একো ক্ষতি নহয়। চোৱা তুমি তেওঁক ভাল পোৱা যেতিয়া কৈ দিয়া, তেওঁ যদি তোমাক নাপাই যদি আত্মহত্যা কৰে? তেনেকৈ নক'বা প্লিজ, নিছাৰ চকু চলচলীয়া হৈ পৰে, মই তেওঁক দুখ দিব নিবিচাৰো। অজানিতে মই তেওঁক ভাল পাই পেলাইছোঁ,কিন্তু মই বাধ্য। কিয়? নিতুৱে প্ৰশ্ন কৰি নিছালৈ চালে। নিছাই কৈ গ'ল তেতিয়া.... মই বহুত সৰু আছিলো আমাৰ বাইদেউ কলেজত পঢ়িছিল। প্ৰাঞ্জল নামৰ ল'ৰা এজনে আঁজলি বাক প্ৰেমৰ জালত ফচাইছিল। বায়েকে তাক খুব বিশ্বাস কৰিছিল, হৃদয়ৰৰ কোণে কোণে তাৰ নাম লিখিছিল। মাহঁতে কথাবোৰ অলপ গ'ম পাইছিল অৰু বাক গালি দিছিল, তথাপিও তাই প্ৰাঞ্জলক এৰা নাছিল, কিন্তু সেই বিশ্বাস প্ৰাঞ্জলে বিশ্বাসঘাতকতা কৰিলে। এই দুখ তাই সহ্য কৰিব নোৱাৰি তাই নিজৰ গাত নিজে জুই লগালে। নিছাই কন্দি দিলে.... আৰু কন্দা বন্ধ কৰি আকৌ ক'বলৈ আৰম্ভ কৰিলে--তাই আত্মহত্যা কৰাৰ আগমুহূৰ্তত মোক কি কৈছিল জানা,"ভনী মই তোমাক কথা এটা কম মানিবা", "তুমি জীৱনত কেতিয়াও প্ৰেম নকৰিবা, মোৰ সেইবোৰ নজনাৰ বাবে অসুবিধা হৈছিল।

মা-দেউতাই যাৰ লগত বিয়া দিয়ে তাৰ লগতে বিয়া কৰিবা। বায়ে মোক আৰু চমিৰ দাদাক খুব মৰম কৰিছিল। নিছাই কন্দা দেখি নিতুৰো চকুপানী ওলাল। নিতুৱে নিছাক ক'লে তুমি মোক ক্ষমা কৰিবা মই নজনাকৈ তোমাক বহুত কথা ক'লো।

দিন বাগৰিল পৰীক্ষা হ'ল ৰিজাল্ট ওলাল। নিছা আৰু নিতুৱে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ পালে। কলেজলৈ নতুন নতুন ছাত্ৰ-ছাত্ৰী আহিল বহু কথাই সলনি হ'ল কলেজখনত, মাথো সলনি ন'হল কবিৰৰ মন। আজিও তাৰ মনত নিছাৰ নাম লিখা আছে। সি অকলে মন মাৰি থাকে। সেয়ে ৰাজীৱহঁতে তাক চিনেমা চাবলৈ লৈ গ'ল "ক্যা য়েহি প্যাৰ হে" ফিল্মখন চাই ৰেষ্টুৰাত সোমালে। চিনেমাখন চাই সি মন মাৰি থাকিলে, ৰাজীৱহঁতে ক'লে "মন মাৰি থাকিলে কি হ'ব তোৰ আগত গোটেই জীৱন পৰি আছে। মনোজে কয় ছোৱলীৰ কি কমি আছে, তই কৈ চা, তোৰ পাচত ছোৱালীৰ লাইন লগাই দিম। কবিৰে কয় তহঁতি ভাবিছ এই ফিল্মখন দেখুৱাই তহঁতি মোৰ মনৰ পৰা নিছাক আঁতৰাব পাৰিবি বুলি। কিন্তু সেয়া তহতৰ ভুল। ফিল্মখন চাই মোৰ বিশ্বাস আৰু বাঢ়িল। চা কেইবছৰমান পিচত হ'লেও আমিশাই আফতাবক ভাল পাওঁ বুলি কলে; নিছাইও এদিন ক'ব মোৰ বিশ্বাস। হে ভগবান তোক কেনেকৈ বুজাম, ৰাজীৱহঁতে মূৰে-কপালে হাত দিলে।



খিৰিকিয়েদি সূৰ্য্যৰ পোহৰ আহি কবিৰৰ চকুত পৰিল। অতীতৰ স্মৃতি ৰোমন্থন কৰোঁতে কেতিয়া ৰাতিতো পাৰ হৈ গ'ল গমেই নেপালে। নিছালৈ চাই তাৰ বেয়া লাগিল লেৰেজানহৈ বহি আছে তাই। গোটেই ৰাতিতো সি থিয় হৈ কটালে, তাৰ কিন্তু অলপো কষ্ট নালাগিল, কাৰণ নিছা সন্মুখত থাকিলে সি গোটেই ৰাতি কি গোটেই জীৱন পাৰ কৰি দিব পাৰিব ? এটা কথাই তাৰ মনত খুব কষ্ট দিলে। গোটেই ৰতিটো নিছাৰ খুব কষ্ট হ'ল। নিছাই কবিৰৰ ফালে চাই নিজকে অলপ দুখী-দুখী যেন অনুভৱ কৰিলে। সি গোটেই ৰাতিটো বান্ধত থাকিল। তই খুলি দিব পাৰিও খোলা নাই। আনকি মাত এষাৰো মতা নাই। নিছা উঠি আহি তাৰ কাষত বৈ ক'লে,"ইয়ালৈ আমাক কিয় আনিছে?" কবিৰে ক'লে কিডনেপিং হ'ব পাৰে। আপুনাক খুলি দিওঁ বুলি কওঁতে বাহিৰৰ পৰা ভানৰ মাত আহিল, দুয়ো দুৱাৰৰ ফালে চালে। সেই তিনিজন মানুহ সোমাই আহিছে। এজনৰ হাতত জিলিকি আছিল এখন চুৰি। এজন নিছাৰ কাষ চাপি ক'লে –আমি বিচাৰো যদি আমৰ চাহাবৰ ওচৰলৈ নি তোমাক নিকাহ পঢ়াই দিব পাৰোঁ। কিন্তু, চাহাবে আমাক মানা কৰিছে। আমাৰ চাহব ফাৰুক খানক নিশ্চয় চিনি পোৱা। এই চহৰত ফাৰুক খানক প্ৰায়ে চিনি পায়। এই চহৰখনৰ ডন। দুইনম্বৰী ব্যৱসায়, হত্যা অৰু অন্যান্য ব্যৱসায়ত বিখ্যাত যদিও পইচাৰ জোৰত পুলিচক কাষ চাপিব দিয়া নাই।

ক'লা কাপোৰ পিন্ধা অন্য এজন মানুহে ক'লে। তেখেতেই তোমাক ইয়ালৈ আনিবলৈ কৈছিল– তোমাৰ মতামত জানিবলৈ, তেওঁ তোমাক বিয়া কৰাব বিচাৰে। নিছাই সপোনতো ভবা নাছিল যে এদিন এনে পৰিস্থিতিৰ সন্মুখীন হ'ব বুলি। আপোনালোকে কি কৈছে-– এনেদৰে কাৰোবাক ধৰি আনি বিয়াৰ প্ৰস্তাৱ দিয়ে নেকি ? আমাৰ অন্য ধৰণে প্ৰস্তাৱ দিয়াৰ কোনো অভ্যাস নাই আৰু কোনোবাই যদি আমাৰ প্ৰস্তাৱ নামানে সি নিজৰ মৃত্যু মতা হ'ব। নিছাই চিঞৰি ক'লে "কিন্তু ফাৰুক খানৰ দৰে এজন নৰহত্যাকাৰীৰ লগত বিয়া হোৱাতকৈ মই নিজৰ মৃত্যু মতাই ভাল বুলি ভাবো। তেন্তে তুমি নামানিবা। অই কি চাই আছ' তাক খতম কৰি দে। কবিৰৰ ফালে চাই এজনে ক'লে। নিছাই আকৌ চিঞৰিলে তাক নামাৰিব। বিয়া হোৱা নে নোহোৱা ন'হলে তাক আমি খতম কৰি দিম। "মই আপোনালোকক হাতযোৰ কৰিছোঁ আমাক যাবলৈ দিয়ক" নিছাই আৰু ৰ'ব নোৱৰিলে তাই কান্দি কান্দি কৈ উঠিল আৰু নিছাৰ চকুৰ পানী বাগৰি আহিল। তাইৰ জীৱনৰ প্ৰথম প্ৰেমৰ প্ৰস্তাব আৰু বিয়াৰ প্ৰস্তাব এনকৈয়ে পাব বুলি তই কেতিয়াও ভবা নাছিল। আচৰিত য'ত হা ক'বলৈ ভয় আৰু না ক'লেও ভয়। কি কবিৰৰ পেটত চুৰিখন ভৰাই দিবলৈ ধৰোঁতেই নিছাই আকৌ চিঞৰিলে, তাক নামাৰিব বিয়া মইহে নহওঁ বুলি কৈছোঁ। মই হাতযোৰ কৰিছোঁ তাক নামাৰিব। আমি তাক নামাৰো যদিহে তুমি বিয়া হ'ম বুলি কোৱা এজনে মাত লগালে। তাই কবিৰৰ ফালে চালে, তাৰো চকুপানী ওলাওঁ ওলাওঁ। সি তাইলৈ চাই বিয়া নহ'বলৈ ইংগিত দিলে। তাই অলপ সাহস গোটাই মানুহ কেইজনক ক'লে– আপোনালোকে যি কয় তাকে কৰিম ,মাত্ৰ

এওঁক যাবলৈ দিয়ক। নিছা কি কৈছা এইবোৰ ? কবিৰে চিৎকাৰ কৰি উঠিল। অই, ব'ল, চাহাবক খবৰ দিওঁগৈ, চাহাব খুচ হৈ যাব। তেওঁলোকে ওলাই দুৱাৰ বন্ধ কৰি গ'লগৈ। নিছা এয়া কি কৰিলা মোৰ প্ৰাণৰ বাবে তুমি এজন হত্যাকাৰীৰ লগত বিয়া হ'ব ওলাইছা? কবিৰৰ কথাত একো নামাতি তাৰহাতৰ বান্ধ খুলি দিলে। নিছা একো নোকোৱা কিয়? ভৱিষ্যতৰ কথা চিন্তা নকৰাকৈ এই সিদ্ধান্ত কিয় লৈছা, নিছাই কয় মোক ইমান নিষ্ঠুৰ বুলি ভাবিছেনে? মোৰ বাবে আপোনাক মাৰিব আৰু মই চাই থাকিম। নিষ্ঠুৰ, কবিৰে ইতিকিংৰ সুৰত ক'লে মই জীৱনত প্ৰথমবাৰ সপোন ৰচিছিলোঁ তুমি ভাঙি চূৰমাৰ কৰিলা। মোৰ মনত এতিয়া এটাই কামনা যাক বিচাৰিছিলোঁ তেওঁক নাপালো যেতিয়া মৰি যোৱাই ভাল। আজি মোৰ কামনা পূৰ্ণ হ'ল। হয়, তুমি বাধা নিদিয়া হ'লে আজি মোক নবচোৱা হ'লে ভাবিলোহেঁতেন তুমি নিষ্ঠুৰ বুলি। তুমি মোক জীয়াই জীয়াই মৰিছা, মই যদি নিষ্ঠুৰ, আপুনি কি ?? আপুনি এজন স্বাৰ্থপৰ কেৱল নিজৰ কথায়ে চিন্তা কৰে। আপুনি মোক ভাল পায়, সেয়ে বুলি ময়ো কি ভাল পাব লাগিব। মোৰ কোনো হৃদয় নাই, মন নাই, তাই খঙেৰে ক'লে। আছে, তোমাৰ হৃদয়ো আছে, মনও আছে, তাত কাৰ নাম লিখা আছে, সি নম্ৰভাৱে ক'লে। অলপ সময় দুয়ো নিমাত হৈ থাকিল। কবিৰে ক'লে মই জনো তুমি মোক ভাল পোৱা কিন্তু কিয় নোকোৱা। কি বাধা আছে মই জানিব বিচাৰোঁ তোমাৰ হৃদয়ে কি কয়। বাধা, প্ৰতিজ্ঞা ভয় সকলো পাহৰি মাথো তোমাৰ হৃদয়ে কি কয় তাকে কোৱা। প্লিজ........কবিৰে তাইৰ মুখলৈ ব্যাকুলভাৱে চাই থাকিল তাইৰ পৰা একো সঁহাৰি নাপায় সি অভিমানৰ সুৰত ক'লে– যেতিয়া ক'ব লাগিছিল তেতিয়া নক'লা এতিয়াতো তুমি আনৰ হ'বা মই একো কৰিব নোৱাৰিম। এতিয়াও নোকোৱা.....? কোৱানা মোৰ শেষ অনুৰোধ তুমি নোকোৱালৈকে মই শান্তি নাপাম আৰু মোক মনত দুখ দি কি পাবা? মোক ক্ষমা কৰিব, আপোনাক



আমনি কৰাৰ মোৰ কোনো উদ্দেশ্য নাই। এতিয়া আৰু লুকুৱাই লাভ নাই বা ক'লেও একো নহয়। আপুনি যদি শান্তি পায়, তেন্তে মই স্বীকাৰ কৰিছোঁ, মোৰ হৃদয়ত যদি কাৰোবাৰ নাম লিখা আছে সেয়া আপোনাৰ প্ৰস্তাব চিঠি, গ্ৰিটিংছ আদি ঘূৰাই দিওঁতে মোৰ কিমান কষ্ট হৈছিল। আপোনাৰ কথা ভাবি গোটেই নিশা টোপনি নাহে। এদিন নেদিখেলে কেনে ব্যাকুল হৈ পৰোঁ আপোনাক কেনেকৈ বুজাওঁ। তাই তললৈ মুখ কৰি চকুপানী মচি মচি কথাখিনি কওঁতে কবিৰৰ আনন্দত চিঞৰি দিবৰ মন গ'ল। তাৰ চকুৰ পৰা আনন্দৰ চকুপানী বৈ আহিল। কবিৰৰে তাইক অ' 'নিছা আই লাভ ইউ' বুলি কৈ সাবটি ধৰিলে। এনেতে বাহিৰত ভানৰ শব্দ শুনি তাই থতমত খালে। তাই মনতে ভাবিলে কবিৰৰ বাৰু কেনেকুৱা লাগিছে, আজি তাইৰ ভাল পোৱা পাইছে, আজিয়ে আনৰ হৈ যাব, কিন্তু তাইক আচৰিত কৰি ক'লা কাপোৰ পৰিহিত কেইজনলৈ চাই চিঞৰিলে, ''চি লাভ মি, চি লাভ মি'' সিহঁতে মুখৰ পৰা ক'লা কাপোৰ আঁতৰাই কবিৰক সাবটি ধৰিলে। নিছাৰ চকু কপালত উঠিল, ক'লা কাপোৰ পৰিহিত কেইজন আন কোনো নহয় ৰাজীব,মনোজ, ধ্ৰুৱজিত সিহঁতৰ লগত নিতুও আহিছে। নিতুৱে নিছাৰ ওচৰলৈ গৈ তাইক সাবটি ধৰি চুমা এটা খালে। আপোনালোকে মোৰ লগত ইমান পৰে–নাটক কৰি আছিল। নিছাই খঙেৰে ক'লে। কবিৰে ক'লে অভিনয়েৰে যদি মই সঁচাপ্ৰেম পাওঁ তাৰবাবে যি শাস্তি দিব বিচৰা দিয়া। নিতুৱে কয় তুমিওতো ভাল পাইও অভিনয় কৰিছিলা। নিছাই চিন্তান্বিত হৈ ক'লে– নিতু তই নাজান গোটেই ৰাতি মই ঘৰত নাই খুৰাহঁতে কিমান চিন্তা কৰিছে ছাগে। একো চিন্তা নকৰে মই কালিয়েই ফোন কৰি খুৰীক জনাই দিছোঁ যে তুমি আমাৰ ঘৰত আছা বুলি– নিতুৱে কয়। নিছাই খং কৰি দুৱাৰৰ ফালে খোজ লওঁতে কবিৰে হাতত ধৰিলে। ''এপ্ৰিল ফুল মনায়া, তুমকো গুচ্ছা আয়া''এই বুলি গাই তাইক বুকুৰ মাজলৈ টানি আনে। আই হেত ইউ, আই হেত ইউ বুলি কৈ নিছাও তাৰ বাহুৰ মাজত সোমাই পৰে। পেতুৱা হৈ থকা মনোজে কাপোৰৰ তলত পেটত লগাই থোৱা সৰু গাৰুটো উলিয়াই ক'লে ''মতলব, আই লাভ ইউ''। সকলোৱে গিৰ্জনি মাৰি হাঁহিলে।

*এটা আদৰ্শমূলক গল্প*

# সহ্য-সহিষ্ণুতা

সংগ্ৰাহক ঃ দীপজ্যোতি দত্ত
*উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)*

এখন দেশত ৰামগোৱৰ্ধন নামৰ এজন ৰজা আছিল। তেওঁ ৰাজকাৰ্য্যত সহায় কাৰাৰ বাবে যি জন প্ৰধানমন্ত্ৰী আছিল, সেইজন বৰ বুধিয়ক – প্ৰধান-মন্ত্ৰী আছিল।

প্ৰধানমন্ত্ৰীজনে নাতিনীয়েকৰ বিয়াৰ বয়স হোৱাত প্ৰাৰ্থী চাই বিয়া দিয়াৰ দিন ঠিক কৰিলে। আৰু সেই কথা ৰজাক জনোৱাৰ লগতে নাতিনীয়েকৰ বিয়ালৈকো মাতিলে। বিয়াৰ কেইদিনমানৰ আগতে ৰজাই ভাবিলে প্ৰধানমন্ত্ৰী ঘৰত উপস্থিত হৈ দেখিলে যে সকলো মতা-তিৰোতা প্ৰধানমন্ত্ৰীৰ ঘৰ ভৰি আছে।

ৰজাই প্ৰধানমন্ত্ৰীক সুধিলে "তোমাৰ ঘৰত যে ইমানবোৰ মানুহে ভৰি আছে এওঁলোক কোন?"

প্ৰধানমন্ত্ৰীয়ে ক'লে "এয়া মোৰ পৰিয়াল। আপোনাৰ কৃপাত এই সকলো ভোজন একেটা চৰুতে হ'য়।" প্ৰধান-মন্ত্ৰীয়ে কথা শুনি ৰজা আচৰিত হৈ সুধিয়ে পেলালে "ইমানবোৰ মানুহ তুমি স্নেহেৰেৰ বান্ধোনেৰে কেনেকৈ বান্ধি ৰাখিছা? প্ৰধানমন্ত্ৰীয়ে ক'লে—"সেই সকলো কথাকে সহ্য কৰি থাকো মহাৰাজ"।

সহ্য কৰিব পৰাটোৱে হ'ল সহিষ্ণুতা। সহিষ্ণুতা মানে দুৰ্বলতা নহয়। সহি মানে হ'ল প্ৰেম ভৰা বিকাশ। যাৰ হৃদয়ত প্ৰেম ভাৱৰ বিকাশ নহয়, তাৰ হৃদয়ত প্ৰেমৰ স্ফুৰণ নহয়, তেওঁ কেতিয়াও সহিষ্ণু হ'ব নোৱাৰে। গঙ্গা নদীৰ প্ৰৱাহত সৰু-ডাঙৰ, ভাল-বেয়া সকলো আহি লগ হয়, কিন্তু গঙ্গা সকলোকে সামৰি লৈ পবিত্ৰ কৰি ৰাখে। সহিষ্ণুতাই নিজৰ পৰিয়ালৰ সদস্যৰ মাজত ওচৰ-চুবুৰীয়া দুখবোৰক সহ্য কৰি তাক সমৰনত পৰিণত কৰে।

গতিকে সহ্য কৰিব পৰা গুণটো নাথাকিলে এই মহান দেশখনত হাতে-হাত মিলাই থকাটো সম্ভৱপৰ নহয়। বিশেষকৈ আমাৰ দেশত।

বিঃ দ্ৰঃ *লগতে এই গুণটো আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলকো দৰকাৰ। তেতিয়াহে এই দেশৰ এজন ভাল নাগৰিক হ'ব পাৰিব।*

---

# DO WE KNOW ?

*Collected by :* **Miss Dipti Depro**
*H.S.2ND Year(Arts)*

1. Who is India's new Union External Affairs Minister?
> Natwar Singh.

2.Who is the Miss Universe 2004 ?
>Jeennifer Hawkins

3.Who wrote the Humayunamah ?
>Gulbadan Begum

4."Dandi March" in the South India conducted by
> Rajaji

5.In Computer Science,one kilobytes equals to....
>1024 bytes

6.Name the Scientist who was associated with food-grain revolution.He also won the Nobel Prize for Peace.
> Dr. N.E.Borlung

7.Topal M is a new international ballistic missile launched by...
> Russia

8. Name the Country which has been readimitted to the commonwealth after five years

>Pakistan

9.Name the former U S President Bill Clinton's highly anticipated memories

>My Life

10.Who is the new Chief Minster of Andhra Pradesh?

>Y.S.R.Reddy

11.The headquarters of INTERPOLE is situated in…

>Lyon

12.A gas which is used in an electric bulb…

> Argon

13.in which year "Euro" currency came into existence?

>1999

14 Soltoro ridge is located in…

> Siachen

15.When did second World War started?

>1939

16.The 2007 Cricket World Cup will be held in…

> West Indies

17. Who was the World's first women Prime Minister?

>Srimavo Bandranayake

18. Which is th e longest Tiger reserve in the India?

> Corbett

19.Who authored "fires or Bengal"

> Amitav Ghosh

20.Who invented Areoplane ?

>Wright brothers

21.The only land locked country in South East Asia.

> Laos

22.Port Blair is situated in…

>South Andaman

23.The highest waterfall in India…

>Jog Waterfall

24.Normal blood pressure In human body is…

>80/120mm hg

25.The minor planets revolving round the orbits of Mars and Jupiter are called …

>Asteroids

36.who is the new President of Germany ?

> Horst Koheler

27. Name the conterversial Film which was withdrawn from cinema halls on account of objections of by Muslims ?

> Meenakshsi –a Tale of three cities

28.in July 2004 ,Greece won the Euro 2004 football Championship.Who was the player of the tournament ?

> Thedoras Zagroskis

29.In July 2004 India test successfully fired the short-range varial ballastic missile.Name it

>Agni

30.the World Cup Cricket will be held in West Indies at how many venues ?

>Eight

31.Famous golf Player Vijay Singh is form which Country?

>Figi

32.Siegfred is a line boundry between…

>Germany and France

33.Who is the Supreme Commander of India's armed Forces ?

>(President) A.P.J.Abdul Kalam

34. Who is the Governor of Assam ?

>Ajay Singh

35.Who is the Governor of Reserve Bank of India ?

> Y.Venugupal Reddy

36. Name the 2004 Asian Snooker Champion ?

>Alok Kumar

37. Who propounded the Cell theory ?

>Matthais Schlender and Theorder Schwann

38.On which date is the World Ozone day celeberated?

>16th September

# হাঁহো আৰু হাঁহা

এজন মদাহীয়ে বাটেৰে গৈ থকা ভদ্ৰলোক এজনক ক'লে–

মদাহী - হেৰি ডাঙৰীয়া, আপোনৰ পেন্টৰ চেইনডাল খোলা।

ভদ্ৰলোক - (খঙত জুলি পকি) বৰ অসভ্য দেই, মদাহী ক'ৰবাৰ।

মদাহী - ক্ষমা কৰিব মহাশয়, মই আপোনাক নিজৰ দৰে দেখিহে ক'লো।

(অৰ্থাৎ মদাহীৰ নিজৰ পেন্টৰ চেইনডালহে খোলা)

সংগ্ৰাহক ঃ জোনালী চেতিয়া
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

ooooo

এদিন এজন শিক্ষকে ছাত্ৰসকলক কেইটামান প্ৰশ্ন সুধিছিল। প্ৰশ্নসমূহ তলত দিয়া হ'ল।

১) শিক্ষক ঃ শ্যাম তুমি বুজা পোৱানে কেৰেলাতকৈ গুটি ডাঙৰ মানে কি?
শ্যাম ঃ হয় চাৰ। কেৰেলাতকৈ গুটি ডাঙৰ মানে ছাৰ ককাতকৈ বাপেক ডাঙৰ আৰু বাপেকতকৈ পুতেক ডাঙৰ।

২) দ্বিতীয় প্ৰশ্ন ঃ হৰি, তুমি কোৱাচোন বচন কেইটা?
হৰি ঃ ছাৰ, বচন আগতে দুটা আছিল। কিন্তু বৰ্তমান পাঁচটা– একবচন, বহুবচন, অমিতাভ বচন, জয়া বচন আৰু অভিষেক বচন।

(৩) শিক্ষক ঃ (Good) বাৰু ৰঘু তুমি কোৱাচোন তোমাৰ hobby কি?
ৰঘু ঃ ছাৰ মোৰ হবি কবিতা লিখা।
শিক্ষক ঃ ঠিক আছে, তুমি লিখা কবিতা এটাকে গাই শুনাচোন।
ৰঘু ঃ জোনবাই
জোনবাই এ চাকৰি এটা দিয়া
চাকৰি নাই যদি বাইক এটা দিয়া
চাকৰি নাই
বাইক নাই
ছোৱালী নপতে
ছোৱালী নপতা দেখি আয়ে দুখ কৰে।

শিক্ষক ঃ বঢ়িয়া। ধুনীয়া কবিতা। বৰ্তমান আমাৰ দেশৰ পৰিস্থিতিৰ সৈতে সম্পূৰ্ণ খাপখোৱা কবিতা।

ooooo

শিক্ষক ঃ কালি কোনে কোনে ক্লাচ কৰা নাছিলি থিয় হ'চোন।
এজন ছাত্ৰ থিয় হ'ল।
শিক্ষক ঃ ক'চোন কালি তই কিয় ক্লাচ কৰা নাছিলি?
ছাত্ৰ ঃ ছাৰ কালি ল'ৰা-ছোৱালীবোৰে ক্লাচ নকৰি ক'লৈনো গৈছে মই তাকেহে চাবলৈ গুচি গৈছিলো।

শিক্ষক ঃ তহঁত কোনে কোনে Home work কৰি অনা নাই থিয় হ'চোন। কেইজনমান ছাত্ৰ থিয় হ'ল।
শিক্ষক ঃ তহঁতে কিয় কৰি অনা নাই?
ছাত্ৰ ঃ ছাৰ আমি যে Hostel ত থাকো। আপুনি Home work হে কৰিবলৈ দিছিল। Hostel work দিয়া নাছিল নহয়।

সংগ্ৰাহক ঃ পিংকি ফুকন
উঃমাঃ ২য় বৰ্ষ (কলা)

# GLOBAL WARMING: CAUSES AND CONSEQUENCES

**Dr. Bharati Dutta**
*Department of Geography*

One of the most important issues that has drawn attention of the environmentalists throughout the world is the issue of global warming. Recent evidences show that the earth is warming at an alarming rate. The scientists, after analyzing the temperature data for last 140 years, have found that the earth's surface temperature has been rising considerably. Temperature rose more particularly towards the end of the 20th century. It may be pointed out that the 20th century was the warmest century in the last millennium. There are some other evidences which indicate that our earth is warming. Glaciers of the Himalayas and the Andes, the largest glacier on Mt. Kenya, the Bering glacier in Alaska glaciers of the Alps mountains of Europe etc. are melting rapidly. Antarctic ice sheets are shrinking and breaking. The sea level is rising and there is rise in temperature in the oceans globally,e.g.,the Indian ocean warmed 0.3° degree Celsius down to a depth of 800m in a period of 20 years. The expansion of sea water due to warming raised the sea level upto 2.5cm. in the 20thcentury. The natural habitats of many plants and animals have also been changing due to planetary warming.

The reliable temperature data reveal that the average surface temperature of the earth increas4 from 0.4°c to 0.8° cover the past century. Temperature records also show that the 1998 was the warmest year. It is to be noted that the increase in temperature took place mostly during the two decades of 1920 and 1990.Many tropical diseases like malaria, cholera, plague etc. have been expanding to other milder climatic areas and, the frequency and severity of these diseases have also increased due to global warming.

**Causes :** Global warming is considered to be one of the most serious environmental problems as it is related to the processes of industrialization, urbanization and economic growth.

**Increased :** Emission of green house gases due to human activity has raised the average global temperature. Increasing content of the atmospheric carbon dioxide is one of the most important global warming. Apart from carbon dioxide, methane, chloroflurocarbons (cfcs), ozone, nitrous oxide are some other green house gases which have played important role in planetary warming. The green house gases are transparent to the solar radiation but are quite opaque to the infrared radiation or in other words they absorb the infrared radiations which the earth radiate out into the atmosphere. As a result much of the radiant energy coming from the sun trapped in the atmosphere resulting into global warming. This is called the green house effect. The glass in the green house is transparent to the solar radiation but traps heat emitted from the ground and thereby keeps the inside of the green house warm for better growth of plants. Green house gases play the same role in the atmosphere which the glass of the green house play inside the green house.

**Atmospheric Contents of Green house gases : Changing Scenario :** Carbon dioxide($CO_2$) is a variable gas found in the atmosphere and constitutes about 0.03% of the dry air. But the atmospheric content of $CO_2$ is rising rapidly. The pre-industrial (1860) level of $CO_2$ in the atmosphere was fixed at 0.028% to 0.029% (280-290 parts per million) by volume. But this level increased to 350-360 ppm by 1996. It is to be noted that this is the highest concentration of $CO_2$ ever recorded. Because of human activities the concentration of $CO_2$ is increasing at about 1.8ppm(0.5%) annually. According to an estimate during 1872-1986 the amount of $CO_2$ in the atmosphere increased from 290ppm to 345ppm(increased by 19%). By 2035-2040 the amount is expected to reach 450ppm and the concentration will be around 500ppm by the end of the 21st century. The increased usage of fossil fuels and deforestation are the prime causes for rapid increase of $CO_2$.

Methane, another important green house gas in the atmosphere is a strong absorber of the terrestrial radiation. It is about 20 times more effective than $CO_2$, in trapping earth's long wave heat radiation. Methane is produced from rubbish organic dumps, animal's guts, burning of vegetation etc. According to an estimate in the past 200 years methane levels in the atmosphere have risen by 250%. The level of this green house gas increased from about 800ppb(parts per billion) in the later half of the 19th century to about 1600ppbin the mid 1990s.

Chloroflurocarbons (cfcs) are very much absorbent of the terrestrial radiation. These effective heat trappers account for 15%of the global warming. Cfcs are widely used as coolants in air conditioners, refrigerators, cleaning solvents etc. They are responsible for depletion of stratospheric* ozone. Stratospheric ozone layer protects us from the harmful effect of the ultraviolet rays of the sun by absorbing most of them. With the depletion of ozone there would be substantial increase in the amount of

ultraviolet radiation reaching the earth's surface and the lowest layer of the atmosphere i.e., troposphere (the most important layer for the organisms living in the earth), which in turn would result in planetary warming. At the current rate of emission of cfcs, the ozone gas would be depleted by 14%. As against 0 pre industrial concentration of cfcs in the atmosphere, the present concentration of these gases is 0.28- 0.48ppb (annual rate of increase is 4.0%).

While stratospheric ozone absorb the ultra violet radiation (already mentioned), the ozone present in the troposphere acts as a green house gas. Although ozone is not much effective in comparison to other green house gases but its increased amount may proves to be quite effective for planetary warming in near future. The amount of ozone in the troposphere during the pre-industrial period was 10ppb and the present amount is estimated at 20-40ppb(annual rate of increase is 0.5% - 2.0%). One of the important factors of increase in the amount of ozone in the troposphere is emission of Nitrous oxides by air craft engines.

Nitrous oxide ($N_2O$) is also considered as green house gas. It is very much effective in causing green house effect and it is found that as heat trappers nitrous oxides are 50 times more efficient than $CO_2$. The amount of nitrous oxides in the atmosphere has increased from pre industrial concentration of 288ppb to present level of 310ppb.

**Consequences :** It has been estimated that there would be catastrophic consequences if temperature of the earth is raised by 2°c.There would be rise in the sea level as a result of melting of ice. According to a recent UN's report, by the year 2100 the sea level would rise about 20-90 cm due to the phenomenon of global warming. The process of melting of glaciers has already started. It is estimated that a rise of sea level by 50-100 cm would flood low lying areas in Bangladhesh and about 17 million people would be affected. Floods would also affect a large part of Florida. Greenland, Iceland, Norway, Sweden, Finland, Siberia and Alaska would be more affected due to planetary warming. Moreover global warming will bring about climatic changes. Many of the regions of cold climates will have pleasant climates. According to some scientists North America is likely to be warmer and drier and that will affect food grain production. There will be more precipitation in North and East Africa, India, Middle East, western part of Australia and Mexico, as a result of which these areas will be wetter than before. Moreover with the rise of temperature they will be warmer. There may also be frequent occurrence of violent storms like hurricanes, cyclones etc. and this has already been proved by the frequent occurrence of severe storms along the eastern coasts of North and Central Americas. Depletion of forests and snow fields, spread of tropical diseases like malaria, cholera, yellow fever etc. to areas beyond the tropical regions are some of the adverse effects of planetary warming.

Global warming is a problem covering the whole world. Therefore to find out the solution to this environmental problem the involvement of developed, developing and under developed countries is a must. Tb reduce the emissions of green house gases to the atmosphere various steps should be taken such as minimizing the burning of fossil fuels, preserving and protecting the forest resources, introducing modem eco-friendly technology, checking the growth of population etc.

***References :***


1. Bhutani. S (2000): Our atmosphere
2. Husain, M (2001): Human Geography
3. Mohapatra, et al.(1999): Man and Environment
4. Oliver, E. John, et al (2003): Climatology an Atmospheric Science.
5. Singh, S (1999): Environmental Geography


---

***from p. 35***

characteristic, how can the rational animal, the man, may be denied to possess the same faculty. This appears to be an answer to all the phenomenon relating to telepathic feats popularly called as miracles. The challenge to science is to investigate the phenomenon from this point of view.

As we go through spiritual books or any serials we find that "Kundalini Chakras" enables one to perform telepathic feats. It is even seen in one most popular serial "Shaktiman". Kundalini means a coil and appears to be an equivalent of the L-C circuit, the radiating and receiving component for the electro-magnetic signals. It would also be worthwhile at this point to refer to a report in "Science Today", April 1975, Page 7, where under the title "Animals may communicate by Microwaves", it has been reported that animals have the faculty of communicating with each other by means of R.F. signals generated in their bodies. This has been experimentally established. Thus if at all investigations in this directions are to be made, the scientists have to make electronic instruments more sensitive to very low intensities hitherto thought of as useless for any practical applications and to all the ranges of very high and very low frequencies unattended so far. It would be more scientific to probe into the telepathic miracles from this angle.

However, we need not forget one things and that is the scope of our subjects. Science is the study of nature. If we come across some supernatural phenomenon of more frequent occurrence, we need not be hasty in making statements, without the investigation on the subject. Science is hence the pursuit of truth with patience. If one lose patience, one fails to discover the science of anything out of everything.

# LIMITATION OF SCIENCE

**Nabanita Chakraborty**
*T.D.C 1st year*

অৱশেষত মই অভিলাষক সকলো কথা ক'লো আৰু মোৰ এই পৃথিৱীত জীয়াই থাকিবলৈ ইচ্ছাও যে নাই, সেই কথাও ক'লো। সেইদিনা অভিলাষে যি কথ ক'লে সেই কথা শুনি মোৰ নিজৰ কাণৰ ওপৰতে বিশ্বাস হোৱা নাছিল। সেইদিনা অভিলাষে মোক বিয়াৰ প্ৰস্তাৱ দিছিল। মোৰ ইমানখিনি হৈ যোৱাৰ পিছতো অভিলাষৰ মুখত মোৰ বিয়াৰ প্ৰস্তাৱৰ কথা শুনি মই আচৰিত হৈ পৰিছিলো। আজিৰ যুগতো আছে এনে মানুহ, যি আনৰ সন্তান এটাক নিজৰ সন্তান হিচাপে তুলি ল'বলৈ অকণো কুণ্ঠাবোধ নকৰে। মই ইমান ভাল-বেয়া কোৱাৰ পিছতো এই পৃথিৱীত কেৱল মোকেই ভাল পাই থকা অভিলাষ সঁচাকৈ মানুহনে? মই সেইদিনাখন অভিলাষৰ অন্তৰখনক ভালকৈ বুজিছিলো, তেওঁৰ মানৱতাখিনিক, তেওঁৰ মৰম আৰু নিস্বাৰ্থ প্ৰেমক।

কেইদিনমানৰ পিছতে সামাজিক নিয়মেৰে মোৰ আৰু অভিলাষৰ বিয়া হৈ গ'ল আৰু তাৰ কেইমাহমানৰ পিছতে আমাৰ মাজলৈ আহিল তৃষ্ণা। তৃষ্ণা মোৰ আৰু অভিলাষৰ সন্তান নহয়; তৃষ্ণা হৈছে মোৰ আৰু চৰিত্ৰহীন, পাপী মাক মই চিৰদিন চাব নোখোজো সেই জঘন্য মানুহজনৰ সন্তান। প্ৰথম অৱস্থাত মই এই সন্তান পৃথিৱীলৈ অহাতো বিচৰা নাছিলো, কিন্তু অভিলাষে মোক বুজাইছিল যে, "এই শিশুটি যি এই পৃথিৱীখন দেখিয়েই পোৱা নাই সি নো এনে কি পাপ কাম কৰিলে যাৰ বাবে তুমি ইয়াক গৰ্ভতে নষ্ট কৰিবলৈ বিচাৰিছা।" আকৌ ক'লে, "সি বিনয়ৰ সন্তান হ'ল বুলিনো আমি তাক বিনয়ৰ নিচিনা চৰিত্ৰহীন হ'বলৈ দিমনে? তুমি আৰু মই এই শিশুটিক ডাঙৰ-দীঘল কৰিম। এই শিশুটিক সকলো ফালৰ পৰা মানুহ হ'বলৈ শিকাম। তাইক মনৰ মানৱতাবোধ, নিস্বাৰ্থ, অহিংসা ভাব জগাই তুলিম। তাইক আমি সৎ হ'বলৈ শিকাম। প্ৰকৃত সভ্য মানুহ.......

বহুদিন তাই জোনাক দেখা নাছিল। ব্যস্ততাৰ চক্ৰত পাকঘূৰণি খাই জোনাক যে ইমান ধুনীয়া তাই পাহৰি গৈছিল। মনটোত আজি কিবা বোবা দুখ এটাই উকমুকনি লগাই আছিল। আঃ! জোনাকৰ স্নিগ্ধ পৰশে সেই দুখ পলকতে আঁতৰাই পেলালে। আৰু দুবৈৰ পৰা ভাহি অহা সেই বাঁহীৰ ধ্বনি! এই মাধুৰ্যখিনি উপভোগ কৰিবলৈয়ে যেন তাইৰ মনটো আকুল হৈ আছিল।

তাই এবাৰ চকুকেইটা মুদি আকৌ জোনাককেইমুঠি নিজৰ মাজত সুমুৱাবলৈ চেষ্টা কৰিলে। বাঁহীৰ মাধুৰী তৰংগ কেইটাৰে নিজৰ হৃদয়ৰ কোনো ক্ষত অংশত আদৰ সানিবলৈ চেষ্টা কৰিলে।

যদিহে জোনাকক প্ৰত্যাহ্বান জনাবলৈ চাৰিওকাষৰ বিজুলীবাতি এটা সম্পূৰ্ণ কবিতা লিখি পোৱা নাই। তথাপিও তাইৰ আধৰুৱা কবিতাকেইটা ধুনীয়া কেতিয়া লিখিছিল। যেতিয়া অৰুনাচলৰ একা-বেকা পথৰ কাষে কাষে থিয় হৈ থকা ৰঙচুৰা গছকেইজোপাৰ মাজেৰে সূৰুযে আকাশত লালিমা সানি লুকাই যোৱা দেখিছিল, নে যেতিয়া কোনো এটা ৰাতিপুৱা নিয়ৰৰ মুকুতাৰ গোলাপৰ পাহিৰ পৰা সৰকি পৰা দেখিছিল। কেতিয়া? ওহোঁ মনত নপৰে।

আজি তাইৰ হঠাৎ কবিতা এটা লিখিবলৈ খুব মন গ'ল। ওহোঁ! নোৱাৰি। তাই যে ইমান বছৰ কবিতা লিখা নাই। আৰু এমুঠি জোনাক খুব প্ৰয়োজন। তাই বাহিৰলৈ ওলাই আহিল।

মানুহৰ পৃথিৱীখন এতিয়া নিদ্ৰাত মগ্ন। কোনো বিশৃংখলতাই

# এমুঠি জোনাক, সুৰ আৰু তাই

জেবিন য়াছমিন
*উচ্চতৰ মাধ্যমিক দ্বিতীয়বৰ্ষ (বিজ্ঞান)*



কেইটা নাথাকিলহেঁতেন বা বাঁহিৰ সুৰক নেওচি কৰবাৰ বৈদ্যুতিক কিচিৰমিচিৰবোৰ তাইৰ কাণত নপৰিলহেঁতেন তাই আজি নিজক হেৰুৱাই পেলালেহেঁতেন। উঃ কি যন্ত্ৰনাময়! এই মায়াবী জোনাকে তাইৰ আধৰুৱা কৰি তুলিলে। নাই তাই নোৱাৰিলে আৰু বহিব থাকিব, যদিওবা তাইৰ সমগ্ৰ সত্বাই বিচাৰিছিল বগা জোনাকত, সেমেকা দুৱৰি বনত সুদা ভৰিৰে তাই খোজ কাঢ়ক, বাঁহীৰ সুৰৰ তালে তালে সেই মনত দেও দি নাচি ফুৰক, তাই নোৱাৰিলে। হয়তোবা যান্ত্ৰিকতাখিনিক নিজৰ মাজৰ পৰা আঁতৰাবলৈ এৰাতি যথেষ্ঠ নহয়। হয়তো আৰু আন এটা ৰাতি আৰু দপৰাতি নাইবা আৰু....।

তাইৰ কোমল মন, যি সুন্দৰ দেখিলে নাচি উঠে, চঞ্চল হৈ পৰে আজি যান্ত্ৰিকতাত আৱদ্ধ। তাই নিজে পাহৰি যায় যে তাই সৰুতে ফুল, পখিলা লৈ কবিতা লিখিছিল। কিন্তু সেইবোৰো হয়তো আজিও আধা লিখনিয়েই হৈ আছে। আজি পৰ্যন্ত তাই এতিয়া তাইৰ আমেজ ভাঙিব নোৱাৰে।

আহ! শান্তি! তাই কাণ পুনাই শুনিবলৈ চেষ্টা কৰিলে। নাই হেৰাই গ'ল বাঁহীৰ সেই ধ্বনি। তাই আকৌ আধৰুৱা ৰ'ল। তথাপিও, আধপুৰা হৈ তাইৰ এই মুহূৰ্তত বেয়া নালাগিল। কালৰ বুকুতটো হেৰাই যাব নোৱাৰে ইমানবোৰ সুৰ। আন নহ'লেও তাইৰ অন্তৰতে সজীৱ হৈ আছে কেইমুহূৰ্তৰ আগৰ সেই সুৰৰ টৌ।

অলপ আগলৈ তাইৰ মনটোৱে কোৱাৰ দৰেই তাই জোনাকত জ্যোতিষ্মান সেমেকা দুৱৰি বনত এখোজ। তাই কোনো খোলাৰ পৰা মুক্ত হৈ ওলাই পৰিল। এক গভীৰ প্ৰশান্তিয়ে তাইৰ দেহ, মন আৱৰি ধৰিলে। সুৰবিহীন সেই জোনাকত আজি তাই আধৰুৱা হৈয়ো যেন প্ৰথমবাৰৰ বাবে এক সম্পূৰ্ণ কবিতা ৰচিব।

কাৰণ পৃথিৱীত আজি কেৱল তাই আৰু তাইৰ ভাগৰ জোনাক। অন্তৰত বাঁহীৰ সুৰ।

# প্ৰতীক্ষাৰ কথাৰে . . .

চন্দ্ৰাণী বৰকটকী
*উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)*



আজি প্ৰতীক্ষা প্ৰথম কলেজলৈ যাব, আহ! কিমান যে সপোন; নতুনকৈ চিলোৱাই আনি থোৱা ইউনিফ্ৰমযোৰ নতুন বেগটোলৈ চাই তাই মাথো কলেজলৈ যোৱাৰ ক্ষণ গণিছে। তাইৰ স্কুলৰ বন্ধুবোৰৰ বহুতো একেখন কলেজলৈকে গৈছে। কিমান যে ফোন আহিছে ৰাতিপুৱাৰ পৰা! সমন্ধীয় মানুহৰ পৰা আদি কৰি গাৰ্গী, মৈত্ৰেয়ীহঁতে যোৱাৰ সময় সুধিবৰ বাবে কৰা প্ৰতিটো ফোনেই আজি যেন তাইলৈ নতুন ৰোমান্স ভৰা উত্তেজনা কঢ়িয়াই আনিছে। কিন্তু এই সকলোৰ মাজতো তাইক এটা ভয়ে খুলি-খুলি খাইছে– সেইটো হৈছে ৰেগিং নামৰ ভুতটোৰ ভয়। সকলোৰে তাইক এইক্ষেত্ৰত কিবা নহয় কিবা এষাৰ কৈছে। তাই মনতে গান গাবলৈ ক'লেনো কোনটো গাব আৰু সাধাৰণতে শুনি থকা ৰেগিঙত কৰা ধেমেলীয়া প্ৰশ্নবোৰৰ উত্তৰ মনৰ মাজতে ভাবিবলৈ ধৰিলে।

অৱশেষত ৭টা বাজিল। তাই, তাইৰ বন্ধুবোৰৰ সৈতে যাবলৈ ওলাল। ভগৱানক সেৱা এটা কৰাৰ লগতে আইতাককো সেৱা এটা কৰি গ'ল। ঘৰৰ সকলো বাহিৰলৈ উলাই সিহঁতৰ যোৱালৈকে চাই থাকিল।

কলেজত প্ৰথমটো খোজ, কিমান আশা, ক'ত ভয় আৰু ক'ত যে সপোন নিহিত হৈ আছে এই খোজটোত। নিজৰ শ্ৰেণীকোঠা বিছৰাত সিহঁতৰ ইমান অসুবিধা নহ'ল। যথেষ্ট সংখ্যক ল'ৰা-ছোৱালী তাত বহি আছিল। সকলোৰে মুখত ভাললগা আৰু ভয়ৰ সংমিশ্ৰণ।

ক্লাছ আৰম্ভ হ'ল। শিক্ষকজনে নিজৰ পৰিচয় দি ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় ল'লে। তেওঁ ফিজিক্সৰ ক্লাছ ল'লে। সিহঁতৰ ছাৰজনক বৰ ভাল লাগিল। দ্বিতীয় পিৰিয়ড আৰম্ভ হোৱাই নাই, তেনেতে বেঞ্চখনৰ প্ৰথমত বহি থকা প্ৰতীক্ষাক ল'ৰাকেইটামানে মাতিলে, ''কি! মোক ৰেগিং কৰিবলৈ মাতিছে নেকি?'' তাই ভয়ত বান্ধৱীবোৰক সুধিবলৈ ধৰিলে। সিহঁতে তাইক ল'ৰাকেইটাৰ ওচৰলৈ যাবলৈ ক'লে। তাই উলাই গ'ল। সিহঁতে তাইক অকলশৰীয়া ঠাই এডোখৰলৈ লৈ গ'ল। ক'ত যে প্ৰশ্ন! তাই যেন ভয়ত ভাগৰি পৰিছিল। বাৰে বাৰে অনুৰোধ কৰিছিল তাইক যাবলৈ দিবলৈ। তেনেতে ক'ৰ পৰানো জানো এটা ল'ৰা আহিল আৰু তাইক আমনি নিদি যাবলৈ দিব ক'লে। হয়তো ল'ৰাটো সিহঁতৰ ছিনিয়ৰ আছিল। সেইবাবে সিহঁতে তাৰ কথা শুনিলে। অচিনাকি ল'ৰাজনে অতি ভদ্ৰ ভাষাৰে তাইৰ লগত চিনাকি হোৱাৰ লগতে তাইক ক্লাছতো থৈ আহিল। প্ৰথম চিনাকিতে ল'ৰাজনক যেন তাইৰ কিবা এটা ভাল লাগিল। বন্ধুবোৰৰ আগত তাই ল'ৰাজনৰ প্ৰশংসা কৰিবলৈ ধৰিলে। কিছুদিন পাৰ হ'ল। নৱাগত আদৰণি সভাৰ পিছত সকলোৰে মনৰ ভয়বোৰ আতৰাই হেঁপাহ পলুৱাই কলেজখনৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে কিন্তু প্ৰতীক্ষাৰ কিয় জানো লাগিছিল যেন সেই 'ভদ্ৰ' লৰাটোৰে যেন তাইক অনবৰতে চাই থাকে। সেইবাবে কিবা এটা অজুহাত উলিয়াই তাই ক্লাছতে থাকিবলৈ ল'লে। কিন্তু ল'ৰাজনৰ সেই চাৱনিয়ে তাইৰ মাজত এক অদ্ভুত শিহৰণৰ সৃষ্টি কৰিছিল। এইদৰে দিনবোৰ

যাবলৈ ধৰিলে, ল'ৰাজনক লাহে লাহে প্ৰায় সকলোৱে লক্ষ্য কৰিবৈল ল'লে আৰু তাইক তাৰ লগত জোকাবলৈ ধৰিলে। বাহিৰত খং দেখুৱালেও এইবোৰে কিয়জানে তাইলৈ আনন্দহে কঢ়িয়াই আনিছিল।

সেইদিনা আছিল ৪ ছেপ্তেম্বৰ, অৰ্থাৎ শিক্ষক দিৱসৰ আগদিনা। উৎযাপিত হ'ব লগা শিক্ষক দিৱসৰ বাবে সকলো মঞ্চ আৰু প্ৰেক্ষাগৃহ সজোৱাত লাগি আছিল। প্ৰতীক্ষাহঁতেও প্ৰেক্ষাগৃহ সজোৱাত ডাঙৰসকলক সহায় কৰি দিছিল। সেই ল'ৰাজনে প্ৰতীক্ষাক তাৰ পৰা মাতি নি এডোখৰ কোনো নথকা ঠাইলৈ লৈ গ'ল। প্ৰতীক্ষা অকণো আচৰিত নহ'ল যেতিয়া সেই ল'ৰাজনে তাইক প্ৰেমৰ প্ৰস্তাৱ দিলে? উত্তৰ বিছৰাত তাই গম নোপোৱাকৈ মুখৰ পৰা মাঁথো এটা শব্দই বাহিৰ হ'ল "Yes"। তাই দৌৰি লগৰবোৰকো মাত নলগোৱাকৈ ঘৰ পালেগৈ। তাই নিজে নিজৰ অনুভূতিবোৰ ধৰিব নোৱাৰিলে। গোটেই সন্ধিয়াটো তাইৰ কিতাপখন আগত লৈ বহি থকাৰ বাদে একো কাম নহ'ল। ৰাতিও তাইৰ টোপনি ভাল নহ'ল। ঘৰত গাতো বেয়া লগাৰ অজুহাত দেখুৱাই তাই অনুষ্ঠানলৈও নগ'ল। কিবা এক ভাবিব নোৱাৰা ভয় আৰু শংকাই তাইক আগুৰি ধৰিলে তাৰ দুদিন পাছত তাই কলেজলৈ গ'ল। দুদিন আগতে প্ৰেমৰ প্ৰস্তাৱ মানি লোৱা সঞ্জয় তাইৰ বাবে বৈ আছিল, সি দৌৰি আহি তাইক নহাৰ কাৰণ সুধিলে, তাই তাইৰ মনৰ কথা তাৰ আগত খুলি ক'লে। সি মাথোঁ হাঁহিলে। সঞ্জয়ে তাইক ক্লাছ শেষ হ'লে কেণ্টিনলৈ মাতি পঠিয়ালে। তাই সেই মুহূৰ্তলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকিল।

সি কেণ্টিনত আগৰে পৰা বহি আছিল। সিহঁত দুয়োটাই বহুত দেৰি বহু কথা পাতিলে। কিন্তু প্ৰতীক্ষাৰ চকুত পৰিল যে সি বৰ অস্থিৰ ভাবে সময়খিনি কটাইছে, কিবা এটা ক'বলৈ লৈ যেন প্ৰতিবাৰেই তাৰ চেষ্টা বিফল হৈছে। প্ৰতীক্ষাৰ জেদত অৱশেষত সি তাইক তালৈ মতাৰ মূল কাৰণটো ক'লে-- সি ক'লে যে সি প্ৰথমতে পুনম নামৰ আন এগৰাকী ছোৱালীক মনে প্ৰাণে ভাল পাইছিল হেনো! তাইও তাক ভালপোৱাৰ এক সুন্দৰ অভিনয় কৰি এদিন তাৰ ওচৰৰ পৰা আঁতৰি গৈছিল। আৰু তেতিয়াৰ পৰা সি এইবোৰত বিশ্বাস হেৰুৱাই পেলাইছিল। কিন্তু লাহে লাহে যেতিয়া সি এইবোৰৰ পৰা উলাই আহিবলৈ যত্ন কৰিছিল আৰু তেনে সময়তে সি প্ৰতীক্ষাক দেখিছিল। শান্ত-গহীন মৰমলগা ছোৱালীজনীক প্ৰথম চিনাকিতে তাৰ বৰ ভাল লাগিছিল। সঞ্জয়ে কিবা এটা শুনিবলৈ প্ৰতীক্ষাৰ মুখলৈ চাই থাকিল। প্ৰতীক্ষাই মাঁথো অতীতক পাহৰি তাইৰ মাজত বৰ্তমানক বিচাৰিবলৈ ক'লে তাৰ ফুৰ্তিৰ সীমা নাইকিয়া হ'ল।

সিহঁত দুটাৰ প্ৰকৃত প্ৰেম এইদৰে কলেজৰ এটা চৰ্চিত বিষয় হৈ পৰিল। সঞ্জয় ডিগ্ৰী ফাইনেল ইয়েৰৰ ছাত্ৰ আছিল। দুয়োটাই সমানে পঢ়া-শুনাতো গুৰুত্ব দিলে।

পৰীক্ষা হ'ল, ৰিজাল্ট দিলে; সঞ্জয়ে ফাষ্টক্লাছসহ B.Sc. পাছ কৰিলে। প্ৰতীক্ষাইও ভাল নম্বৰেৰে সৈতে উত্তীৰ্ণ হৈ উচ্চ মাধ্যমিক ২য় বৰ্ষত ভৰি থ'লে।

সঞ্জয় M.Sc. পঢ়িবৰ বাবে দিল্লীলৈ গ'ল। প্ৰতীক্ষাইও তাৰ সফলতা কামনা কৰি তাক বিদায় দিলে। দিল্লীত সি পঢ়াৰ লগতে সি সৰু-সুৰা চাকৰি এটাও কৰিছিল। প্ৰতীক্ষালৈ মাজে মাজে ফোন কৰিবলৈ ইমান ব্যস্ততাৰ মাজতো সি নাপাহৰিলে।

এদিন সি চাকৰিলৈ যাবলৈ উলাইছেহে মাত্ৰ, তাৰ সৰু ৰূমটোৰ খিৰিকীখনেৰে বাহিৰলৈ চকু যোৱাত সি চক খাই উঠিল। সি এইয়া কাক দেখিছে পুনমক! নহয় নহয় এইয়া সঁচা হ'ব নোৱাৰে। কিন্তু দুৱাৰত টোকৰ শুনি সি বাস্তৱলৈ ঘূৰি আহিল। অশেষ সাহস গোটাই সি দুৱাৰখন খুলি দিলে। পুনমে তালৈ থৰ লাগি চাই থাকিল। তাই তাক সাৱটি ধৰিলে। সি একো টলকিব নোৱাৰি শিলৰ মূৰ্তিৰ দৰে বৈ থাকিল।

পুনমে অভিযোগৰ ওপৰত অভিযোগ কৰিব ধৰিলে সি নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলে। সি, কি ইমানদিনে পুনমক ভুল বুজি আছিল নেকি? সিহে তাইৰ পৰা আঁতৰি আহিছিল নেকি? একো বুজিব নোৱাৰি সি পুনমক তাৰ মনৰ কথা ক'লে-– তাই ক'লে যে তাই হায়াৰ ছেকেণ্ডেৰী পাছ কৰি দিল্লীত পঢ়িবলৈ আহোঁতে লগত তাইৰ মাক-দেউতাকো আহিছিল। কিন্তু অহাৰ দুদিনমান পাছতে এটা দুৰ্ঘটনাত তাই গুৰুতৰ ভাৱে আহত হৈছিল আৰু এবছৰতকৈ অধিক কাল হস্পিতেলত থাকিব লগা হোৱা বাবে দেউতাকে লাহে লাহে নিজৰ ব্যৱসায় দিল্লীলৈ লৈ গৈছিল আৰু অসমলৈ গ'লে তাক আচৰিত কৰিবৰ বাবেহে বুলি ইমানদিন তালৈ এটাও ফোন কৰা নাছিল। কিন্তু হঠাতে পুনমৰ মাকে তাইক সি দিল্লীত থকাৰ কথা কৈছিল আৰু এদিন তাই গম পালে যে সঞ্জয় থকা ৰূমটো সিহঁত থকা ঘৰটোৰ ওচৰতে আৰু লগে লগে তাই দৌৰি আহিছিল। অফিচলৈ দেৰি হোৱা বাবে সি তেতিয়া তাহাঁতৰ ঘৰলৈ নগ'ল। পুনমে তাক ৰাতি ভাত খাবলৈ মাতিলে। অফিচত কামত তাৰ মন নবহিল। ৰাতি যথাসময়ত সি পুনমৰ ঘৰলৈ গ'ল। ভাত-পানী খাই পুনম শুবলৈ গ'ল। কিন্তু তাৰ পাছত এটা অঘটনেই ঘটিল। মাকে তাক পুনমক বিয়া কৰাবৰ বাবে অনুৰোধ জনাবলৈ ধৰিলে। তেওঁ ক'লে যে ডাক্তৰে পুনমক কোনোধৰণৰ দুখ দিবলৈ মানা কৰিছে। তাৰোপৰি সংসাৰৰ বোজাত বেমাৰী হৈ পৰা দেউতাকেও হেনো কেৱল তাইৰ বিয়াৰ কথাকে কৈ থাকে। তেওঁ ক্ৰন্দনমোৰা হৈ মাঁথো সঞ্জয়ৰ উত্তৰলৈ বাট চাই থাকিল। সি কি ক'ব ধৰিব নোৱাৰি পাছদিনা উত্তৰ দিম বুলি গুচি গ'ল।

ৰাতিটোৰ প্ৰায়ভাগ সময় সেইবোৰ ভাবোতেই গ'ল। হৈ যোৱা ঘটনাবোৰ তাৰ সপোন সপোন লাগিল। পুনম আৰু প্ৰতীক্ষাৰ মাজত কাক বাছি ল'ব কাক এৰিব? কিন্তু অৱশেষত সি এইটোৱেই সিদ্ধান্ত ল'লে যে পুনম আৰু দেউতাকক বচাই ৰাখিবৰ বাবে সি পুনমকে বিয়া কৰাব। প্ৰতীক্ষাৰ কথা ভাবি তাৰ বৰ দুখ লাগিল। সি কি পুনমক পাহৰি থাকিবলৈ তাইৰ লগত খেলিছিল নেকি? একো ভাবি নাপাই সি পিছদিনা অ'টো এখন লৈ ৰেলষ্টেচন গ'ল আৰু অসমলৈ আহিবলৈ টিকট কাটিলে। কেইসপ্তাহমানৰ পাছত সি অসম পালেহি।

ঘৰলৈ গৈ ঘৰত অলপ সময়ো নষ্ট নকৰি প্ৰতীক্ষালৈ ফোন কৰি তাইক মাতি পঠিয়ালে। তাই একো বুজি নাপালে যদিও একান্ত বাধ্য ছাত্ৰীৰ দৰে সি দিয়া সময়মতেই তাৰ ওচৰলৈ গ'ল। সি তাইক সকলো ক'লে, তাই এইবোৰ শুনি কি ক'ব ধৰিব নোৱাৰি মাঁথো থৰ লাগি বহি থাকিল। বহুত চিন্তা কৰাৰ পাছত তাই ক'লে যে সি যি সিদ্ধান্ত লৈছে তাত কোনো ভুল নাই। কিন্তু তাই এটাই অনুৰোধ কৰিলে যে সি যেন কেতিয়াও তাইৰ ওচৰলৈ ঘূৰি নাহে। টোপা টোপে দুয়োটাৰে চকুলো সৰিবলৈ ধৰিলে। সিহঁত দুয়োটাৰ মাজত যেন হঠাৎ এখন ডাঙৰ বেৰৰ সৃষ্টি হ'ল। দুয়োটায়ে দুয়োটাক যেন বহুত কিবা ক'বলৈ বৈ গ'ল।

# নিহাৰিকা ক্লিনিক



শ্ৰীমতী মণীষা কটকী
*উঃমাঃ ২য় বৰ্ষ (কলা)*

টিলিং টিলিং টিলিং
ঃ মা মা অ' মা ক'ত আছ হে, ভণ্টি অ' ভণ্টি
এইজনী ক'ত গল বাৰু? কোনো মাতবোল নাই।
ঃ অ' দাদা আহিলি! ইমান দেৰি হ'ল যে!
ঃ তহঁহি ক'ত আছিলিগৈ অ' গোটেইখন চিঞৰি চিঞৰি টেঁটু ফালিছো।
ঃ মা বৰমাহঁতৰ ঘৰলৈ গৈছে কিবা এটা আনিবলৈ মই এই ৰাণুৰ লগতে কথা পাতি আছিলো।
ঃ হুঁ ল এইকেইটা চেনীপুঠি ধুই মেলি থ'। মায়ে খাম খাম কৈ থাকে নহয় আজি সব লৈ আহিলো। ঢেকীয়াও আনিছো ভালদৰে ভাজিব কবি। আৰু শুন, মোৰ কাৰণে কেইটামান পাতত দিবলৈ কবিচোন। কাইলৈৰ পৰা কতনো খাবলৈ পাম। মই সাউজকৰে নৈত গাটো ধুই আহো। গধূলিও হৈ আহিছে।
ঃ দাদা তই বাৰু কাইলৈ নগলে নহয়নে?
ঃ ধেৎ আকৰী মই কিবা সদায় থাকিবলৈ যামনে। চাকৰিৰ কাৰণেহে যাবলৈ ওলাইছো আৰু মইতো মাহে মাহে আহিয়েই থাকিম। এই বুলি দাদাই কেকুৰীটোৰ সিমূৰত ভোলাকায়ে ইস্ত্ৰি কৰি দিয়া চোলা পেণ্ট কেইটাই বেগটোত ভৰাই ল'লে।

দাদা কাইলৈ সুদূৰ গুৱাহাটীলৈ যাবগৈ। দেউতাই বাছেৰে অৰ্জা ধনৰ বিনিময়ত সি মিঠা ফল দিব পাৰিলে। ভগৱানেও তাক বৰ মৰমৰ চকুৰে চালে। সেই গতিকে মইও ভগবানক অশেষ ধন্যবাদ দিছো। এই ভাবিয়েই যে আমাৰ ঘৰখন যিটো কষ্টত এসাজ খাই এসাজ নাখায় চলিছিল তাৰ পৰা অলপ সকাহ পাব। মোৰ পঢ়া শুনাৰ খৰচৰ হেঁচাও কম পৰিব। কিমান যে ভাল লাগিব দাদা মাহে মাহে ঘৰলৈ আহিব আৰু মোৰো কেতিয়াবা গুৱাহাটী চহৰখন দেখাৰ সৌভাগ্য ঘটিব।
ঃ এনেতে দাদাই ঢকা এটা মাৰি ক'লে- কি আকাশ পাতাল ভাবি আছে? ব'ল মায়ে ভাত খাবলৈ চিঞৰি আছে। নহ'লে তোৰ লগত মোকো কোব খুৱাবি।
ঃ দাদা, তই বাৰু আমাক পাহৰি যাবি নেকি যতীনদাৰ দৰে। যতীন দাই যেনেকৈ এবাৰ ঘৰৰ পৰা ওলালে তাৰ পাছত ঘৰৰ পিনে মুখেই নকৰা হ'ল। বৰমা বৰদেউতাহঁতক পাহৰিয়েই পেলালে।
ঃ ধেৎ আকৰী, মই কিবা যতীনদা নেকি? আৰু শুন, তহঁতক এৰি মই ক'ত যাম ক'। তই এইবোৰ কথা ভাবি নেথাকিবি। মোৰ অনুপস্থিতিত তয়েই মা-দেউতাক চাবি।

পিচদিনা পুৱা দাদা যাবলৈ ওলাল। মাৰ চকুপানীৰে বাট নেদেখা অৱস্থা হৈছে। কেঁকুৰীটো পাৰ হৈ যোৱালৈকে মোৰ চকু তললৈ নামিবলৈ নাপালে। এসপ্তাহমানৰ পাছত দাদাৰ পৰা চিঠিখন পালো। বিশেষ একো লিখা নাই, ভাল বেয়া সুধিছে। তাৰপিছতো দুই তিনিবাৰ ঘৰলৈ আহিছিলে। চিঠি পত্ৰও দি আছিল। লাহে লাহে সকলো কমি আহিব ধৰিলে। আমি ভাবি হয়তো কামৰ হেঁচাত আহিব নোৱাৰা হৈছে। মইও লাহে লাহে হায়াৰ চেকেণ্ডেৰী পাছ কৰি ডিগ্ৰীত নাম লগালোহি। দাদাই পঠোৱা টকা কেইটাৰে আমাৰ পৰিয়ালটো চলিবলৈ খুবেই অসুবিধা হৈছিল। কিন্তু পিছলৈ সেইকেইটাও কমি আহিল। লগতে দাদাৰ আহ-যাহও কমি আহিল।

আজি বহুত দিনৰ মূৰত ভাতকেইটা খাই চোতালত বহিছোহি। ফৰকাল আকাশখনলৈ চাই দাদাৰ কথাকে ভাবিছো; সি কয় ইমান সলনি হ'ল? মানুহ সোনকালে সলনি হ'ব পাৰেনে? নিজৰ পিতৃ-মাতৃক অৱহেলা কৰিবৰ তাৰ বেয়া লগা নাইনে? যিজন পিতৃয়ে তাক ইমান কষ্ট নিজৰ ভৰিৰ ওপৰত ঠিয় কৰালে, তেওঁক পাহৰি যায়নে বাৰু? এনেতে নঙলাৰ মুখত গাড়ী এখন ৰোৱাহি শুনিলো। গাড়ীৰ শব্দ শুনি দেউতাইও অসুখীয়া গাৰে চোতাললৈ ওলাই আহিল।
ঃ কোন আহিছে অ' মাজনী।
গাড়ীৰ পৰা ল'ৰা এজন নামি আমাৰ চোতালৰ ফালে আগবাঢ়ি আহি দেউতাক ক'লে।
ঃ নমস্কাৰ দেউতা। মই ডাক্তৰ সঞ্জীৱ বৰঠাকুৰ। মোক ইয়ালৈ আপোনালোকৰ গাঁৱৰ ৰাইজৰ বেমাৰ আজাৰ চাবলৈ পঠিয়াইছে; প্ৰতি সপ্তাহত তিনিদিন। আপোনালোকৰ ইয়াত থকা 'স্বাস্থ্য কেন্দ্ৰত' পিছে আহি পাওতে মোৰ বহুতেই পলম হ'ল সেই গতিকে আপোনালোক কোনোবাই মোক সেইটো কোন ঠাইত ক'ব পাৰিবনে বাৰু।
ঃ দেউতাই ক'লে বোপাই অ' তালৈ আমাৰ ঘৰৰ পৰা আৰু তিনিমাইলমান যাব লাগিব। এই ৰাতিখন তুমি ক'ত যাবা। বেয়া নোপোৱা যদি আমাৰ ইয়াতে ৰাতিটো থাকা, পুৱা মাজনীয়ে বাৰু তোমাক দেখুৱাই দিবগৈ। প্ৰথমে ল'ৰাজন মান্তি হোৱা নাছিল, মা দেউতাৰ আঁকোৰগোজত থাকিবলৈ বাদ্য হ'ল। আমি যিহেতু ইতিমধ্যে বাত-পানী খালোৱেই সেই গতিকে ল'ৰাজনক আকৌ ভাত কেইটামান খায়ে ৰান্ধি দিলেগৈ। ভাতপানী খাবলৈ দি শোৱাৰ যোগাৰ দি মই পুনৰ আহি চোতালত বহিলোহি। অলপ পৰৰ পিছত পিছফালৰ পৰা ভণ্টি বুলি মতা শুনি ঘূৰি চালো মোৰ নাতি দূৰত সেই ল'ৰাজন ঠিয় দি আছে।
ঃ অ' আপুনি বহক টোপনি যোৱা নাই নেকি?
ঃ ওহোঁ নাই ধৰা, তোমাৰ?

ঃ মোৰো নাই ধৰা।
ঃ ভন্টি, তোমাৰ নামটো কি?
ঃ নিহাৰিকা, নিহাৰিকা বৰুৱা
ঃ কিহত পঢ়িছা?
ঃ B.Sc 2nd year
ঃ মেজৰ কি বিষয়ত
ঃ Botany
ঃ তোমালোকৰ ঘৰত আৰু কোনো নাথাকে নেকি?
ঃ আছে, দাদা এজন আছে, গুৱাহাটীত চাকৰি কিৰ আছে।
ঃ দাদা কেতিয়া কেতিয়া আহে?
ঃ প্ৰথম যাওঁতে সঘনাই চিঠি-পত্ৰ আহ যাহ আছিল লাহে লাহে সকলো কমি আহিল। কেইদিনমানৰ আগতে চিঠিএখন পাও সি বোলে বিয়াও পাতিছে। লগতে চাকৰি কৰা ছোৱালীৰ লগত।
ঃ তোমাৰ পঢ়াৰ খৰচ কোনে দিয়ে?
ঃ দেউতাই দুই এপইচা দিয়ে বাকীকেইটা আমাৰ কলেজৰ চাৰ এজনে দিয়ে। নাজানো চাৰে মোৰ মাজত কি প্ৰতিভা দেখা পাইছে।
ঃ তোমাৰ কষ্ট নহয়নে?
ঃ আমাক কষ্টত জীয়াই থাকিবলৈ শিকাইছে ভগৱানে।
ঃ তুমি মোৰ কামত সোমাবানে? মই জানো তোমাক পইচা দিলে নোলোৱা গতিকে তুমি নিজে উপাৰ্জন কৰিবা। কাম বিশেষ একো নাই। মই ইয়ালৈ চিকিৎসা কৰিবলৈ অহা তিনিদিন তুমি লগত গৈ অলপ কাম কৰিব লাগে। মাহে ১০০০ টকা তোমাক দিম। তুমি নিৰ্দিষ্ট কামত লগাব পাৰিবা, কৰিবানে?

মই চিন্তা কৰাৰ থলীয়েই বিচাৰি নাপালো। কৰিম বুলি কৈ দিলো। এই ভাবিয়েই যে মা-দেউতাৰ মুখৰ আগত ভাত এসাজ দিব পাৰিম বুলি। পিছদিনা পুৱা ল'ৰাজনৰ লগত স্বাস্থ্যকেন্দ্ৰলৈ যাবলৈ ওলালো। দাদাজনে মাহে মাহে যচাটকা কেইটাৰে বহুত কাম কৰিছিলো পঢ়াৰ লগতে খোৱা-বোৱা ইত্যাদি। কেতিয়াবা কেতিয়াবা উপৰুৱা টকাও দাদাই মোক যাচিছিল। সেই সময়ত দাদা আমাৰ কাৰণে ভগৱান স্বৰূপ আছিল। দাদাই মোক এদিন মোৰ জীৱনৰ লক্ষ্যৰ কথা সুধিলে। মই তপৰাই উত্তৰ দিছিলো, 'ডাক্তৰ হোৱাৰ'। কিন্তু পিছ মুহূৰ্ততে সেমেকি গ'লো। কাৰণ মই জানো ডাক্তৰ পঢ়িবলৈ যিমান টকা-পইচাৰ প্ৰয়োজন সেইখিনি হয়তো মোৰ ভাগ্যত হৈ নুঠিব।

এনেদৰে দুটা বছৰ পাৰ হৈ গ'ল। মইও B.Sc কৰি দাদাৰ লগতে কামত লাগি আছো স্বাস্থ্যকেন্দ্ৰত। তাৰ মাজতে সঞ্জীৱদাৰ বিয়াখনো হৈ গ'ল। বিয়াত যোৱা নহ'ল। নছোৱালী আনিম আনিম কৰি গাঁৱলৈ আনিবলৈ সময়েই নোপোৱা হ'ল। এদিনাখন সঞ্জীৱদাদাই আহি ক'লে– তোমাৰ কাৰণে এটা ভাল খবৰ আছে নিহাৰিকা তোমাৰ লক্ষ্যত উপনীত হ'বলৈ মই সহায় কৰিম তুমি 'Medical Entrance' পাছ কৰিছা। এতিয়া তোমাক যিমান টকাৰ প্ৰয়োজন সেয়া মই দিম। মই তোমাক MBBS পঢ়াম। মই তোমাক ডাক্তৰ বনাম। পিছত কিন্তু দাদাৰ নিচিনাকৈ মোক পাহৰি নাযাবা দেই। এই বুলি ধেমালি কৰে।

নাজানো কিয় জানো মোৰ ইমান সুখৰ খবৰ শুনিও চকুপানী ওলায়। মায়ে আহি মোক সান্ত্বনা দিয়ে।
ঃ এতিয়া কান্দি থাকিব নালাগে। মই মিঠাই লৈ আহিছো, চাৰ বনোৱাগৈ। কাইলৈ মোৰ লগত গুৱাহাটীলৈ যাব লাগিব। তোমাৰ ক্লাছবোৰ গুৱাহাটী মেডিকেলত হ'ব।

মা-দেউতাক এৰি যাবলৈ অকনো মন নাছিল। কিন্তু তেওঁলোকক মুখত ৰাখিবলৈকে মই যাব লাগিব। মায়ে ৰাতি কাষত শুৱায় বহু কথাই বুজাই কৈছিল। বহুত চকুপানীও সৰিছিল। মায়ে মোক এৰি দিব বিচৰা নাই কিজানি দাদাৰ নিচিনাকৈ মইও মা-দেউতাক এৰি থৈ যাওঁ। মই মাক ক'বলৈ মন মেলিও ক'ব পৰা নাই যে মই কেতিয়াও তেওঁলোকক অকলশৰীয়া নকৰো। তেনেতে মোৰ নলিনীবালা দেৱীয়ে লিখা 'জনমভূমি' কবিতাটিৰ কবিতা দুশাৰীলৈ মনত পৰে ঃ

"মেলিলো প্ৰথম চকু তোমাৰ কোলাতেই আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু তোমাৰ কোলাতেই শুই
জীৱনৰ শেষ সন্ধিয়াত।"

পিছদিনা অলপ পলমকৈ সাৰ পোৱাত চিধাই গা-পা ধুই গোসাইৰ ওচৰত মুৰটো দোৱাই ভাত মুঠি খাই দাদাৰ লগত যাবলৈ ওলালো। মা দেউতাৰ পৰা বিদায় লৈ যাত্ৰা কৰিলো। গুৱাহাটী চহৰ পাই মোৰ চকু কপালত উঠিল। ইমান হুলস্থুলীয়া পৰিবেশত কেনেদৰে থাকিম। দাদাৰ ঘৰতে থাকিবলৈ লৈ গৈছিল। বৌক প্ৰথম দেখাতেই মোৰ আপোন ভাৱ জাগি উঠিল। লাহে লাহে সকলো ঠিক হৈ আহিব ধৰিলে, ঘৰলৈ যাবলৈ সময় নাপালেও দাদা যিহেতু সপ্তাহত তিনিদিন গৈয়ে থাকে মই চিঠি-পত্ৰ দি থাকো। মা-দেউতাও দুদিনমান থাকি যায়হি। এনেদৰে চাওতে চাওতে চাৰিটা বছৰ তেনেদৰে পাৰ হ'ল তত ধৰিবকে নোৱাৰিলো। মোৰ ক্লাছবোৰ শেষ হৈ আহিছে। দাদাক এদিন ক'লো, সঞ্জীৱদা, মই পুনৰ মা-দেউতাৰ ওচৰলৈ মোৰ গাঁওখনলৈ যাব বিচাৰো আপুনি যদি বেয়া নাপায় মই তাত নিজৰ ক্লিনিক খুলিব বিচাৰো। দাদাই কথাত হয়ভৰ দিলে।

কেইদিনমানৰ পাত মই দাদা বৌৰ লগত গাঁৱলৈ যাবলৈ ওলালো। মই ঘৰ পায় দেখি অবাক হ'লো। আমাৰ সাধাৰণ ঘৰটোৰ ঠাইত এটা প্ৰকাণ্ড আৰ.চি.চি বিল্ডিং। কাষতে এখন ক্লিনিকো দেখা পালো। নামটো 'নিহাৰিকা ক্লিনিক'। মই এনে কাৰ্য দেখি অবাক। দেউতাৰ স্বাস্থ্য আগতকৈ বহুত উন্নত হ'ল। মোক দেখি মায়ে দৌৰি আহি সাবটি ধৰেহি।
ঃ মা, দেখিলি, ঘৰৰ ছোৱালী ঘৰলৈ উভটি আহিছো। মই মাক ক'লো। দাদাই মোক ক্লিনিকখন দেখুৱাই কেনে লাগিছে সুধিছিল। সেই সময়ত দাদাক মই কি বুলি কৃতজ্ঞতা জনাম ভাষাই বিচাৰি পোৱা নাছিলো।
ঃ সঞ্জীৱদা, তুমি মোৰ কাৰণে ইমানকৈ কিয় খৰচ কৰিছা?
ঃ মই তোমাৰ কাৰণে একো কৰা নাই, এয়া তোমাৰ আঁৰত থকা প্ৰতিভা বিকশিত হৈছে। আৰু মই তোমাক কৈছিলো নহয় তোমাৰ লক্ষ্যত উপনীত কৰাম বুলি এয়া মোৰ প্ৰতিশ্ৰুতি। এনেতে বৌ সোমাই আহি কয়। কি কথা চলিছে ভনীয়েক ককায়েকৰ মাজত মোকো কোৱাচোন।
ঃ ককায়েক ভনীয়েকৰ কথা তোমাক কিয় কম। ন' নিবাৰিকা। দাদাই কয়।
ঃ অ'। মইও উত্তৰ দিলো।
ঃ হ'ব হ'ব নালাগে থোৱা, এতিয়া ভাত খাবলৈ যাও ব'লা। এইবুলি কৈ বৌ আৰু দাদা ক্লিনিকখনৰ পৰা ওলাই যায়। মই তাতে ৰৈ বাবো। কৰপৰা কি হৈ গ'ল। হয়তো ভগবানে এজন দাদাক মোৰ পৰা আঁতৰাই আন এজনক মোৰ ওচৰলৈ পঠালে। ভগবানৰ যে কি লীলা।
ঃ নিহাৰিকা, নিহাৰিকা। বৌৱে আকৌ চিঞৰিলে। আহা সোনকালে ভাত খোৱাহি।
ঃ গৈছো, বুলি কৈ পাকঘৰৰ পিনে খোজ পেলালো।

# বিজ্ঞানৰ ঘটনাপঞ্জীসমূহ
## মাৰ্চ-এপ্ৰিল

1-3-1982 ছোভিয়েট মহাকাশযান শুক্ৰ 13 ৰ শুক্ৰগ্ৰহত অৱতৰণ।
2-3-1949 পৃথিৱীৰ চৌপাশে উৰাজাহাজেৰে প্ৰথম অবিৰত ভ্ৰমণ।
3-3-1947 আলেকজেণ্ডাৰ গ্ৰাহামবেলৰ জন্মদিন।
4-3-1958 ৰাষ্ট্ৰীয় বিজ্ঞান নীতি ঘোষণা।
5-3-1959 আমেৰিকাৰ কৃত্ৰিম উপগ্ৰহ ডিস্ক'ভাৰ 1 ৰ পতন।
6-3-1665 প্ৰথম বৈজ্ঞানিক আলোচনী 'ফিল'চফিকেল ট্ৰেনজেকচন্স অৱ দা ৰয়েল চচাইটিৰ প্ৰথম প্ৰকাশ।
7-3-1962 বিশ্বৰ প্ৰথম কৌৰ পৰ্যবেক্ষণ উপগ্ৰহৰ উত্তাৰণ।
8-3-1981 জাপানৰ চুমুৰাত অৱস্থিত নিউক্লিয় ৰিয়েক্টৰত দুৰ্ঘটনা।
9-3-1970 কেনছাছৰ কনভিলত বিশ্বৰ বৃহত্তম শিলাবৃষ্টি।
10-3-1977 ইউৰেণাছৰ চাৰিওফালে পাঁচতা বলয়ৰ আৱিস্কাৰ।
11-3-1955 পেনিছিলিনৰ আৱিস্কাৰক আলেকজেণ্ডাৰ ফ্লেমিঙৰ মৃত্যুদিন।
12-3-1980 এলবাৰ্ট বেৰিৰ দ্বাৰা পেৰাছুটৰ প্ৰথম ব্যৱহাৰ।
13-3-1981 চাৰ উইলিয়াম হাৰ্চেলৰ দ্বাৰা ইউৰেণাছ গ্ৰহৰ আৱিস্কাৰ।
14-3-1979 এলবাৰ্ট আইনষ্টাইনৰ জন্মদিন।
15-3-1858 চিকিৎসা বিজ্ঞানত প্ৰথম নোবেল বঁটা বিজেতা এমিল এড়লফ্ ভণ বেহৰিঙৰ জন্মদিন।
16-3-1926 ৰবাৰ্ট এইচ গডাৰ্ডৰ দ্বাৰা জুলীয়া ইন্ধনত চলিত প্ৰথমটো ৰকেট সফলটাৱে নিক্ষেপ।
17-3-1988 প্ৰথম ভাৰতীয় দূৰ নিয়ন্ত্ৰণক উপগ্ৰহ আই.আ.এছ-১ৰ উৎক্ষেপণ।
18-3-1961 যোৰহাট আঞ্চলিক গৱেণাগাৰৰ আধাৰশিলা স্থাপন।
19-3-1987 পদাৰ্থবিজ্ঞানত নোবেল বঁটা বিজেটা লুই দা ব্ৰয়লিৰ মৃত্যুদিন।
20-3-1927 চাৰ আইজাক নিউটনৰ মৃত্যুদিন।
21-3-1768 ফৰাচী গণিতজ্ঞ যেচেফ কুৰিয়াৰৰ জন্মদিন।
22-3-1975 আলস্কাৰ ওৱাইনাচ কেৰি নিউক্লিয় ৰিয়েক্টৰত দুৰ্ঘটনা।
23-3-1983 প্ৰথম ছোভিয়েত মহাকাশ নিৰীক্ষণ কেন্দ্ৰৰ নিক্ষেপন।
24-3-1882 ৰবাৰ্ট কথৰ দ্বাৰা যক্ষ্মাৰোগৰ বীজানু আৱিস্কাৰ।
25-3-1989 নতুন দিল্লীৰ বতৰ বিজ্ঞান প্ৰতিষ্ঠানত ভাৰতৰ প্ৰথম ছুপাৰ কম্পিউটাৰ "ক্ৰে এক্ৰ এম - 14ৰ স্থাপন।
26-3-1953 জনাচ চল্কৰ দ্বাৰা পলিঅ' ছিটাৰ আৱিস্কাৰ।
27-3-1984 নিউইয়ৰ্ক আৰু বষ্টনৰ মাজত সৰ্বপ্ৰথম দূৰণীবটীয়া টেলিফোন যোগাযোগ স্থাপন ।
28-3-1979 থ্ৰি মাইলচ আইলেণ্ডৰ নিউক্লিয় ৰিয়েক্টৰত দুৰ্ঘটনা।
29-3-1974 মেৰিণাৰ ১০ মহাকাশযানৰ বুধগ্ৰহ আতিক্ৰম।
30-3-1976 গাৰ্ডছৰ গণিতিয় ডায়েৰিৰ প্ৰথম দিন।
31-3-1890 ক্ৰিষ্টেল সম্পৰ্কীয় গৱেষণাৰ বাবে পদাৰ্থবিজ্ঞানত নোবেল বঁটা বিজেতা উল্লিউ এল ব্ৰেগৰ জন্মদিন।
1-4-1865 নোবেল বঁটা বিজেতা ৰসায়নবিদ আৰ এ জিগমন্দিৰ জন্মদিন।
2-4-1855 ফিজ' আৰু ফকাল্টৰ দ্বাৰা সূৰ্য্যৰ প্ৰথম ছবি গ্ৰহণ।
3-4-1984 প্ৰথম ভাৰতীয় মহাকাশচাৰী ৰাকেশ শৰ্মাৰ মহাকাশলৈ যাত্ৰা।
4-4-1617 লগৰিথিমৰ আৱিস্কাৰক জন নেপিয়াৰৰ মৃত্যুদিন।
5-4-1913 নীলচ'বৰৰ বিখ্যাত পাৰমাণৱিক তত্বৰ প্ৰথম বিকাশ।
6-4-1909 উত্তৰ মেৰুত মানুহৰ প্ৰথম পদাৰ্পন ৰাব (ৰবাৰ্ট পেৰি)।
7-4-1913 প্ৰথম ইলেক্টণ মাইক্ৰস্কোপ নিৰ্মাণ।
8-4-1963 নোবেল বঁটা বিজয়ী চিকিৎসা বিজ্ঞানী ৰবাৰ্ট বাবানিৰ মৃত্যু।
9-4-1980 পপত বায়ুমিনৰ দ্বাৰা ৰেকৰ্ড 185 দিনীয়া ভাৰশূণ্য অৱস্থাত থাকি কাম কৰা অভিযানৰ প্ৰথম দিন।
10-4-1982 প্ৰথম ভাৰতীয় টেলিসংযোগ আৰু বতৰবিজ্ঞান সম্পৰ্কীয় কৃত্ৰিম উপগ্ৰহ ইনছাট্ ১ৰ নিক্ষেপণ।
11-4-1970 এপ'ল' ১৩ৰ অক্সিজেন চৌকাৰ দুৰ্ঘটনাৰ বাবে চন্দ্ৰত অৱতৰণ স্থগিত।
12-4-1962 যুৰি গাগাৰিণৰ প্ৰথম মহাকাশচাৰী ৰূপে অভিলেখ স্থাপন।
13-4-1882 চালচ্ ডাৰউইনৰ মৃত্যু দিন।
14-4-1629 পোহৰৰ তৰাংগ তত্ব প্ৰৱত্তন কৰোতা খৃষ্টিয়ান হাই'জেনৰ জন্মদিন।
15-4-1874 পদাৰ্থ বিজ্ঞানত নোবেল বঁটা বিজয়ী জহানচ্ ষ্টাকৰ জন্মদিন।
16-4-1853 মোম্বাইৰ পৰা থানালৈ ভাৰতৰ প্ৰথম ৰেলপথ স্থাপন।
17-4-1983 ভাৰতৰ কৃত্ৰিম উপগ্ৰহ আৰু এছ ডিৰ নিক্ষেপন।
18-4-1955 এলবাৰ্ট আইনষ্টাইনৰ মৃত্যুদিন।
19-4-1975 ভাৰতৰ প্ৰথম কৃত্ৰিম উপগ্ৰহ 'আৰ্য্যভট্ট' মহাকাশলৈ নিক্ষেপণ।
20-4-1918 পদাৰ্থ বিজ্ঞানত নোবেল বঁটা বিজয়ী কাৰ্ল ফাৰ্দিনেন্দ ব্ৰণৰ মৃত্যু।
21-4-1889 ৰসায়নৰৰ নোবেল বঁটা বিজেতা প'ল কাৰেৰৰ জন্মদিন।
21-4-1915 প্ৰথম মহাযুদ্ধত পোন প্ৰথমবাৰৰ বাবে বিষাক্ত গেছ ব্যৱহাৰ।
23-4-1885 নোবেল বঁটা বিজয়ী পদাৰ্থ বিজ্ঞানী মেক্স প্লাংকৰ জন্মদিন।
24-4-1990 হাব'ল দূৰবীণ মহাকাশলৈ নিক্ষেপন।
25-4-1874 অনাতাঁৰৰ আৱিস্কাৰক মাৰ্কনিৰ জন্মদিন।
26-4-1920 গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজণৰ মৃত্যুদিন।
27-4-198 বিমানৰ প্ৰথম অতিশাব্দিক গতিবেগ প্ৰাপ্তি।
28-4-1897 জন থমছনৰ দ্বাৰা ইলেক্ট্ৰনৰ আৱিস্কাৰ।
29-4-1985 মহাজাগতিক ৰশ্মি অধ্যয়নৰ বাবে ভাৰতৰ মহাকাশ পৰীক্ষাগাৰ 'অনুৰাধা' মহাকাশলৈ নিক্ষেপণ।

# কেইজনমান প্ৰখ্যাত লেখকৰ ছদ্ম নাম

| ছদ্ম নাম | প্ৰকৃত নাম |
|---|---|
| ১। ভৱানন্দ পাঠক | ড০ বাণীকান্ত কাকতি |
| ২। ভানুনন্দন | ড০ সূৰ্যকুমাৰ ভূঞা |
| ৩। ৰাম্না বৰুৱা/বীণা বৰুৱা | ড০ বিৰিঞ্চি কুমাৰ বৰুৱা |
| ৪। সঞ্জয় | ড০ ভৱেন্দ্ৰ নাথ শইকীয়া |
| ৫। এণ্ডি খুড়া | ড০ নগেন দত্ত |
| ৬। নীলা বাইদেউ | ড০ নিৰ্মলপ্ৰভা বৰদলৈ |
| ৭। কৃপাবৰ বৰবৰুৱা | লক্ষ্মীনাথ বেজবৰুৱা |
| ৮। মামণি ৰয়ছম গোস্বামী | ইন্দিৰা গোস্বামী |
| ৯। চাৰু দত্ত | দীনেশ গোস্বামী |
| ১০। ৰূপচন্দ্ৰ ভাগৱতী | শৰৎ চন্দ্ৰ গোস্বামী |
| ১১। নিৰ্মল দেৱী | বেণুধৰ শৰ্মা |
| ১২। তোলাই শৰ্মা | ৰজনীকান্ত বৰদলৈ |
| ১৩। বিষ্ণুপ্ৰিয়া ঠাকুৰীয়া | বিষ্ণুপ্ৰসাদ ৰাভা |
| ১৪। সীমা দত্ত/এখুদ ককাইদেউ | নৱকান্ত বৰুৱা |
| ১৫। হয়ভৰ অভয়পুৰীয়া | পাৰ্বতি প্ৰসাদ বৰুৱা |
| ১৬। গুৰু দত্ত | গুণাভিৰাম বৰুৱা |
| ১৭। অজগৰ অজানন্দ | ছৈয়দ আব্দুল মালিক |
| ১৮। অসম/চিত্ৰ দাস | অতুল চন্দ্ৰ হাজৰিকা |
| ১৯। কেৰপাই শৰ্মা | বিনন্দ চন্দ্ৰ বৰুৱা |
| ২০। দেশ | দেৱেশ্বৰ শৰ্মা |

সংগ্ৰাহক ঃ দ্বীপজ্যোতি দত্ত
*প্ৰথম বাৰ্ষিক (কলা শাখা)*

# সম্পাদনা সমিতি



বব এলিছন দাস
সম্পাদক



বান্তৰ দাস
সদস্য



চিন্ময় বুঢ়াগোঁহাই
সদস্য



উজ্জ্বল ডেকা
সদস্য



ৰবিন্দৰ কৰ বানছাল
সদস্যা



হেমাঙ্গ দাস
সদস্য

## REPORT OF THE GENERAL SECRETARY



**GYANDEEP DAS**
*General Secretary*

Dibrugarh Hunumanbox Surajmal Kanoi College a temple to which I pay my gratitude. As the General Secretary of the year 2003-04, I seek to present before you the annual report (with my respect and regards to my college and also to those great persons for whose devotion this institution has attain the glory that it has reached today).

Frankly speaking I never dreamed of being the General Secretary of this prestigious college but I always wanted to serve the best to this great institution. And my dream came true so I am very much glad that the students considered me eligible for the post of G.S. and I ma also grateful to my professors who helped me out in that tuff period. I was nominated on 20th Dec. but the real excitement day was on of 31st Dec. the day of our election. And I am very happy and proud to mention that I won the post of G.S. by getting highest amount of vote.

**Oath taking :**

I along with my co-secretaries took the oath in front of the professor and general students that we will serve our college and work for the students' welfare. After the oath we signed our names in the elected members sheet.

**College Week :**

The College Week was held every year in the first week of the January month. We the members student union organized the week long programme of cultural and sports activities to bring out the talents of students. As far as possible through difficulties we tried our level best to make the programme memorable and enjoyable.

**Saraswati puja :**

Like every year Saraswati puja was celebrated with ardour, devotions and glory. Students prayed for wisdom, and knowledge.

**Fresher's Social :**

Fresher's Social is the only way to make the new comers familiar to us and to make them feel that we are all members of one family. On this very day we welcomed our new friends who entered the college with lots of dreams and hopes in their eyes.

All was running smoothly but suddenly a turning came which destroyed the surrounding of our wonderful institution. I didn't remember the exact date but it was the month of June. Our respected principal Sir S.K. Dutta had been trapped by a temporary employee or our college. The girl blamed Sir and made him guilty fro that mistake which he haven't done and also we didn't believe it. Indeed, it is very sad to say that some professors also joined her against our principal who has been serving our college in the best way since 1975 itself. At that time our students also faced a lot of problem during those days classes were not held properly. So on behalf of the students I, sent to beg the teachers' stuff ad requested them that they should continue

the classes but I was insulted by few professors whose names I will not mention particularly. Though I insisted them a lot it was all in main and for that reason we the students of the college observed a protest day for one whole day. After these bad days were over, we the members of students union, thought of bringing back the good days again and hence we tried to organize 'Upper Assam Debate Competition'. But suddenly our mind was totally broken down when we read an article in anewspaper which falsely charged that the Union body of DHSK College were forcibly collecting money from the market. When we ourselves enquired into the matter we came to know that one of our professor gave this report to newspaper. Later on he gave an apology letter. The year went on and again the day come for a new union body to be organized. But this was also under the shadow of those bad days and our professors disagreed to co-operate with us.

During my term as G.S. I had gathered both citer-sweet experiences and though I have crossed over a lot of bad days. I specially thank My God like professors Bhaben Boruah Sir, Sengupta Sir, Mehta Sir, My honourable S.K. Duta Sir and our dear Pratap Sir. Our Vice President Shymaljyoti Gogoi, Magazine Secy. Bob, and my co-secretaries for their full support without whom I cannot think of stepping out from those difficult days.

I would also like to thanks once again Ritupan Borgohian, Dhritiman Borthakur (Raj), Pritam Sinha, Birinchi Gohain, Sontosh Rajak, Baikuntha Deka Baruah, Diganta Bora, Bob Alison Das, Ananta Das, Gautam Das, Bhaskar Das, Bastab Das, Rinkul Das, Bhaskar Saikia, Bijit Mech, Vikram Das, Pranjal Chetia, Rupam Dutta, Chandra Kaushik Gogoi (Kauri), Kaushik Duwarah (Valengi), Shekhar Baruah (Sunny), Maderlekha Basumathery, Hemangini Sonowal, Debjani Dey, Luna Dey, Poaja Dey, Pallavi (Bumoni), Parijat, Anwara, Avineeta Bora, Anjali Das & Group and my heartiest thanks to Tushi (Jaan) for guiding me in every steps.

And among the teachers, I would like to thanks Bhaben Baruah Sir, Dr. Santanu Sengupta, Dr.(Mrs.) Tultul Baruah, Mr. Vijoy Kr. Verma, Dr.(Mrs.) Bharati Dutta, Dr.(Mrs.) Nirmali Bhuyan, Mr. Anupjyoti Bharali, Mrs. Moromi Talukdar, Mr. Dhaniram Boro, Dr.(Mrs.) Usharani Baruah, Dr.(Mrs.) Pallavi Buzarbaruah, Mr. Ananta Teron, Mrs. Kalpana Sengupta Baruah, Mr. Narendra Mahela, Mr. Binod Ch. Bora, Mr. Deva Pallav Rajkhowa and special thanks to Pratap Senapati.

John Kenedy said – 'Ask not what the state can give to you, but ask what you can give to the state'.

With this motto I pray for an excellent future of y temple, D.H.S.K. College.

**--Gyandeep Das**

## REPORT OF THE MAGAZINE SECRETARY



**BOB ALISON DAS**
*Editor*

At the very outset, I offer my gratitude and heartful thanks to all concerned for giving me such an opportunity to serve as the Editor of the 'Kanoian' for the year 2003-04 and during my work I might have committed some mistakes for which I beg to be pardoned. As we all know that D.H.S.K. College is one of the best educational institution in the North-East region and so it the duty of us all to uphold it's position.

Right from the beginning, I was not prepared to stand in the respective post of Magazine Secretary because by that time I was already in the post of General Secretary of the College and I was almost aware of the duties of the Magazine Secretary, which was of a hard working labour. But my brothers, sisters, friends and even Principal Sir, Dr. S.K. Dutta forced me to stand in the this respective post when I went upto him to withdraw my nomination. Every one encouraged me to stand strong and I was bound listen to them. And they elected me by casting their votes in theat Union Election held on 30th Dec. 2003. So, once again I became the member of the College Students' Union Society.

Now after I became the Magazine Secretary my next duty was to publish a perfect Magazine. With an least amount of Rs. 41,000/- fund, I was given the charge to publish a magazine, but with such an amount how one could manage every thing was difficult look which one can only know when he/she would stand in place of me. The rising price of paper and publishing of the cover design were the main obstacles which stand tall in the way, so I was unable to publish a magazine with photopaper, but I will be able to publish a magazine in low budget and with the help of the available fund. I had to publish 1,000 copies of Magazines. So that no one could blame me at last. I even urged the President of the Union Society to add an amount of money in the magazine fund but my prayers were returned unanswered many times. But with the effort of Vice-Principal Sir, Mr. Bhaben Baruah, the Magazine fund was raised a bit. Now it is the duty of each & every Kanoian to find out with such an amount how a perfect 'Kanoian' magazine could be published and why each & every one can't have one copy of it and who is responsible for it either the college authority or the Magazine Secretary.

Each and every year, a yearly Magazine 'Kanoian' comes out and which had to be faced with much difficulties regarding money. So, I too request the authorities of the college that they should take this problem as a major problem of the college and must aim to raise the Magazine Fund, so that



the upcoming Magazine Editors might not get to face the problem of money in publishing the 'Kanoian'. Due to the same problem my 'Kanoian' of the year 2003-04 was published a little bit later.

During my tenure, I have been entrusted with several respected Professors and student friends, who helped me and guided me all the way for which I am much thankful to them. Respected Principal, i/c and Vice-Principal, Mr. Bhaben Baruah Sir, helped me by guiding me in every step. I am once again thankful to all the students who co-operated along with me.

In conclusion, I wish a happy, bright and prosperous future for all the Kanoians.

**Long live D.H.S.K. College**

**Long live Students' Union Society**

**BOB ALISON DAS**
***Editor***



**RUPAM DUTTA**
*Boys' Common Room Secretary*

## REPORT OF THE BOYS' COMMON ROOM SECRETARY

Dear Kanoians,

At the very outset of this column I would like to convey my love and regards to each and every Kanoian. It's really a very good privilege for me to get down a few lines and I am glad to take this chance.

After taking the charge of the office I had to put out the activities of different competitions of carom, chess and table-tennis. This was really a great opportunity for me to serve the college students. And I thought of doing it well, but at the same time I was also feeling very nervous as it was the first time fro me to handle such a big responsibility. But, I am grateful very much to Prof. D.P. Phukan, my in-charge under whose guidance I was able to take the further step. In each and every step, he was always beside me. And its only because of this I was able to solve my duties.

I would also like to thank the participants who helped me by their performance of attaining punctuality.

And at last but never the least I would like to convey my heartiest thanks to all my friends who lifted me up to stand for this particular post.

Lastly, I would like to tell one thing to each and every students including myself to feel that this college is our own. Every one should say to oneself that its my college and always look forwards for its upliftment.

Long live our college.

**--Rupam Dutta**



ARUP DUTTA
*Social Service Secretary*

## REPORT OF THE SOCIAL SERVICE SECRETARY

We all know that our institution D.H.S.K. College was established on 20th June in the year 1945. It is recognized as one of the largest institution in the North Eastern Region.

I am glad to be a part of the Students' Union Society as a Social Service Secretary for the session 2003-04. As a member of the Union Society I took an oath before the college authority to abide by the rules and regulation of the college and to maintain a peaceful environment. After the oath, I stepped forward towards my first assignment which was to supply writing pads and rubber stamp for the member of our union. My next assignment was to construct the college week gate, cleaning the college field, painting the 'Shahid Beddy' etc.

During this time the 58th college week started from 5th – 10th January. The first day was inaugurated by flag hosting which was done by our union. After the flag hosting, the college programme and functions started and everything ended in quite a peaceful manner.

I am very grateful to our Principal Dr. S.K. Dutta, P.D. Goswami (Prof.-in charge) and all the office staff for their valuable advice and guidance.

Lastly, I would like to forward a pen picture of my friends who supported and helped me in my work. My heartful thanks to Liza Gogoi, Chandan Bharali my school friend, Manas, Monoj Gogoi, Akash, Ashim Das, Rupam Dutta, Rohim, Vastav, Bipul, Pranjal, Tomosh, Kamal, Deepshika, Pronomika, Dimbjit Dutta, Bini Gogoi, Papu, Chandan Deka, Deju, Bhaskar, Bshwajit, Bhaskar, Arun Gohain, Trishna and lot but not the least to all the Kanoian.

Thanks.

**--Arup Dutta**

# ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



MAYURI SARMA
*Girls' Common Room Secretary*

প্ৰতিবেদনৰ আৰম্ভণিতে, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সেইসকল কানৈয়ানক মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ, যিসকলে মোক ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকাৰ পদটিৰ দায়িত্বভাৰ বহন কৰিবলৈ আগবঢ়াই দিলে।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুবৃন্দ, সমূহ কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ কাৰ্যকালত কিমান দূৰ সফলতা অৰ্জন কৰিব পাৰিলোঁ, সেয়া, আপোনালোকৰ বিচাৰ্য বিষয়। মোৰ কাৰ্যকালৰ বিষয়ে উল্লেখ কৰিবলৈ হ'লে নাম ল'ব লাগিব মহাবিদ্যালয় সপ্তাহৰ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলোঁ। মোৰ বিভাগৰ অন্তৰ্গত কৰিবলগীয়া প্ৰতিটো কাৰ্যসূচী সফলতাৰে পালন কৰাত চেষ্টাৰ ক্ৰটী কৰা নাছিলোঁ।

মোৰ কাৰ্যকালৰ সময়ত সজ উপদেশ আৰু গঠনমূলক দিহা-পৰামৰ্শৰে সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড০ জে. কোঁৱৰ, ড০ মিনু বুঢ়াগোঁহাই আৰু ৰীতা পদ্দাৰ বাইদেউ প্ৰমুখ্যে সমূহ কৰ্তৃপক্ষলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতো বিশেষভাৱে সহায় সহযোগ আগবঢ়োৱা আৰু প্ৰেৰণা দিয়া– বিতু, দীপশিখা, প্ৰণামিকা, পৰিণীতা,, তৃষ্ণা, নিকি, জয়ালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত, মহাবিদ্যালয়ৰ ভৱিষ্যত আৰু উজ্বল হোৱাৰ কামনাৰে—

—ময়ূৰী শৰ্মা।



DHRUBAJYOTI SAIKIA
*Gymnasium Secretary*

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে উজনি অসমৰ গৌৰৱোজ্বল 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাবে মই এই প্ৰতিবেদন লিখিবলৈ পোৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ২০০৩-০৪ চনৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ প্ৰতিযোগিতাসমূহ ৮/১/২০০৪ আৰু ৯/১/২০০৪ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে সুকলমে অনুষ্ঠিত কৰা হয়। প্ৰথমদিনা মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ ক্ৰমে 'শক্তি উত্তোলন' আৰু 'সমৰ কলা' প্ৰতিযোগিতা আৰু দ্বিতীয়দিনা 'বক্সিং', পাঞ্জা আৰু দেহশ্ৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মোৰ কাৰ্যকালৰ সময়ছোৱাত আন্তঃমহাবিদ্যালয় দেহশ্ৰী প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰসকলে বিভিন্ন শাখাত নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়।

মহাবিদ্যালয় সপ্তাহৰ দেহশ্ৰী, শক্তি উত্তোলন, বক্সিং, পাঞ্জা আৰু সমৰ কলা প্ৰতিযোগিতাত সহায় আগবঢ়োৱা পৰিচালকসমূহলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহত প্ৰয়োজন হোৱা সা-সঁজুলিসমূহ মই বৈৰাগীমঠ সংঘৰ পৰা সংগ্ৰহ কৰিছিলোঁ আৰু সংঘৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

মোক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়োৱা মোৰ বন্ধু— কৰুণা, ভাস্কৰ, অনুজপ্ৰতিম প্ৰীতম, দেৱজিৎ, গৌতম, নীলুৎপল, লুইচ, মানস, দীপাঙ্কৰ, কৌশিক, ছফিকুল, ৰহিম, বব, জ্ঞানদীপ আৰু মোৰ বান্ধৱী বেবিকা, লীনা, মধু, মৌচুমী, নীলাক্ষী, প্ৰণীতা ইত্যাদি সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়ৰ গৌৰৱ আৰু উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

—ধ্ৰুৱজ্যোতি শইকীয়া




বণিক কুমাৰ গগৈ
*'মিষ্টাৰ কানৈ : ২০০৩-০৪'*

# DIGITECH COMPUTERS

*A Software & Hardware Training Centre*

A.T. Road, Graham Bazar
Dibrugarh - 786 001 (Assam)
✆: 0373 2300737(O)

Deals in : Computer Sales & Service, Mobile Phones, Mobile Repairing & Downloading

# MADHURI

## SWEET & CHAT

*For finger licking taste please visit newly open restuarant at Madhuri Sweets.*

H. S. ROAD, DIBRUGARH
PH. 0373-2323547

# HEALTH LINE MULTIGYM

***With all cozy and multifacility equipment.***

**For Boys :** *9 station multifacility hydraulic machines, new advanced jogging machine, message machine, twisters, cycling. Ab-King machine and all sizes of loose plates etc. with perfect instructor helping all the time.*

REGISTRATION FEE RS. 150/- & MONTHLY FEE RS. 130/-

NALIAPOOL, OPPOSITE M.G. HIGH SCHOOL, DIBRUGARH – 786 001




80 % Diseases r borne from Water !



*Installed*

*Aqua Fresh* ™

*Water*

*Purifier*



Contact :- **PRIDE ENGINEERING INDIA**
**A.T. ROAD, NALIAPOOL**
**DIBRUGARH**
H.O. : **NEW DELHI**
Phone: **0373 - 2303653 (O)**
**94350 31832 (M)**

# KAFF TVS

AUTHORISED DEALER :

TVS MOTOR CO. LTD.

A.T. ROAD, GRAHAM BAZAR
DIBRUGARH, ASSAM

Phone : 0373-2303207, 9435032161

# 'কানৈয়ান'ৰ ইতিহাস

## প্ৰাক্তন সম্পাদক সকল

| | |
|---|---|
| ১৯৪৬ - ৪৭ | ইৰা দত্ত |
| ১৯৪৭ - ৪৮ | বিনন্দ চন্দ্ৰ বৰুৱা |
| ১৯৪৯ - ৫০ | ভুপেন্দ্ৰ বৰ পুজাৰী |
| ১৯৫০ - ৫১ | লক্ষী বৰা |
| ১৯৫১ - ৫২ | নৰেন্দ্ৰ নাথ গোস্বামী |
| ১৯৫২ - ৫৩ | খগেন্দ্ৰ মহন |
| ১৯৫৩ - ৫৪ | নিত্যা হাজৰিকা |
| ১৯৫৪ - ৫৫ | দুৰ্গা দত্ত ভৰালী |
| ১৯৫৫ - ৫৬ | উজ্বল শইকীয়া |
| ১৯৫৬ - ৫৭ | যামিনী ফুকন |
| ১৯৫৭ - ৫৮ | সুশীল দুৱৰা |
| ১৯৫৮ - ৫৯ | কিৰন শৰ্মা |
| ১৯৫৯ - ৬০ | বিশ্ব বৰুৱা |
| ১৯৬০ - ৬১ | লুইত দাস |
| ১৯৬১ - ৬২ | অনিল কুমাৰ হাজৰিকা |
| ১৯৬২ - ৬৩ | লম্বেশ্বৰ বৰুৱা |
| ১৯৬৩ - ৬৪ | হেম ওজা |
| ১৯৬৪ - ৬৫ | মুকুট সিংহ ফুকন |
| ১৯৬৫ - ৬৬ | ৰজনীকান্ত চেতিয়া |
| ১৯৬৬ - ৬৭ | কল্পনা দত্ত |
| ১৯৬৭ - ৬৮ | তৰুণ গগৈ |
| ১৯৬৮ - ৬৯ | ভীমকান্ত বৰগোঁহাই |
| ১৯৬৯ - ৭০ | — |
| ১৯৭০ - ৭১ | মোহন সোনোৱাল |
| ১৯৭১ - ৭২ | হিতেশ বিকাশ গগৈ |
| ১৯৭২ - ৭৩ | ডম্বৰু বৰা |
| ১৯৭৩ - ৭৪ | লক্ষ্মীপ্ৰিয়া দেৱী |
| ১৯৭৪ - ৭৫ | গিৰিন গগৈ |
| ১৯৭৫ - ৭৬ | — |
| ১৯৭৬ - ৭৭ | সঞ্জীৱ বৰা |
| ১৯৭৭ - ৭৮ | কৃপাল কুমাৰ বৰুৱা |
| ১৯৭৮ - ৭৯ | প্ৰভাত প্ৰাণ কোঁৱৰ |
| ১৯৭৯ - ৮০ | ৰূপেশ্বৰ শইকীয়া |
| ১৯৮০ - ৮১ | — |
| ১৯৮১ - ৮২ | মনোজ কুমাৰ বৰুৱা |
| ১৯৮২ - ৮৩ | মিন্টু গগৈ |
| ১৯৮৩ - ৮৪ | কল্যাণী বৰুৱা |
| ১৯৮৪ - ৮৫ | — |
| ১৯৮৫ - ৮৬ | — |
| ১৯৮৬ - ৮৭ | কামিনী কুমাৰ গোঁহাই |
| ১৯৮৭ - ৮৮ | নৰজ্যোতি শইকীয়া |
| ১৯৮৮ - ৮৯ | পানীৰাম ডেকা মৰাণ |
| ১৯৮৯ - ৯০ | সুনীল ৰাজকোঁৱৰ |
| ১৯৯০ - ৯১ | সুবোধ কুমাৰ সোনোৱাল |
| ১৯৯১ - ৯২ | প্ৰভাত কুমাৰ গগৈ |
| ১৯৯২ - ৯৩ | মৃণাল কুমাৰ গগৈ |
| ১৯৯৩ - ৯৪ | নৰজিৎ দেউৰী |
| ১৯৯৪ - ৯৫ | ৰাজীৱ গগৈ |
| ১৯৯৫ - ৯৬ | মানস প্ৰতীম শৰ্মা |
| ১৯৯৬ - ৯৭ | সুৰজ কোঁৱৰ |
| ১৯৯৭ - ৯৮ | তৰালী গগৈ |
| ১৯৯৮ - ৯৯ | কান্তা কাবেৰী সোনোৱাল |
| ১৯৯৯ - ২০০০ | সাৰংগ শংকৰ কলিতা |
| ২০০০ - ২০০১ | ধ্ৰুৱজ্যোতি ফুকন (অপ্ৰকাশিত) |
| ২০০১ - ২০০২ | শ্যামলজ্যোতি গগৈ |
| ২০০২ - ২০০৩ | সংগীতা গগৈ (অপ্ৰকাশিত) |